www.asombarta.in

শুদ্ধ আৰু আপোচহীন বাৰ্তাৰ প্ৰতীক

PRGI REGD. NO. : ASASS/25/A2361

# অসম বাৰ্তা

অনলাইনত কাকতখন পঢ়িবলৈ স্কেন কৰক

সময়েই হ'ল মানুহৰ আটাইতকৈ মূল্যবান সম্পদ, কাৰণ সময় এবাৰ গ'লে কেতিয়াও ঘূৰি নাহে। - টমাচ আলভা এডিচন

ব্যক্তিগত, চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠান আদিয়ে অতি কম খৰছত বিভিন্ন ধৰণৰ বিজ্ঞাপন 'অসম বাৰ্তা' কাকতৰ জৰিয়তে প্ৰচাৰ কৰিবলৈ ৭০৯৯৪৩৫৪৬২ নম্বৰত যোগাযোগ কৰক। - 'অসম বাৰ্তা' গোষ্ঠী -

প্ৰথম বছৰ | সংখ্যা- ২৪৮ | শনিবাৰ | ১৮ জুলাই, ২০২৬ চন | Volume/Year- I | Issue- 248 | Saturday | 18th July, 2026 | Asom Barta, Majuli | PRGI Reg. No.- ASASS/25/A2361 | Price- Rs. 10 | Total Page-8

### ৭৫টা নৱনিৰ্মিত অত্যাধুনিক ৰে'লৱে ষ্টেচন ভাৰ্চুৱেলী উদ্বোধন প্ৰধানমন্ত্ৰীৰ

# অমৃত ভাৰত ষ্টেচনৰ মানচিত্ৰত স্থান অসমৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ১৭ জুলাই ঃ** ভাৰতীয় ৰে'লৱেৰ আধুনিকীকৰণ অভিযানে আজি এক নতুন মাইলৰ খুঁটি স্পৰ্শ কৰিলে। দেশৰ ৰে'ল সেৱাৰ সম্প্ৰসাৰণ, বৈদ্যুতিকীকৰণ, বন্দে ভাৰতৰ দৰে অত্যাধুনিক ৰে'ল প্ৰৱৰ্তন, ষ্টেচনসমূহৰ পুনৰ্নিৰ্মাণ-এই সকলো দিশতে ভাৰতীয় ৰে'লে এক নৱজাগৰণৰ সৃষ্টি কৰিছে। শুকুৰবাৰে হাইড্ৰ'জেন ৰে'লৰ শুভাৰম্ভণিৰ লগতে সমগ্ৰ দেশৰ অত্যাধুনিক ৰে'ল সেৱাৰ মানচিত্ৰত অসমেও অন্তৰ্ভুক্ত হৈছে। শুকুৰবাৰে দেশজোৰা এক কাৰ্যসূচীৰ অংশ হিচাপে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে জলন্ধৰ ছাউনি ষ্টেচনৰ পৰা অমৃত ভাৰত ষ্টেচন আঁচনিৰ অধীনত ৭৫টা নৱনিৰ্মিত অত্যাধুনিক ৰে'লৱে ষ্টেচনৰ ভাৰ্চুৱেলী উদ্বোধন কৰে। এই ৭৫টা ষ্টেচনৰ ভিতৰত আছে অসমৰ ঐতিহাসিক ১১৭ বছৰীয়া মাজবাট ৰে'লৱে ষ্টেচনো। প্ৰধানমন্ত্ৰীয়ে ভাৰ্চুৱেলী কৰা উদ্বোধনী অনুষ্ঠানৰ উপৰি মাজবাটত এক পৃথক অনুষ্ঠান অনুষ্ঠিত হয়, য'ত অসমৰ ৰাজ্যপাল ৬ পৃষ্ঠাত



## সোণম ৱাংচুকলৈ সমৰ্থনত গুৱাহাটীত ছাত্ৰ সংগঠনৰ প্ৰতিবাদ

### শিক্ষামন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানৰ পদত্যাগ দাবী ঃ নেহৰু পাৰ্কত সমৰ্থকসকলৰ বিক্ষোভ




**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ১৭ জুলাই ঃ** দেশৰ ৰাজধানী নতুন দিল্লীৰ যন্তৰ-মন্তৰত বিজ্ঞানী, পৰিৱেশবিদ তথা শিক্ষাবিদ সোণম ৱাংচুকে চলাই থকা আমৰণ অনশন শুকুৰবাৰে ২০ দিনত ভৰি দিছে। ছাত্ৰ-ছাত্ৰীৰ শৈক্ষিক ভৱিষ্যতৰ স্বাৰ্থত আৰম্ভ কৰা এই অনশনে দেশজুৰি ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। ইতিমধ্যে বিভিন্ন ৰাজ্যৰ ব্যক্তি-বিশেষ আৰু সংগঠনে ৱাংচুকৰ ৬পৃষ্ঠাত

## লোকপিয়লৰ কামত গাফিলতি কৰিলে কঠোৰ শাস্তি ঃ জিলা আয়ুক্তৰ অনুমতি অবিহনে নাপাব ছুটী

### তথ্য জালিয়াতি কৰিলে ৩ বছৰ কাৰাবাস আৰু ১ হাজাৰ টকা জৰিমনা

**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ১৭ জুলাইঃ** লোকপিয়ল সম্পৰ্কীয় কাম-কাজত জড়িত চৰকাৰী কৰ্মচাৰীসকলৰ বাবে কঠোৰ নিয়মাৱলী প্ৰণয়ন কৰিছে ৰাজ্য চৰকাৰে। লোকপিয়ল ৬ পৃষ্ঠাত




## অসমৰ শিল্পীৰ সোণম ৱাংচুকৰ অনশনৰ প্ৰতি সমৰ্থন

### ৰবি শৰ্মাৰ আবেদন, বৰষা ৰাণীৰ সমৰ্থন, দীপলিনা-নীলোৎপলৰ পোষ্ট

**নিউজ ডেস্ক, অসম বাৰ্তা, ১৭ জুলাই ঃ** দেশৰ ৰাজধানী নতুন দিল্লীৰ যন্তৰ-মন্তৰত সমাজকৰ্মী, পৰিৱেশ বিজ্ঞানী তথা শিক্ষাবিদ সোণম ৱাংচুকে চলাই থকা আমৰণ অনশনে আজি ২০ দিনত ভৰি দিছে। ছাত্ৰ-ছাত্ৰীৰ শৈক্ষিক ভৱিষ্যত আৰু শিক্ষা ব্যৱস্থাৰ সংস্কাৰৰ দাবীৰে আৰম্ভ কৰা এই অনশনে সমগ্ৰ দেশতে এক উত্তাল প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। বিভিন্ন প্ৰান্তৰ পৰা লোকসকল সোঁ- ৬ পৃষ্ঠাত

## CMAAA আঁচনিত ৫০% উদ্যোগীয়ে সুবিধা ল'ব নোৱাৰিলে ঃ মন্ত্ৰী বিমল বৰা

প্ৰথম পৰ্যায়ত ২৫, ২৭৭ গৰাকীলৈ ৰ লাখ টকাকৈ আৰ্থিক অনুদান



**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ১৭ জুলাই ঃ** মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অসম অভিযান (CMAAA) আঁচনিখনৰ প্ৰথম আৰু দ্বিতীয় পৰ্যায়ৰ তথ্য পোহৰলৈ আহিছে। এই আঁচনিৰ অধীনত বহু উদ্যোগীয়ে সুবিধা লাভ কৰিলেও প্ৰায় ৫০ শতাংশ উদ্যোগীয়ে ইয়াৰ সঠিক সদ্ব্যৱহাৰ কৰিব পৰা নাই বুলি মন্তব্য কৰিছে শিল্প-বাণিজ্য মন্ত্ৰী বিমল বৰাই। তেওঁ লগতে কয় যে CMAAA আঁচনিখন আমি সফল কৰিবই লাগিব। মন্ত্ৰী বিমল বৰাই জানিবলৈ দিয়া মতে, CMAAAৰ প্ৰথম পৰ্যায়ত মুঠ ২৫, ২৭৭ গৰাকী উদ্যোগীক ১ লাখ টকাকৈ আৰ্থিক অনুদান প্ৰদান কৰা হৈছে। এই আঁচনিখনে উদ্যোগীক আত্মনিৰ্ভৰশীল কৰি তোলাৰ ক্ষেত্ৰত এক ৬ পৃষ্ঠাত

## ২০ জুলাইলৈকে জীয়াই থাকিম, বিফল হ'লে ভূত হৈও ঘূৰি আহিম ঃ সোণম ৱাংচুক

### অনশনৰ ২০ দিনত স্বাস্থ্যৰ অৱনতি ঃ ওজন ৯ কিলোগ্ৰাম হ্ৰাস

**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ১৭ জুলাই ঃ** "মোৰ একো নহয়, মোক কোনেও খাবলৈ জোৰ নকৰিব। ২০ জুলাইলৈকে মই জীয়াই থাকিব লাগিব। বিফল হ'লে ভূত হৈ হ'লেও ৬পৃষ্ঠাত



## ক্ৰাইম ব্ৰাঞ্চত হাজিৰ নহ'ল পৱন খেৰা

### মুখ্যমন্ত্ৰী পত্নী ৰিণিকি ভূঞা শৰ্মাৰ গোচৰত জেৰাৰ বাবে চমন



**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ১৭ জুলাই ঃ** অসম ক্ৰাইম ব্ৰাঞ্চৰ দ্বাৰা জেৰাৰ বাবে চমন প্ৰেৰণ কৰা সত্ত্বেও শুকুৰবাৰে কাৰ্যালয়ত হাজিৰ নহ'ল জ্যেষ্ঠ কংগ্ৰেছ নেতা পৱন খেৰা। পূৰ্বনিৰ্ধাৰিত ৬পৃষ্ঠাত

## OVSE হিচাপে পঞ্জীয়ন লাভ কৰা তৃতীয় আৰক্ষী বাহিনী হিচাপে পৰিগণিত অসম আৰক্ষী

### ইণ্টাৰনেট নাথাকিলেও পৰিচয় পত্ৰ পৰীক্ষাত সিদ্ধহস্ত অসম আৰক্ষী

**নিউজ ডেস্ক, অসম বাৰ্তা, ১৭ জুলাই ঃ** অসম আৰক্ষীৰ হাতৰ পৰা এতিয়া সহজে সাৰি যাব নোৱাৰিব অপৰাধীসকল। অনুপ্ৰৱেশকাৰী, গাড়ী চোৰ, ড্ৰাগছ সৰবৰাহকাৰী, অস্ত্ৰ সৰবৰাহকাৰী- সকলোৰে বাবে বাজিছে বিপদৰ ঘণ্টা। কাৰণ অসম আৰক্ষীয়ে ইউআইডিএআই(UIDAI)-আধাৰৰ অধীনত অফলাইন ভেৰিফিকেচন চেকিং এণ্টিটী (Offline Verification ৬পৃষ্ঠাত


AADHAAR
Mera Aadhaar, Meri Pehchaan
Unique Identification Authority of India
Behind Kali Mandir, Gole Market, New Delhi - 110001
OVSE REGISTRATION CERTIFICATE
This is to certify that
Assam Police
having its registered office at
Assam Police HQ, B. K. Kakati Road, Ulubari, Guwahati 781007, Assam
has been registered as an Offline Verification Seeking Entity (OVSE) with the Unique Identification Authority of India (UIDAI) under the provisions of the Aadhaar Act, 2016 and the regulations framed thereunder.
Registration Details
OVSE Registration Number: 0 R 0 0 7 3 1 0 2 9
Type of Entity
Date of Issue: 02-Jun-2026
The registration will be valid for two years from date of issue.
Conditions of Registration
1. This certificate is issued only after the entity has read, understood and duly accepted and signed the Terms and Conditions applicable to OVSE as prescribed by UIDAI.
2. This registration is non-transferable and subject to suspension or cancellation in case of violation.
3. This certificate shall be produced on demand to UIDAI or any authorized authority.
Place: New Delhi
This is a system generated certificate, hence no signature is required.

## অসমৰ শক্তিখণ্ডত ৭৭, ৩৫৩ কোটি টকা বিনিয়োগৰ মহাপৰিকল্পনা

### ৮, ৪৫৭ মেগাৱাট বিদ্যুৎ উৎপাদনৰ লক্ষ্য

**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ১৭ জুলাই ঃ** ৰাজ্যত শক্তিৰ নাটনি দূৰ কৰিবলৈ আৰু বিদ্যুৎ উৎপাদন ক্ষমতা বৃদ্ধি কৰাৰ বাবে অসম চৰকাৰে এক অভিলাষী পৰিকল্পনা গ্ৰহণ কৰিছে। জল, সৌৰ, তাপ আৰু শক্তি সংৰক্ষণ প্ৰকল্পত মুঠ ৭৭, ৩৫৩ কোটি টকাতকৈ অধিক বিনিয়োগ কৰাৰ সিদ্ধান্ত লোৱা হৈছে। এই বিনিয়োগৰ জৰিয়তে ৰাজ্যখনৰ বিদ্যুৎ উৎপাদন ক্ষমতা ৮, ৪৫৭ মেগাৱাটলৈ উন্নীত কৰাৰ লক্ষ্য ৬ পৃষ্ঠাত



## যোৰাবাটত পুনৰ কৃত্ৰিম বান বুৰ গ'ল উৰণ সেতুৰ তলৰ পথ

### গুৱাহাটী-শ্বিলং পথত তীব্ৰ যানজট ঃ ডিগাৰু আৰু কইনাধৰাত পথ সলনি আৰক্ষীৰ



**ষ্টাফ ৰিপ'ৰ্টাৰ, যোৰাবাট, ১৭ জুলাই ঃ** এজাক ধাৰাসাৰ বৰষুণৰ পিছতে পুনৰ ভয়াৱহ কৃত্ৰিম বানপানীৰ কবলত পৰিছে যোৰাবাট অঞ্চল। নেৰানেপেৰা বৰষুণৰ ফলত যোৰাবাটৰ ৰাষ্ট্ৰীয় ঘাইপথৰ ৯ মাইল আৰু ১০ মাইল এলেকাত এক ভয়ংকৰ বান পৰিস্থিতিৰ সৃষ্টি হৈছে। যাৰ ফলত সাধাৰণ পথচাৰী আৰু বাহনৰ চালকসকল ২ পৃষ্ঠাত

## বিশ্বৰ আটাইতকৈ শক্তিশালী হাইড্ৰ'জেন ৰে'ল উদ্বোধন প্ৰধানমন্ত্ৰী মোদীৰ

### ২০১৪ৰ পূৰ্বে ডিজেল আমদানি বন্ধ হ'লে ৰে'ল নেটৱৰ্ক স্তব্ধ হ'লহেঁতেন ঃ প্ৰধানমন্ত্ৰী




**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ১৭ জুলাই ঃ** প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে শুকুৰবাৰে হাৰিয়ানাৰ জিন্দ ৰেলৱে ষ্টেচনত ভাৰতৰ প্ৰথমখন হাইড্ৰ'জেন-চালিত ৰে'লৰ পতাকা উৰুৱাই উদ্বোধন কৰে। এই উপলক্ষে এক সমাৰেশক সম্বোধন কৰি প্ৰধানমন্ত্ৰীগৰাকীয়ে কয় যে বিগত ১২ বছৰত ভাৰতীয় ৰে'লৱে'ৰ দ্ৰুত বৈদ্যুতিকীকৰণে বিশ্বব্যাপী শক্তি সংকটৰ সৈতে মোকাবিলা কৰাৰ দেশৰ ক্ষমতাক শক্তিশালী ২ পৃষ্ঠাত

## NEET UG ফলাফল ঘোষণা উত্তীৰ্ণ ১১ লাখ ২১ হাজাৰ পৰীক্ষাৰ্থী

### এমবিবিএছ, বিডিএছ, আয়ুসকে ধৰি স্নাতক চিকিৎসা পাঠ্যক্ৰমত নামভৰ্তিৰ বাবে অভিলেখ সংখ্যক ছাত্ৰ-ছাত্ৰী যোগ্য

**নিউজ ডেস্ক, অসম বাৰ্তা, ১৭ জুলাইঃ** চিকিৎসা শিক্ষাৰ প্ৰৱেশিকা পৰীক্ষা NEET UG 2026ৰ ফলাফল ঘোষণা কৰা হৈছে। বৃহস্পতিবাৰে নিশা ৰাষ্ট্ৰীয় টেষ্টিং এজেন্সীয়ে (NTA) এই ফলাফল প্ৰকাশ কৰে, যাৰ লগে লগে দেশজুৰি লক্ষাধিক পৰীক্ষাৰ্থীৰ দীৰ্ঘদিনীয়া অপেক্ষাৰ অন্ত পৰিল। এই বছৰ পৰীক্ষাত অভিলেখ সংখ্যক পৰীক্ষাৰ্থীয়ে সফলতা লাভ কৰিছে। মুঠ ১১ লাখ ২১ হাজাৰতকৈও অধিক পৰীক্ষাৰ্থীয়ে এমবিবিএছ, বিডিএছ, আয়ুস (আয়ুৰ্বেদ, যোগ আৰু প্ৰাকৃতিক চিকিৎসা, ইউনানি, চিদ্ধ আৰু হোমিওপেথী) ২ পৃষ্ঠাত



## বৰ্ষাকালীন অধিৱেশনৰ পূৰ্বে এনডিএৰ ৰাজনাথ সিঙৰ বাসগৃহত কৌশলী বৈঠক

### বিৰোধীৰ প্ৰত্যাহ্বানৰ সন্মুখীন হ'বলৈ সাজু কেন্দ্ৰ

**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ১৭ জুলাই ঃ** অহা ২০ জুলাইৰ পৰা আৰম্ভ হ'বলগীয়া সংসদৰ বৰ্ষাকালীন অধিৱেশনৰ পূৰ্বে শুকুৰবাৰে বিজেপিৰ জ্যেষ্ঠ নেতা তথা প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙৰ বাসগৃহত এনডিএৰ নেতাসকলে এক গুৰুত্বপূৰ্ণ বৈঠকত মিলিত হোৱাৰ সম্ভাৱনা আছে। সংবাদ সংস্থা পিটিআয়ে বিশেষ সূত্ৰৰ উদ্ধৃতি দি এই তথ্য প্ৰকাশ কৰে। ২০ জুলাইৰ পৰা আৰম্ভ হ'বলগীয়া এই অধিৱেশনত বিৰোধী দলসমূহে চৰকাৰক একাধিক বিষয়ত কঠোৰ প্ৰশ্নৰ সন্মুখীন কৰাব বুলি আশা কৰা হৈছে। NEET পৰীক্ষাৰ প্ৰশ্নকাকত ফাদিল হোৱাৰ ঘটনা, পশ্চিম এছিয়াৰ সংঘাতত ভাৰতীয় ৬ পৃষ্ঠাত

## কাজিৰঙা অৰ্কিড পাৰ্কৰ ১২-১৫ কোটি জিএছটিৰ হিচাপ লুকুৱাইছে বিধায়ক অখিল গগৈৰে ঃ কমল কুমাৰ মেধি

### বিত্তমন্ত্ৰীৰ বিধানসভাত উত্থাপিত প্ৰশ্নৰ উত্তৰ দিব নোৱাৰিলে গগৈ অখিলে

**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ১৭ জুলাই ঃ** কাজিৰঙা অৰ্কিড আৰু জৈৱ-বৈচিত্ৰ্য উদ্যানৰ পৰিচালনা আৰু বিত্তীয় লেনদেনক লৈ বিধায়ক অখিল গগৈৰ বিৰুদ্ধে গুৰুতৰ অভিযোগ উত্থাপন কৰিছে ৰাজ্যিক বিজেপি নেতৃত্বই। শুকুৰবাৰে ৰাজ্যিক বিজেপিৰ মুখ্য কাৰ্যালয়ত অনুষ্ঠিত সংবাদমেলত বিজেপিৰ মুখপাত্ৰ কমল কুমাৰ মেধিয়ে কয় যে গগৈয়ে কাজিৰঙা অৰ্কিড পাৰ্কৰ জিএছটি সম্পৰ্কীয় ১২-১৫ কোটি টকাৰ হিচাপ লুকুৱাইছে। সংবাদমেলত মেধিয়ে উল্লেখ কৰে যে বিধানসভাৰ মজিয়াত বিত্তমন্ত্ৰী জয়ন্ত মল্লবৰুৱাই অখিল গগৈৰ নেতৃত্বত ৬ পৃষ্ঠাত



## বীৰ লাচিত বৰফুকনৰ জীৱন আৰু শৰাইঘাটৰ ঐতিহাসিক যুদ্ধক কেন্দ্ৰ কৰি নিৰ্মাণ হ'ব মেগা বাজেটৰ কথাছবি

### 'ধুৰন্ধৰ'ৰ পৰিচালক আদিত্য ধৰৰে আগষ্টত মুখ্যমন্ত্ৰীৰ বিশেষ বৈঠক

**নিউজ ডেস্ক, অসম বাৰ্তা, ১৭ জুলাই ঃ** অসমৰ গৌৰৱময় ইতিহাসক বিশ্ব দৰবাৰত প্ৰতিষ্ঠা কৰাৰ উদ্দেশ্যে ৰাজ্য চৰকাৰে এক অভিলাষী চলচ্চিত্ৰ প্ৰকল্প হাতলৈ লৈছে। আহোম যুগৰ বীৰ সেনাপতি লাচিত বৰফুকনৰ জীৱন আৰু শৰাইঘাটৰ ঐতিহাসিক যুদ্ধক কেন্দ্ৰ কৰি এখন মেগা বাজেটৰ কথাছবি নিৰ্মাণৰ সিদ্ধান্ত লোৱা হৈছে। এই প্ৰকল্পৰ বাবে চৰকাৰে প্ৰায় ১৫০ কোটি টকা বিনিয়োগ কৰাৰ পৰিকল্পনা কৰিছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই শুকুৰবাৰে এক ফেচবুক লাইভ ৬পৃষ্ঠাত



## কমনৱেলথ গেমছ ২০২৬ৰ অসমৰ চাৰি ক্ৰীড়াবিদক মুখ্যমন্ত্ৰীৰ শুভেচ্ছা

**নিউজ ডেস্ক, অসম বাৰ্তা, ১৭ জুলাই ঃ** অহা ২৩ জুলাইৰ পৰা ২ আগষ্টলৈ স্কটলেণ্ডৰ গ্লাছগোত অনুষ্ঠিত হ'বলগীয়া ২০২৬ চনৰ কমনৱেলথ গেমছৰ বাবে প্ৰস্তুতি চলাইছে দেশৰ ক্ৰীড়াবিদসকলে। এই মৰ্যাদাপূৰ্ণ আন্তঃৰাষ্ট্ৰীয় ক্ৰীড়া সমাৰোহত ভাৰতক প্ৰতিনিধিত্ব কৰিবলগীয়া অসমৰ চাৰিজনীয়া ক্ৰীড়াবিদক আজি বিশেষভাৱে শুভেচ্ছা জ্ঞাপন কৰে ৰাজ্যৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। অলিম্পিক ব্ৰঞ্জ পদক বিজয়ী বক্সাৰ লাভলীনা বৰগোহাঁই, লন বল খেলুৱৈ নয়নমণি ৬ পৃষ্ঠাত

# কাছাৰীপেটী উচ্চ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰত একাঁঠু পানী

**অসম বাৰ্তা, অভয়াপুৰী, ১৭ জুলাই ঃ** বঙাইগাঁও জিলাৰ সৃজনগ্ৰাম শিক্ষাখণ্ডৰ অন্তৰ্গত কাছাৰীপেটী উচ্চ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰত বৰ্তমান একাঁঠু পানীৰে ডুব যোৱাত বিদ্যালয়খনৰ কেইবা শতাধিক ছাত্ৰ-ছাত্ৰীয়ে খেল-ধেমালি আৰু বিভিন্ন ক্ৰীড়া কাৰ্যসূচীৰ পৰা বঞ্চিত হবলগীয়া হৈছে। দীৰ্ঘদিন ধৰি বছৰৰ বেছি দিনেই খেলপথাৰৰ আধা অংশ পানীত ডুবি থকাৰ ফলত ছাত্ৰ-ছাত্ৰী সকলে বিদ্যালয়খনত ক্ৰীড়া চৰ্চাৰ অনুকূল পৰিৱেশ নোহোৱা হৈছে। বাৰিষাৰ আৰম্ভণিতে খেলপথাৰ খন আধা অংশ পানীত বুৰ যায়। পানী নিষ্কাশন ব্যৱস্থা নথকাৰ বাবে দীৰ্ঘদিন ধৰি পানী জমা হৈ থাকে। ফলত ছাত্ৰ-ছাত্ৰীয়ে শাৰীৰিক শিক্ষা, খেল-ধেমালি, ব্যায়াম আৰু বিদ্যালয়খনৰ বিভিন্ন ক্ৰীড়া অনুষ্ঠান অনুষ্ঠিত কৰাত যথেষ্ট অসুবিধা হবলগীয়া হৈছে। বিষয়টো স্থানীয় জনপ্ৰতিনিধিৰ দৃষ্টিগোচৰ কৰা হৈছিল যদিও আজিলৈকে কোনো পদক্ষেপ গ্ৰহণ কৰা নাই। ফলত সমস্যাটো দিনক দিনে অধিক জটিল ৰূপ ধাৰণ কৰিছে। এখন সুস্থ আৰু উন্নত খেলপথাৰ শিক্ষাৰ এক অপৰিহাৰ্য্য অংশ। বিদ্যালয়ৰ কৰ্তৃপক্ষ, অভিভাৱক আৰু স্থানীয় ৰাইজে অতিশীঘ্ৰে খেলপথাৰখনৰ পানী নিষ্কাশন স্থায়ী ব্যৱস্থা গ্ৰহণ কৰি, মাটি পেলাই খেলপথাৰৰ খনৰ উন্নয়ন ক্ৰীড়াৰ উপযোগী কৰি তোলাৰ দাবী জনাইছে। শিক্ষা বিভাগ, সংশ্লিষ্ট বিভাগীয় কৰ্তৃপক্ষ আৰু স্থানীয় জনপ্ৰতিনিধিয়ে বিষয়টো গুৰুতত্ত্ব সহকাৰে বিবেচনা কৰি তাৎক্ষণিক বাবে ব্যৱস্থা গ্ৰহণ কৰিব বুলি আশা প্ৰকাশ কৰিছে অঞ্চলবাসীয়ে।

# চেলেংহাট টিপমীয়াত অবৈধ সুৰাৰ ঘাটি উৎখাতৰ দাবীত টীয়ক আৰক্ষীত এজাহাৰ

**অসম বাৰ্তা, চেলেংহাট, ১৭ জুলাই ঃ** যোৰহাট জিলাৰ টীয়ক আৰক্ষী থানাৰ অন্তৰ্গত চেলেংহাট টিপমীয়া গাঁৱৰ বিভিন্ন স্থানত দীৰ্ঘদিন ধৰি চলি থকা অবৈধ বিলাতী সুৰাৰ ব্যৱসায় আৰু চুলাই মদৰ ঘাটিসমূহ উৎখাত কৰাৰ দাবীত স্থানীয় ৰাইজে টীয়ক আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়াক এজাহাৰযোগে গুৰুতৰ অভিযোগ উত্থাপন কৰিছে। স্থানীয় ৰাইজে দাখিল কৰা এজাহাৰত টিপমীয়া গাঁৱৰ বৰাচুকৰ লগতে ইয়াৰ ওচৰে-পাজৰে থকা কেইবাটাও পৰিয়ালৰ ঘৰতে দীৰ্ঘদিন ধৰি মুকলিকৈ অবৈধ মদৰ দোকান আৰু চুলাই মদৰ ঘাটি চলাই অহা হৈছে বুলি উল্লেখ কৰা হৈছে। এই অবৈধ ব্যৱসায়ৰ বাবে সমগ্ৰ অঞ্চলটোৰ শৈক্ষিক পৰিৱেশ সম্পূৰ্ণৰূপে বিনষ্ট হোৱাৰ লগতে পাৰিবাৰিক কণ্ডলো বাঢ়িছে। কিছুদিন পূৰ্বে সুৰাৰ বাবে বাপেক-পুতেকৰ মাজত কাজিয়াৰ সূত্ৰপাত হৈ আক্ৰমণৰ দৰে ঘটনাও সংঘটিত হৈছে বুলি এজাহাৰত উল্লেখ আছে। অভিযোগকাৰী ৰাইজৰ মতে, এই সুৰাৰ ঘাটিসমূহৰ বাবেই স্থানীয় যুৱকসকলৰ মাজত দৈনিক হাই কাজিয়া বৃদ্ধি পোৱাৰ লগতে অঞ্চলটোত তীব্ৰ পাৰিবাৰিক অশান্তিৰ সৃষ্টি হৈছে, যাৰ ফলত মহিলা আৰু শিশুসকলে নিৰাপত্তাহীন পৰিৱেশত দিন কটাবলগীয়া হৈছে। এই সামাজিক ব্যাধি অতি সোনকালে প্ৰতিহত কৰাৰ স্বাৰ্থত স্থানীয় ৰাইজে ঐক্যবদ্ধ হৈ টীয়ক আৰক্ষীক অবৈধ চুলাই মদৰ ঘাটিসমূহ উচ্ছেদ কৰি অঞ্চলটোলৈ শান্তিপূৰ্ণ পৰিৱেশ ঘূৰাই অনাৰ অনুৰোধ জনাইছে। ইয়াৰ উপৰিও চেলেংহাট অঞ্চলৰ চেলেং, গাভৰু, নামচেং, ডালিম বস্তী আৰু ফুকনচুককে ধৰি বহু কেইটা অঞ্চলত অবৈধ চুলাই ভাটি কাঠফুলাৰ দৰে বাঢ়ি অহাৰ অভিযোগ উঠিছে। সচেতন মহলে বহুদিনৰ পৰা ইয়াৰ বিৰুদ্ধে মাত মাতি আহিছে যদিও আৰক্ষীৰ নিৰ্লিপ্ত ভূমিকাই সচেতন মহলক চিন্তিত কৰি তুলিছে। এতিয়া আৰক্ষীয়ে এই স্পৰ্শকাতৰ বিষয়টোত কেনেধৰণৰ খৰতকীয়া পদক্ষেপ গ্ৰহণ কৰে, সেয়া লক্ষণীয় হ'ব।

# কামৰূপত মানৱ সৰবৰাহ প্ৰতিৰোধ বিষয়ক সজাগতামূলক কাৰ্যসূচী সম্পন্ন

**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ১৭ জুলাই ঃ** কামৰূপ জিলা সমাজ কল্যাণ বিষয়াৰ কাৰ্যালয়ৰ অধীনস্থ সংকল্প - ডিষ্ট্ৰিক্ট হাব ফৰ এম্পাৱাৰমেণ্ট অৱ উইমেন (DHEW), কামৰূপৰ উদ্যোগত শুক্ৰবাৰে ৰঙিয়াস্থিত শ্বহীদ ভৱনত মানৱ সৰবৰাহ প্ৰতিৰোধ বিষয়ক এখন সজাগতামূলক কাৰ্যসূচী অনুষ্ঠিত হৈ যায়। মহিলা আৰু শিশুৰ সুৰক্ষা নিশ্চিত কৰাৰ লগতে মানৱ সৰবৰাহ প্ৰতিৰোধ সম্পৰ্কে জনসচেতনতা বৃদ্ধি কৰাৰ উদ্দেশ্যে এই কাৰ্যসূচীৰ আয়োজন কৰা হয়। অনুষ্ঠানত উপস্থিত সমল ব্যক্তিসকলে মানৱ সৰবৰাহৰ ক্ৰমবৰ্ধমান সমস্যাৰ ওপৰত আলোকপাত কৰাৰ লগতে ডাইনী অপবাদ আৰু বাল্যবিবাহৰ দৰে সামাজিক কু-প্ৰথাসমূহ সম্পৰ্কেও অংশগ্ৰহণকাৰীসকলক সজাগ কৰে। তেওঁলোকে এইধৰণৰ অপৰাধ আৰু সামাজিক ব্যাধি প্ৰতিৰোধৰ ক্ষেত্ৰত শিক্ষা, সজাগতা আৰু সমাজৰ সক্ৰিয় অংশগ্ৰহণৰ গুৰুত্বৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰে। ইয়াৰ উপৰিও উপস্থিত সমল ব্যক্তিসকলে কিশোৰীসকলক শিক্ষা, দক্ষতা বিকাশ আৰু আৰ্থিক স্বাৱলম্বিতাৰ জৰিয়তে আত্মনিৰ্ভৰ হোৱাৰ বাবে উৎসাহিত কৰে। সমাজৰ প্ৰতিজন ব্যক্তিৰ সচেতনতা আৰু সহযোগিতাই মহিলা আৰু শিশুসকলৰ বাবে অধিক সুৰক্ষিত আৰু সশক্ত পৰিৱেশ গঢ়ি তোলাত সহায় কৰিব বুলি উল্লেখ কৰে। অনুষ্ঠানত ৰঙিয়াৰ সম-জিলা আয়ুক্ত নৱজিত পাঠক, বিশিষ্ট সমাজকৰ্মী সুজাতা মিশ্ৰ, কামৰূপৰ জিলা সমাজ কল্যাণ বিষয়া, সমল ব্যক্তি তথা প্ৰাক্তন শিক্ষয়িত্ৰী আৰু সদৌ অসম লেখিকা পৰিষদৰ সদস্যা অনিমা ঠাকুৰীয়া, কমলপুৰ-ৰঙিয়া সংহত শিশু উন্নয়ন প্ৰকল্পৰ শিশু উন্নয়ন প্ৰকল্প বিষয়া (CDPO), ছুপাৰভাইজাৰসকল, অংগনবাড়ী কৰ্মী আৰু সহায়িকা, কিশোৰীসকল আৰু স্থানীয় ৰাইজ উপস্থিত থাকে।

# মৰিজাঁজী আঞ্চলিক কলা কৃষ্টি কেন্দ্ৰত মৰিয়নি সমষ্টিৰ নাট্য কৰ্মশালাৰ শুভাৰম্ভ

**অসম বাৰ্তা, চেলেংহাট, ১৭ জুলাই ঃ** অসম চৰকাৰৰ সাংস্কৃতিক বিভাগৰ উদ্যোগত, মৰিয়নি সম জিলা আৰু প্ৰজ্ঞান একাডেমী পৰিচালনা সমিতিৰ সহযোগত, শংকৰদেৱ কলা একাডেমীৰ আতিথ্যত সমষ্টি ভিত্তিক আয়োজিত গ্ৰীষ্মকালীন কৰ্মশালাৰ অংশ হিচাপে মৰিয়নি সমষ্টিৰ নাট্য কৰ্মশালা ১৬ জুলাইৰ পৰা মৰিজাঁজী আঞ্চলিক কলা কৃষ্টি কেন্দ্ৰত আৰম্ভ হয়। কৰ্মশালাৰ আৰম্ভণিতে সমাজকৰ্মী প্ৰমোদ বৰাই বন্তি প্ৰজ্বলন কৰি অনুষ্ঠানৰ আৰম্ভণি কৰে। বামুণপুখুৰি জিলা পৰিষদৰ সদস্য সীমান্ত বৰুৱাই কৰ্মশালা শুভাৰম্ভ কৰি মন্তব্যত প্ৰকাশ কৰে যে নাটকে শিশুৰ সৰ্বাংগীণ উন্নতিত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। শুভাৰম্ভণি অনুষ্ঠানত আমন্ত্ৰিত অতিথি হিচাপে উপস্থিত থাকে কৰ্মশালা সমিতিৰ সদস্যা ৰীতা বৰুৱা, যোৰহাট জিলা পৰিষদৰ সভাপতি সুৰজিৎ শইকীয়া, প্ৰাক্তন শিক্ষক চিদানন্দ হাজৰিকা, সমাজকৰ্মী ডিম্বেশ্বৰ বৰা আৰু জিণ্টু ভৰালী, লগতে ২ নং ভগামুখ গাঁও পঞ্চায়তৰ আঞ্চলিক সদস্যা জোনমণি ফুকন। উল্লেখ্য যে ১৬ জুলাইৰ পৰা ৩০ জুলাইলৈ অনুষ্ঠিত হ'ব লগীয়া এই কৰ্মশালাত প্ৰশিক্ষণ প্ৰদান কৰিব বিশিষ্ট নাট্যকাৰ, পৰিচালক তথা অভিনেতা তাপস তৰুণ শইকীয়া আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ নাট্যকলাৰ স্নাতকোত্তৰ তথা ৰাষ্ট্ৰীয় নাট্য বিদ্যালয়, ত্ৰিপুৰাৰ স্নাতক পাৰ্থ প্ৰতিম শৰ্মাই। প্ৰজ্ঞান একাডেমীৰ সমন্বয়ক গীতাৰ্থ গোস্বামীয়ে অসম চৰকাৰৰ এই অভিলাষী আঁচনিৰ জৰিয়তে বৃহত্তম গ্ৰাম্য অঞ্চলৰ শিশু, কিশোৰ-কিশোৰীসকল যথেষ্ট লাভান্বিত হ'ব বুলি মন্তব্য প্ৰকাশ কৰাৰ লগতে মুখ্যমন্ত্ৰী আৰু মৰিয়নি সমষ্টিৰ বিধায়ক ৰূপজ্যোতি কুৰ্মীৰ সহযোগিতাৰ বাবে আন্তৰিকতাৰে শলাগ জনায়।

ছাত্ৰ-ছাত্ৰীক প্ৰশিক্ষণ দিলে ভূপেন হাজৰিকাৰ সহযোগী সদানন্দ গগৈয়ে

# সুধাকণ্ঠক নতুন প্ৰজন্মৰ হৃদয়ত স্থান দিবলৈ ছয়গাঁৱত গীতৰ কৰ্মশালা

**অসম বাৰ্তা, ছয়গাঁও, ১৭ জুলাই ঃ** দক্ষিণ কামৰূপৰ পলাশবাৰী সমষ্টিৰ অন্তৰ্গত ছয়গাঁও উচ্চতৰ মাধ্যমিক বিদ্যালয়ত আজিৰে পৰা আৰম্ভ হৈছে সুধাকণ্ঠ ড° ভূপেন হাজৰিকা আৰু গীতিকবি পাৰ্বতি প্ৰসাদ বৰুৱাৰ গীতৰ কৰ্মশালা। সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত কামৰূপ জিলা প্ৰশাসনৰ সহযোগত আৰু ছয়গাঁও শিল্পী সমাজৰ তত্ত্বাৱধানত বিধানসভা সমষ্টি ভিত্তিত আয়োজিত গ্ৰীষ্মকালীন কৰ্মশালা বৃহস্পতিবাৰৰ পৰা ৩০ জুলাইলৈ চলিব। ছয়গাঁও শিল্পী সমাজৰ সভাপতি প্ৰদীপ কুমাৰ দাসে পৰিচালনা কৰা সভাখনৰ আঁত ধৰে সম্পাদক দেৱ কুমাৰ মেধি আৰু সাংস্কৃতিক কৰ্মী তপন দাসে। সভাৰ পূৰ্বে সুধাকণ্ঠ ড° ভূপেন হাজৰিকা আৰু গীতিকবি পাৰ্বতি প্ৰসাদ বৰুৱাৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰে চক্ৰ বিষয়া নিথি কলিতাই। মুখ্য প্ৰশিক্ষক হিচাপে উপস্থিত থাকে সুধাকণ্ঠ ড° ভূপেন



হাজৰিকাৰ সহযোগী তথা বিশিষ্ট কণ্ঠশিল্পী সদানন্দ গগৈয়ে। তেওঁ প্ৰশিক্ষণ দিয়াৰ মাজতে ভূপেন হাজৰিকাৰ লগত কটোৱা দিন বোৰৰ কথা উল্লেখ কৰে। প্ৰশিক্ষণত সদানন্দ গগৈয়ে- লক্ষ্মীনাথ বেজবৰুৱা, জ্যোতিপ্ৰসাদ আগৰৱালা, বিষ্ণু ৰাভা, পাৰ্বতী প্ৰসাদ বৰুৱা, ভূপেন হাজৰিকাৰ গীতত সাহিত্য আছে বুলি কয়। সভাত সন্মানীয় অতিথি হিচাপে উপস্থিত আছিল- বকো সাংস্কৃতিক কেন্দ্ৰৰ উন্নয়ন বিষয়া অনুজ বৰুৱা, ছয়গাঁও সাংস্কৃতিক কেন্দ্ৰৰ উন্নয়ন বিষয়া মানস জ্যোতি চৌধুৰী, সাংস্কৃতিক কৰ্মী প্ৰতাপ কলিতা, অৱসৰপ্ৰাপ্ত উপাধ্যক্ষ বাণেশ্বৰ দাস, ছয়গাঁও উচ্চতৰ মাধ্যমিক বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি শ্ৰীৰাম মেধি, অৱসৰপ্ৰাপ্ত অধ্যাপক ড° প্ৰাণেশ্বৰ নাথ, শিল্পী হামিদ আলী, কামেশ্বৰ নাথ প্ৰমুখ্যে ভালেসংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত থাকে। প্ৰশিক্ষণ হিচাপে থাকিব ভাৰত চৰকাৰৰ সাংস্কৃতিক মন্ত্ৰালয়ৰ মনোনীত সদস্য প্ৰশান্ত ৰাজখোৱা, বিশিষ্টা কণ্ঠশিল্পী মৰমী শৰ্মা, দীপক চৌধুৰী, প্ৰতাপ বড়ো।

# হাউলীৰ পৰা বিনামূলীয়াকৈ মথুৰা-বৃন্দাৱনলৈ তীৰ্থভ্ৰমণ

**অসম বাৰ্তা, কুমুল্লী পৰা, ১৭ জুলাই ঃ** সমাজসেৱা আৰু মানৱীয় মূল্যবোধৰ এক উজ্জ্বল নিদৰ্শন দাঙি ধৰি বৰপেটা জিলাৰ হাউলী সমীপৰ মৌটুপুৰীস্থিত চেতনা ৰুৰেল ডেভেলপমেণ্ট ছ'ছাইটিয়ে এক প্ৰশংসনীয় পদক্ষেপ গ্ৰহণ কৰিছে। সংস্থাটোৰ উদ্যোগত হাউলী অঞ্চলৰ একাংশ ভক্ত তথা তীৰ্থযাত্ৰীক সম্পূৰ্ণ বিনামূলীয়াকৈ মথুৰা-বৃন্দাৱন তীৰ্থভ্ৰমণলৈ প্ৰেৰণ কৰা হৈছে। জানিব পৰা মতে, এই তীৰ্থভ্ৰমণ কাৰ্যসূচীৰ মূল উদ্দেশ্য হৈছে আৰ্থিকভাৱে দুৰ্বল বা তীৰ্থভ্ৰমণৰ সপোন পূৰণ কৰিব নোৱাৰা লোকসকলক আধ্যাত্মিক অনুভৱ লাভৰ এক বিশেষ সুযোগ প্ৰদান কৰা। এই পদক্ষেপে অঞ্চলজুৰি ব্যাপক প্ৰশংসা লাভ কৰাৰ লগতে সংস্থাটোৰ সামাজিক দায়বদ্ধতাৰ প্ৰতিও এক ইতিবাচক বাৰ্তা কঢ়িয়াই আনিছে। তীৰ্থযাত্ৰীসকলক যাত্ৰাৰ পূৰ্বে শুভেচ্ছা জ্ঞাপন কৰাৰ লগতে সুস্থ, সুৰক্ষিত আৰু সফল তীৰ্থভ্ৰমণৰ কামনা কৰা হয়। সংস্থাটোৱে যাত্ৰাপথত প্ৰয়োজনীয় সহায়-সহযোগিতা আৰু ব্যৱস্থাপনাৰ ক্ষেত্ৰতো বিশেষ গুৰুত্ব আৰোপ কৰিছে বুলি জানিব পৰা গৈছে। স্থানীয় সচেতন মহলে মন্তব্য কৰে যে, সমাজৰ কল্যাণৰ স্বাৰ্থত এই ধৰণৰ জনহিতৈষী আৰু মানৱীয় পদক্ষেপ নিঃসন্দেহে অনুকৰণীয়। এনে কাৰ্যসূচীয়ে সমাজত সেৱাৰ মানসিকতা, সহমৰ্মিতা আৰু সামাজিক সম্প্ৰীতি অধিক সুদৃঢ় কৰাত উল্লেখযোগ্য ভূমিকা পালন কৰিব। হাউলী তথা পাৰ্শ্বৱৰ্তী অঞ্চলৰ ৰাইজে চেতনা ৰুৰেল ডেভেলপমেণ্ট ছ'ছাইটিৰ এই মহৎ প্ৰচেষ্টাক আন্তৰিকভাৱে শলাগ লৈ ভৱিষ্যতেও সমাজকল্যাণমূলক এনে বিভিন্ন কাৰ্যসূচী অব্যাহত থাকিব বুলি আশা প্ৰকাশ কৰিছে।

# বৰপেটাৰোডত সফলতাৰে সম্পন্ন হ'ল চিত্ৰায়ন একাডেমীৰ পাঁচদিনীয়া শিল্পকলা কৰ্মশালা

**অসম বাৰ্তা, কুমুল্লী পৰা, ১৭ জুলাই ঃ** বৰপেটাৰোডত প্ৰথমবাৰৰ বাবে অনুষ্ঠিত হোৱা চিত্ৰায়ন একাডেমীৰ পাঁচদিনীয়া গ্ৰীষ্মকালীন কলা, শিল্পকলা আৰু এম্বছিং (Embossing) কলা বিষয়ক কৰ্মশালাখন সফলতাৰে সামৰণি পৰে। চিত্ৰায়ন একাডেমীৰ উদ্যোগত আৰু বিশিষ্ট শিল্পী মুকুট তালুকদাৰৰ সহযোগত যোৱা ১২ জুলাইৰ পৰা আৰম্ভ হোৱা এই কৰ্মশালাত অঞ্চলটোৰ বহুসংখ্যক ছাত্ৰ-ছাত্ৰীয়ে উৎসাহ আৰু আগ্ৰহেৰে অংশগ্ৰহণ কৰে। বৰপেটাৰোডত এই ধৰণৰ শিল্পকলা-ভিত্তিক কৰ্মশালাৰ প্ৰথম আয়োজন হিচাপে বিবেচিত এই অনুষ্ঠানত মুখ্য প্ৰশিক্ষক হিচাপে বিশিষ্ট শিল্পী মুকুট তালুকদাৰে অংশগ্ৰহণ কৰি বিভিন্ন ধৰণৰ চিত্ৰকলা, শিল্পকলা আৰু এম্বছিং কলাৰ কৌশলসমূহ হাতে-কলমে শিকাই দিয়ে। তেওঁৰ প্ৰশিক্ষণত অংশগ্ৰহণকাৰী ছাত্ৰ-ছাত্ৰীসকলে তাত্ত্বিক জ্ঞানৰ লগতে ব্যৱহাৰিক অভিজ্ঞতাও লাভ কৰে। কৰ্মশালাৰ সামৰণি অনুষ্ঠানত ভাষণ প্ৰদান কৰি মুকুট তালুকদাৰে কয় যে, কেৱল পাঠ্যপুথিমুখী শিক্ষাই নহয়, কলা আৰু শিল্পকলাৰ চৰ্চায়ো শিশুসকলৰ বৌদ্ধিক, মানসিক আৰু সৃজনশীল বিকাশত বিশেষ অৰিহণা যোগায়। শিল্পচৰ্চাৰ জৰিয়তে কিশোৰ-কিশোৰীসকলৰ সুপ্ত সৃজনশীল শক্তি বিকশিত হয়, আত্মবিশ্বাস বৃদ্ধি পায় আৰু নতুন চিন্তা-ধাৰাৰ বিকাশ ঘটে। আয়োজকসকলে জানিবলৈ দিয়ে যে, এই কৰ্মশালাৰ মূল উদ্দেশ্য আছিল ছাত্ৰ-ছাত্ৰীসকলৰ মাজত লুকাই থকা শিল্প প্ৰতিভাক বিকশিত কৰাৰ লগতে তেওঁলোকক সৃজনশীল আৰু নান্দনিক চিন্তাৰ প্ৰতি অধিক আগ্ৰহী কৰি তোলা। অংশগ্ৰহণকাৰীসকলৰ উৎসাহ আৰু সঁহাৰিৰ প্ৰতি সন্তুষ্টি প্ৰকাশ কৰি ভৱিষ্যততো এনে ধৰণৰ অধিক শিল্পকলা কৰ্মশালাৰ আয়োজন কৰা হ'ব বুলিও চিত্ৰায়ন একাডেমীৰ তৰফৰ পৰা জানিবলৈ দিয়া হয়। কৰ্মশালাখনে অঞ্চলটোৰ কলা-সংস্কৃতিৰ বিকাশত এক ইতিবাচক ভূমিকা পালন কৰাৰ লগতে নতুন প্ৰজন্মৰ মাজত শিল্পচৰ্চাৰ প্ৰতি আগ্ৰহ সৃষ্টিৰ ক্ষেত্ৰত এক উল্লেখযোগ্য পদক্ষেপ হিচাপে পৰিগণিত হৈছে।

# যোৰাবাটত পুনৰ কৃত্ৰিম

চৰম সমস্যাত পৰিছে। জানিব পৰা মতে, বৰষুণৰ পিছতে যোৰাবাটৰ উৰণ সেতুৰ তলৰ ঘাইপথছোৱা সম্পূৰ্ণৰূপে বানপানীত বুৰ গৈছে। একাঁঠুৰ পৰা কঁকাললৈকে পানী জমা হৈছে, যাৰ বাবে উৰণীয়া সেতুৰ তলেৰে যোৱা পথছোৱাত সকলো ধৰণৰ যাতায়াত সম্পূৰ্ণৰূপে বন্ধ হৈ পৰিছে। দুই-তিনি ঘণ্টাৰ বৰষুণেই এই অঞ্চলত ইমান ডাঙৰ বানপানীৰ সৃষ্টি কৰাটোৱে নিষ্কাশন ব্যৱস্থাৰ গুৰুতৰ ত্ৰুটি স্পষ্ট কৰি তুলিছে। ইফালে, উৰণীয়া সেতুৰ ওপৰেৰে গুৱাহাটী-শ্বিলং আৰু উজনি অসম অভিমুখী বাহনসমূহৰ চলাচল অব্যাহত থাকিলেও তীব্ৰ যানজঁটৰ সৃষ্টি হৈছে। সেতুৰ ওপৰত বহু দূৰলৈকে বাহনৰ দীঘলীয়া শাৰী দেখিবলৈ পোৱা গৈছে। পথচোৱা বন্ধ হৈ যোৱাৰ বাবে বহু বাহন বিকল্প পথৰ সন্ধানত ঘূৰি ফুৰা দেখা গৈছে। বহু যাত্ৰী দীৰ্ঘ সময় ধৰি যানজঁটত আৱদ্ধ হৈ আছে। পৰিস্থিতিৰ ভয়াৱহতালৈ লক্ষ্য ৰাখি মহানগৰ যান— বাহন আৰক্ষীয়ে এক জৰুৰী নিৰ্দেশনা জাৰি কৰিছে। যাত্ৰীসকলৰ সুবিধাৰ্থে তথা যানজঁট নিয়ন্ত্ৰণৰ বাবে আৰক্ষীয়ে উজনি আৰু গুৱাহাটী দুয়ো দিশৰ পৰা অহা বাহনসমূহৰ পথ সলনি কৰি দিছে। উজনি অসমৰ ফালৰ পৰা গুৱাহাটী অভিমুখে অহা বাহনসমূহক যোৰাবাটলৈ আহিব নিদি ডিগাৰুৰ পৰা বিকল্প পথেৰে মহানগৰী অভিমুখে পঠিওৱাৰ ব্যৱস্থা কৰা হৈছে। ইয়াৰ ফলত ডিগাৰু অঞ্চলত কিছু চাপ বৃদ্ধি পাব পাৰে বুলি আশংকা কৰা হৈছে। অন্যহাতে, গুৱাহাটীৰ পৰা উজনি অসমলৈ যাবলগীয়া বাহনসমূহৰো পথ সলনি কৰা হৈছে। এই বাহনসমূহক কইনাধৰা পইণ্টৰ পৰা বিকল্প পথেৰে যাবলৈ নিৰ্দেশ দিয়া হৈছে। আৰক্ষীয়ে উভয় দিশতে পৰ্যাপ্ত সংখ্যক ৰাইজক মোতায়েন কৰি যান-বাহন পৰিচালনা কৰিছে। মহানগৰ আৰক্ষীয়ে সাধাৰণ ৰাইজ তথা যাত্ৰীসকলক জৰুৰী কাম নাথাকিলে এই পথেৰে যাত্ৰা নকৰিবলৈ আৰু যাত্ৰাৰ পূৰ্বে আগতীয়াকৈ প্ৰয়োজনীয় সাৱধানতা অৱলম্বন কৰিবলৈ আহ্বান জনাইছে। বিশেষকৈ ডাঙৰ বাহন আৰু নৈশ যাত্ৰীসকলক অধিক সাৱধান হৈ থাকিবলৈ অনুৰোধ জনোৱা হৈছে।

# NEET UG ফলাফল ঘোষণা

আৰু অন্যান্য স্নাতক চিকিৎসা পাঠ্যক্ৰমত নামভৰ্তিৰ বাবে যোগ্যতা অৰ্জন কৰিছে। উল্লেখযোগ্য যে NEET UG হৈছে দেশৰ আটাইতকৈ ডাঙৰ চিকিৎসা প্ৰৱেশিকা পৰীক্ষা, যাৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীসকলে চিকিৎসা শিক্ষাৰ বিভিন্ন পাঠ্যক্ৰমত প্ৰৱেশৰ সুযোগ লাভ কৰে। প্ৰতি বছৰে লক্ষাধিক পৰীক্ষাৰ্থীয়ে এই পৰীক্ষাত অংশগ্ৰহণ কৰে। এনটিএই ঘোষণা কৰা মতে, পৰীক্ষাৰ ফলাফল NTAৰ আনুষ্ঠানিক ৱেবছাইটত উপলব্ধ কৰা হৈছে। পৰীক্ষাৰ্থীসকলে নিজৰ ৰোল নম্বৰ আৰু জন্ম তাৰিখৰ যোগেদি ফলাফল চাব পাৰিব। ইয়াৰোপৰি, যোগ্যতা অৰ্জন কৰা পৰীক্ষাৰ্থীসকলক পৰৱৰ্তী কাউন্সেলিং প্ৰক্ৰিয়াত অংশগ্ৰহণ কৰিবলৈ নিৰ্দেশ দিয়া হৈছে। এই বছৰ পৰীক্ষাত বহু ছাত্ৰ-ছাত্ৰীয়ে শতাংশৰ ভিত্তিত উচ্চনম্বৰ লাভ কৰিছে বুলি জানিব পৰা গৈছে। ৰাষ্ট্ৰীয় পৰ্যায়ৰ বিভিন্ন কোটা আৰু ৰাজ্যিক স্তৰৰ কাউন্সেলিং প্ৰক্ৰিয়াৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীসকলক বিভিন্ন মেডিকেল কলেজত নামভৰ্তিৰ সুযোগ প্ৰদান কৰা হ'ব।

# বিশ্বৰ আটাইতকৈ শক্তিশালী হাইড্ৰ'জেন ৰে'ল উদ্বোধন

কৰি তুলিছে। প্ৰধানমন্ত্ৰী মোদীয়ে দাবী কৰে যে যদি ২০১৪১ পূৰ্বে পশ্চিম এছিয়াৰ বৰ্তমানৰ উত্তেজনাৰ দৰে কোনো সংকটৰ সৃষ্টি হ'লহেঁতেন, তেন্তে আমদানিকৃত ইন্ধনৰ ওপৰত নিৰ্ভৰশীলতাৰ বাবে ৰে'ল নেটৱৰ্ক সম্পূৰ্ণৰূপে স্তব্ধ হৈ পৰিলহেঁতেনঞ্জ তেওঁ কয়, "যোৱা তিনি-চাৰি মাহ ধৰি এই পথটো ধাৰাবাহিকভাৱে এক সংঘৰ্ষৰ অঞ্চল হৈ পৰিছে। চল্লৰছ্ছৰ আগতে যদি এনে পৰিস্থিতিৰ সৃষ্টি হ'লহেঁতেন, তেন্তে ভাৰতৰ ৰে'ল নেটৱৰ্ক সম্পূৰ্ণ স্তব্ধ হৈ পৰিলহেঁতেন, কাৰণ সেই সময়ত দেশৰ এক বৃহৎ অংশৰ ৰে'ল ডিজেলেৰে চলিছিল। যদি ডিজেল আমদানি বন্ধ হৈ গ'লহেঁতেন, তেন্তে সেই ডিজেল-চালিত ৰে'লসমূহ কেনেকৈ চলিলহেঁতেন?" তেওঁ লগতে কয়, "কিন্তু আজিৰ পৰিস্থিতি চল্লৰছ্ছৰ দৰে নহয়। এয়া মোদীৰ যুগ- তেওঁ আগতীয়াকৈ চিন্তা কৰে আৰু বহু আগতেই পৰিকল্পনা কৰে।" জীৱাশ্ম ইন্ধনৰ ওপৰত নিৰ্ভৰশীলতা হ্ৰাস কৰা আৰু ভাৰতৰ পৰিবহণ আন্তঃগাঁথনিৰ সহনশীলতা বৃদ্ধিৰ ক্ষেত্ৰত ৰেল বৈদ্যুতিকীকৰণৰ সম্প্ৰসাৰণক এক গুৰুত্বপূৰ্ণ পদক্ষেপ বুলি তেওঁ অভিহিত কৰেঞ্জপ্ৰধানমন্ত্ৰী মোদীয়ে এই ৰে'লখনক 'বিশ্বৰ আটাইতকৈ শক্তিশালী হাইড্ৰ'জেন-চালিত ৰে'ল' বুলি অভিহিত কৰে। তেওঁ কয়, "ইঙ্গিত স্থানৰ পৰা দেশে প্ৰথমখন হাইড্ৰ'জেন ৰে'ল লাভ কৰিছে। আপোনালোকৰ মনত থাকিব পাৰে যে আজিও আমি পঢ়িবলৈ আৰু শুনিবলৈ পাওঁ যে ভাৰতৰ প্ৰথমখন ৰেল বোম্বে আৰু থানেৰ মাজত চলিছিল, যাক এতিয়া মুম্বাই বুলি কোৱা হয়। ঠিক তেনেদৰেই ভৱিষ্যতে যেতিয়াই হাইড্ৰ'জেন ৰেলৰ কথা উল্লেখ কৰা হ'ব, তেতিয়াই জিন্দ, ছোনীপট আৰু হাৰিয়ানাৰ নামো স্মৰণ কৰা হ'ব।" ইফালে, এই অঞ্চলটোৰ পৰিৱৰ্তনৰ কথা উল্লেখ কৰি প্ৰধানমন্ত্ৰী মোদীয়ে কয় যে জিন্দ এতিয়া NDA চৰকাৰৰ উন্নয়নৰ আৰ্হিৰ প্ৰতীক হৈ পৰিছে। তেওঁ কয়, "ইমান বছৰে জিন্দৰ 'ঘেৱৰ' (এবিধ মিঠাইৰ্ষ্ম সলনি হোৱা নাই, কিন্তু মানুহৰ জীৱনশৈলী সলনি হৈছে। আজি জিন্দ বিজেপি-এনডিএ চৰকাৰৰ সুশাসনৰ আৰ্হিৰ প্ৰতিফলন হৈ পৰিছে। বিগত বছৰবোৰত সমগ্ৰ হাৰিয়ানাই উন্নয়নৰ এক নতুন পথত খোজ পেলাইছে। আজিৰ এই কাৰ্যসূচীয়ে বিজেপিৰ ডাবল ইঞ্জিন চৰকাৰৰ এই মিছনক এক নতুন গতি প্ৰদান কৰিছে।" প্ৰধানমন্ত্ৰীগৰাকীয়ে ভাৰতীয় ৰে'লৱে'ৰ আধুনিকীকৰণৰ দিশত এই বৃহৎ পদক্ষেপৰ বাবে সমগ্ৰ দেশবাসীক অভিনন্দন জনায়। তেওঁ কয় যে ভৱিষ্যতে যেতিয়াই হাইড্ৰ'জেন ৰে'লৰ চৰ্চা হ'ব, তেতিয়াই জিন্দ, ছোনীপট আৰু হাৰিয়ানাৰ নাম স্মৰণ কৰা হ'ব। উল্লেখযোগ্য যে হাইড্ৰ'জেন-চালিত ৰে'লখন পৰিৱেশৰ বাবে সম্পূৰ্ণৰূপে নিৰাপদ আৰু ই কেৱল জলীয় বাষ্প উৎপন্ন কৰে। এই পদক্ষেপে ভাৰতক সেউজ শক্তিৰ ক্ষেত্ৰত এক নতুন উচ্চতালৈ লৈ যাব বুলি আশা কৰা হৈছে।

বিধায়ক বিশ্বজিৎ ফুকনে গৌৰৱেৰে জনালে অভিনন্দন আৰু শুভেচ্ছা

# কমনৱেলথ গেমছলৈ নিৰ্বাচিত হোৱা চাৰিগৰাকী খেলুৱৈৰ দুগৰাকী সৰুপথাৰ

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, সৰুপথাৰ, ১৭ জুলাই ঃ** অসমৰ ক্ৰীড়া জগতৰ বাবে এক গৌৰৱোজ্জ্বল মুহূৰ্ত। আগন্তুক কমনৱেলথ গেমছত ভাৰতক প্ৰতিনিধিত্ব কৰিবলৈ অসমৰ পৰা নিৰ্বাচিত হোৱা চাৰি গৰাকী ক্ৰীড়াবিদৰ ভিতৰত দুগৰাকী সৰুপথাৰ সমষ্টিৰ হোৱাটো সমগ্ৰ অঞ্চলটোৰ বাবে আনন্দ আৰু গৌৰৱৰ বিষয় হৈ পৰিছে। সৰুপথাৰৰ গৌৰৱ বিশ্ব চেম্পিয়ন বক্সাৰ লাভলীনা বৰগোহাঁই আৰু লন বল খেলুৱৈ নয়নমণি শইকীয়া কমনৱেলথ গেমছত ভাৰতীয় দলৰ হৈ অংশগ্ৰহণৰ বাবে সুযোগ লাভ কৰিছে। আনহাতে, অসমৰ আন দুগৰাকী প্ৰতিভাৱান ক্ৰীড়াবিদ পুতুল সোণোৱাল আৰু লিছা দাসও নিৰ্বাচিত হৈছে। চাৰিওগৰাকী খেলুৱৈৰ এই সাফল্যই সমগ্ৰ অসমবাসীৰ বুকু গৌৰৱেৰে উপচাই তুলিছে। বিশেষকৈ সৰুপথাৰ সমষ্টিৰ দুগৰাকী ক্ৰীড়াবিদে আন্তঃৰাষ্ট্ৰীয় ক্ৰীড়াৰ মঞ্চত ৰাজ্য আৰু দেশৰ নাম উজলাই তুলিবলৈ সাজু হোৱাত সমষ্টিবাসীৰ মাজত উৎসাহ-উদ্দীপনাৰ বন্যা বৈছে। এই সাফল্যই অঞ্চলটোৰ নতুন প্ৰজন্মক ক্ৰীড়া জগতৰ প্ৰতি অধিক আগ্ৰহী কৰি তোলাৰ লগতে কঠোৰ পৰিশ্ৰম, অধ্যৱসায় আৰু আত্মবিশ্বাসেৰে আগবাঢ়ি যাবলৈ অনুপ্ৰাণিত কৰিব বুলি সচেতন মহলে মত প্ৰকাশ কৰিছে। সৰুপথাৰ সমষ্টিৰ বিধায়ক বিশ্বজিৎ ফুকনেও এই ক্ষেত্ৰত গৌৰৱ প্ৰকাশ কৰিছে আৰু লাভলীনা বৰগোহাঁই, নয়নমণি শইকীয়াৰ লগতে অসমৰ চাৰিওগৰাকী ক্ৰীড়াবিদক আন্তৰিক অভিনন্দন আৰু শুভেচ্ছা জ্ঞাপন কৰিছে। তেওঁলোকৰ এই





সাফল্য সমগ্ৰ অসমৰ বাবে এক গৌৰৱৰ বিষয়। বিশেষকৈ সৰুপথাৰৰ দুগৰাকী কন্যাই আন্তঃৰাষ্ট্ৰীয় ক্ৰীড়াৰ মঞ্চত প্ৰতিদ্বন্দ্বিতা কৰিবলৈ ওলোৱাটো সমষ্টিবাসীৰ বাবে এক অতিকৈ গৌৰৱৰ মুহূৰ্ত। বিধায়ক বিশ্বজিৎ ফুকনে চাৰিওগৰাকী খেলুৱৈৰ সফলতা কামনা কৰাৰ লগতে কমনৱেলথ গেমছত ভাৰত আৰু অসমৰ বাবে অধিক গৌৰৱ কঢ়িয়াই আনিব বুলি আশা প্ৰকাশ কৰে। ইয়াৰ উপৰি সমষ্টিবাসী, বিভিন্ন সামাজিক-সাংস্কৃতিক সংগঠন, ক্ৰীড়াপ্ৰেমী ৰাইজ আৰু শুভাকাংক্ষীসকলেও চাৰিওগৰাকী খেলুৱৈক অভিনন্দন জ্ঞাপন কৰি কমনৱেলথ গেমছত উজ্জ্বল প্ৰদৰ্শনৰ বাবে আন্তৰিক শুভকামনা জনাইছে।

৯ গৰাকী পৰীক্ষাৰ্থী উত্তীৰ্ণ; ৮ গৰাকী চৰকাৰী চিকিৎসা মহাবিদ্যালয়ত অধ্যয়নৰ সম্ভাৱনা

# নীট পৰীক্ষাত ফিজি'ৱালা বৰপেটা কেন্দ্ৰৰ উজ্জ্বল সাফল্য

**অসম বাৰ্তা, চেঙা, ১৭ জুলাই ঃ** চিকিৎসা শিক্ষাৰ ক্ষেত্ৰত সৰ্বভাৰতীয় পৰ্যায়ত অনুষ্ঠিত নেচনেল এলিজিবিলিটি কাম এণ্ট্ৰেন্স টেষ্ট (NEET)-২০২৬ৰ ফলাফল বৃহস্পতিবাৰে নিশা ঘোষণা কৰা হয়। এই ফলাফলত দেশৰ অন্যতম জনপ্ৰিয় এডটেক শিক্ষানুষ্ঠান ফিজি'ৱালা (Physics Wallah)ৰ বৰপেটা কেন্দ্ৰই উল্লেখযোগ্য সফলতা অৰ্জন কৰিবলৈ সক্ষম হৈছে। জানিব পৰা মতে, এইবাৰ নীট পৰীক্ষাত ফিজি'ৱালা বৰপেটা কেন্দ্ৰৰ পৰা মুঠ ৫৮ গৰাকী ছাত্ৰ-ছাত্ৰী অৱতীৰ্ণ হৈছিল। ইয়াৰে ৯ গৰাকী পৰীক্ষাৰ্থীয়ে কৃতিত্বৰে উত্তীৰ্ণ হৈ কেন্দ্ৰটোৰ শিক্ষাদানৰ মান আৰু শিক্ষাৰ্থীসকলৰ অধ্যৱসায়ৰ এক উজ্জ্বল নিদৰ্শন দাঙি ধৰিছে। উত্তীৰ্ণ পৰীক্ষাৰ্থীসকল হৈছে- আছিচ আহমেদ, চাকিবুল ইছলাম, পৱিত্ৰ চৌধুৰী, হৰজিৎ গয়াৰী, বিকি সৰকাৰ, হিৰাস্মিতা কৰ্মকাৰ, অংকিতা পাল, তৃপ্তি দাস আৰু বেদব্ৰত দাস। শিক্ষানুষ্ঠানৰ সূত্ৰে জানিবলৈ দিয়া মতে, উত্তীৰ্ণ ৯ গৰাকী পৰীক্ষাৰ্থীৰ ভিতৰত ৮ গৰাকীয়ে চৰকাৰী চিকিৎসা মহাবিদ্যালয়ত এমবিবিএছ (MBBS) পাঠ্যক্ৰমত নামভৰ্তিৰ সুযোগ লাভ কৰাৰ সম্ভাৱনা উজ্জ্বল। আনহাতে এগৰাকী পৰীক্ষাৰ্থীয়ে দেশৰ সৰ্বোচ্চ চিকিৎসা শিক্ষানুষ্ঠান এইমছ (AIIMS)-ত অধ্যয়নৰ সুযোগ লাভ কৰাৰ সম্ভাৱনা আছে। উল্লেখ্য যে, শিক্ষাবিদ অলখ পাণ্ডে আৰু প্ৰতীক মহেশ্বৰীয়ে ২০২০ চনত প্ৰতিষ্ঠা কৰা ফিজি'ৱালা বৰ্তমান দেশৰ অন্যতম জনপ্ৰিয় অনলাইন আৰু অফলাইন শিক্ষানুষ্ঠান হিচাপে পৰিচিত। প্ৰতিষ্ঠানটোৰ বৰপেটা কেন্দ্ৰই অতি কম সময়ৰ ভিতৰতে শিক্ষাৰ্থীসকলৰ মাজত আস্থা আৰু জনপ্ৰিয়তা লাভ কৰিবলৈ সক্ষম হৈছে। নীট পৰীক্ষাত এই উল্লেখযোগ্য সাফল্যৰ পাছত ফিজি'ৱালা বৰপেটা কেন্দ্ৰৰ শিক্ষক-শিক্ষয়িত্ৰী, কৰ্মচাৰী, ছাত্ৰ-ছাত্ৰী আৰু অভিভাৱকসকলৰ মাজত আনন্দৰ জোৱাৰ বয়। বৰপেটাবাসীয়েও এই কৃতিত্বক আদৰণি জনাই উত্তীৰ্ণ শিক্ষাৰ্থীসকলৰ উজ্জ্বল ভৱিষ্যৎ কামনা কৰিছে। শিক্ষানুষ্ঠানৰ কৰ্তৃপক্ষই কয় যে, অধ্যৱসায়, নিয়মীয়া অনুশীলন, অভিজ্ঞ শিক্ষক-শিক্ষয়িত্ৰীৰ সঠিক দিক-নিৰ্দেশনা আৰু শিক্ষাৰ্থীসকলৰ একাগ্ৰতাই এই সফলতাৰ মূল চাবিকাঠি। আগন্তুক সময়তো অধিক সংখ্যক শিক্ষাৰ্থীক চিকিৎসা শিক্ষাৰ ক্ষেত্ৰত সফল কৰি তুলিবলৈ প্ৰতিষ্ঠানটোৱে অধিক আন্তৰিকতাৰে কাম কৰি যাব বুলিও কৰ্তৃপক্ষই আশাবাদ ব্যক্ত কৰে।


NAME CORRECTION

My actual and correct name is DIPALI DEVI which is recorded in my all relevant papers and documents including in Aadhaar card vide No. 3122 6568 2863 PAN Card vide No. FBVPD5275H. But due to bonafide mistake my name has been wrongly recording my Bank passbook of Assam Gramin Vikash Bank vide A/C No. 7150010020882, Lakhiganj branch as DIPALI NATH in place of DIPALI DEVI.

Sd/- DIPALI DEVI
W/O : Kabicharan Nath
Village : Chokapara
P.O.: Lakhiganj, Pin: 783345
P.S. : Bilasipara
Dist : Dhubri, Assam

AB-103/2026

# ডিব্ৰুগড়ত দিহানামৰ ঐতিহ্য সংৰক্ষণৰ লক্ষ্যৰে অন্তৰংগ গোটৰ তিনিদিনীয়া কৰ্মশালাৰ সফল সামৰণি

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ১৭ জুলাই ঃ** অসমীয়া সমাজ-সংস্কৃতিৰ এক অমূল্য ঐতিহ্য দিহানাম আৰু নেগেৰা বাদনৰ সংৰক্ষণ তথা নতুন প্ৰজন্মৰ মাজত ইয়াৰ প্ৰতি আগ্ৰহ সৃষ্টিৰ লক্ষ্যৰে অন্তৰংগ গোট, ডিব্ৰুগড়ৰ উদ্যোগত লক্ষ্মীনাথ বেজবৰুৱা ভৱনত আয়োজিত তিনিদিনীয়া দিহানাম আৰু নেগেৰা বাদন প্ৰশিক্ষণ কৰ্মশালাৰ সফল সামৰণি হয়। কৰ্মশালাত ডিব্ৰুগড়ৰ লগতে বিভিন্ন প্ৰান্তৰ প্ৰায় তিনি শতাধিক জীয়ৰী-বোৱাৰী, কিশোৰ-কিশোৰীয়ে উৎসাহেৰে অংশগ্ৰহণ কৰে। কৰ্মশালাৰ প্ৰথম দিনাৰ কাৰ্যসূচী উদ্বোধন কৰে বিশিষ্ট লেখক তথা সমাজসেৱক লম্বিত বৰুৱাই। প্ৰথম দিনা কমলাবাৰী সত্ৰৰ বৈষ্ণৱ শিৱপ্ৰসাদ হাজৰিকাই দিহানামৰ প্ৰশিক্ষণ প্ৰদান কৰে। দ্বিতীয় দিনা ডিব্ৰুগড়ৰ বিশিষ্ট নামাচাৰ্য তথা দিহানামৰ সাধক মুক্তিনাথ বৰগোহাঁইয়ে আৰু অন্তিম দিনা ভাগৱত আচাৰ্য তথা দিহানামৰ সাধক লোহিত সন্দিকৈয়ে অংশগ্ৰহণকাৰীসকলক প্ৰশিক্ষণ দিয়ে। সমগ্ৰ কৰ্মশালাজুৰি নেগেৰা বাদনৰ প্ৰশিক্ষণ প্ৰদান কৰে বিশিষ্ট নেগেৰা বাদক মাধুৰ্য্য বৰগোহাঁই, খোল আৰু তালত বাদ্য সংগত কৰে ৰাজীৱ দত্ত আৰু দুৰ্লভ গগৈয়ে। সামৰণি অনুষ্ঠানত সমাজসেৱাৰ ক্ষেত্ৰত বিশেষ অৱদানৰ বাবে নীৰৱ সমাজসেৱক কমল হাজৰিকাক অন্তৰংগ গোটৰ তৰফৰ পৰা "সমাজ প্ৰাণ বঁটা" প্ৰদান কৰা হয়। লগতে কৰ্মশালাত অংশগ্ৰহণ কৰা তিনি শতাধিক শিক্ষাৰ্থীক মানপত্ৰ বিতৰণ কৰা হয়। সামৰণি অনুষ্ঠানত তিনিচুকীয়া জিলাৰ আদৰ্শ সত্ৰৰ সত্ৰাধিকাৰ মুনমুন দেৱগোস্বামী, নামাচাৰ্য প্ৰশান্ত বৰা, নামাচাৰ্য-কবি জোনমণি চেতিয়া আৰু ভাৱৰীয়া বৈষ্ণৱ ৰাহুল দাস উপস্থিত থাকে। বিবিজান দত্তই আঁত ধৰা মুকলি সভাত ডিব্ৰুগড় সাহিত্য সভাৰ সম্পাদক তথা সাংবাদিক ৰাতুল বুঢ়াগোহাঁই, ডিব্ৰুগড় আঞ্চলিক ছাত্ৰ সন্থাৰ সম্পাদক চান্দম সোণোৱাল, এম ডি ফাউণ্ডেচনৰ অধ্যক্ষ মাধৱ দাস, সদৌ অসম কৈৱৰ্ত যুৱ-ছাত্ৰ সন্মিলনৰ সাংগঠনিক সম্পাদক আনিত্য দাস, সদৌ অসম বাঙালী ফেডাৰেচনৰ কেন্দ্ৰীয় সমিতিৰ সম্পাদক তাপস দাসকে ধৰি বহু বিশিষ্ট ব্যক্তি উপস্থিত থাকে। বিশিষ্ট অতিথিৰ ভাষণত সাংবাদিক ৰাতুল বুঢ়াগোহাঁইয়ে অন্তৰংগ গোটৰ এই প্ৰশংসনীয় পদক্ষেপক শলাগ লৈ কয় যে, দিহানাম অসমীয়া সমাজ-সংস্কৃতিৰ এক অমূল্য ঐতিহ্য। দিহানামে ঈশ্বৰৰ প্ৰতি ভক্তি, সমাজৰ ঐক্য আৰু মানৱীয় মূল্যবোধৰ এক সুন্দৰ প্ৰকাশ ঘটায়। তেওঁ কয়, দিহানাম গোৱা বা শ্ৰৱণ কৰিলে মন শান্ত হয়, আত্মিক শক্তি বৃদ্ধি পায় আৰু নামঘৰ, ঘৰুৱা পূজা, শুভ অনুষ্ঠান তথা বিভিন্ন ধৰ্মীয় উৎসৱত এক পৱিত্ৰ পৰিৱেশৰ সৃষ্টি হয়। লগতে দিহানামে মানুহৰ মাজত ভ্ৰাতৃত্ববোধ, সহযোগিতা আৰু সামাজিক সম্প্ৰীতি সুদৃঢ় কৰাৰ লগতে নতুন প্ৰজন্মক নিজৰ ভাষা, সংস্কৃতি আৰু আধ্যাত্মিক মূল্যবোধৰ সৈতে সংযোগ স্থাপনতো গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। এই দিশত অন্তৰংগ গোটে গ্ৰহণ কৰা গঠন মূলক পদক্ষেপক তেওঁ সময়োপযোগী আৰু অত্যন্ত প্ৰশংসনীয় বুলি অভিহিত কৰে। আনহাতে সত্ৰাধিকাৰ মুনমুন দেৱগোস্বামীয়ে দিহানামৰ তাৎপৰ্য সন্দৰ্ভত বক্তব্য প্ৰদান কৰাৰ লগতে অংশগ্ৰহণকাৰী সকলক আৰ্শীবাদ প্ৰদান কৰে।

## তিৱা স্বায়ত্ত পৰিষদৰ সময় বৃদ্ধি চেষ্টাক লৈ তীব্ৰ সমালোচনা বিধায়ক ৰামাকান্ত দেউৰীৰ

# মৰিগাঁৱত ভাৰতীয় জনতা পাৰ্টীৰ বৃহৎ ৰাজহুৱা সভা

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, মৰিগাঁও, ১৭ জুলাই ঃ** ভাৰতীয় জনতা পাৰ্টি (বিজেপি) মৰিগাঁও বিধানসভা সমষ্টিৰ উদ্যোগত আগন্তুক নগাঁও লোকসভা উপ-নিৰ্বাচন আৰু তিৱা স্বায়ত্ত পৰিষদ নিৰ্বাচনৰ সন্দৰ্ভত এখন বিশাল ৰাজহুৱা সভা অনুষ্ঠিত হয়। এই সভাত বিপুল সংখ্যক সমৰ্থক আৰু সাধাৰণ ৰাইজৰ উপস্থিতিয়ে অনুষ্ঠানটো সজীৱ কৰি তোলে। সভাত মুখ্য অতিথি হিচাপে উপস্থিত থাকি মৰিগাঁও সমষ্টিৰ বিধায়ক ৰামাকান্ত দেউৰীয়ে তিৱা স্বায়ত্ত পৰিষদৰ বৰ্তমান পৰিস্থিতিক লৈ তীব্ৰ সমালোচনা কৰে। তেওঁ কয় যে তিৱা স্বায়ত্ত পৰিষদৰ কাৰ্য্যকাল ইতিমধ্যে সমাপ্ত হৈছে, তথাপি নিৰ্বাচন অনুষ্ঠিত কৰাৰ ক্ষেত্ৰত কিছু লোকে অজুহাত বিচাৰি সময় বৃদ্ধি কৰাৰ চেষ্টা চলাই আছে। বিধায়ক দেউৰীয়ে অভিযোগ উত্থাপন কৰি কয় যে তিৱা স্বায়ত্ত পৰিষদৰ মুখ্য কাৰ্য্যবাহী সদস্যসহ একাংশ সদস্যই গণতান্ত্ৰিক প্ৰক্ৰিয়াক অৱহেলা কৰি নিৰ্বাচন অনুষ্ঠিত কৰাৰ পৰিবৰ্তে পুনৰ সময়সীমা বৃদ্ধি কৰাৰ বাবে বিভিন্ন মন্ত্ৰীৰ দুৱাৰে দুৱাৰে ঘূৰি ফুৰিছে। তেওঁ এই কাৰ্য্যক গণতন্ত্ৰৰ পৰিপন্থী বুলি অভিহিত কৰি কয় যে ৰাইজৰ অধিকাৰ হৰণ কৰাৰ কোনো অধিকাৰ কোনো ব্যক্তিৰ নাই। তেওঁ আৰু কয় যে জনসাধাৰণৰ মতামতক সন্মান জনাই সময়মতে নিৰ্বাচন অনুষ্ঠিত কৰাটো অত্যন্ত জৰুৰী। ৰাইজে নিজৰ প্ৰতিনিধি নিৰ্বাচন কৰাৰ সুযোগ পাব লাগিব আৰু এই ক্ষেত্ৰত কোনো ধৰণৰ বিলম্ব গ্ৰহণযোগ্য নহয়। সভাত উপস্থিত আন বক্তাসকলেও আগন্তুক উপ-নিৰ্বাচন আৰু তিৱা স্বায়ত্ত পৰিষদ নিৰ্বাচনত বিজেপিৰ সমৰ্থনত একত্ৰিত হৈ কাম কৰাৰ আহ্বান জনায়। লগতে উন্নয়নমূলক কাম-কাজ আৰু দলৰ নীতি-আদৰ্শৰ বিষয়ে ৰাইজক অৱগত কৰা হয়। উল্লেখ্য যে এই ৰাজহুৱা সভাৰ জৰিয়তে আগন্তুক নিৰ্বাচনক লৈ ৰাজনৈতিক পৰিৱেশ অধিক তপ্ত হৈ উঠাৰ সম্ভাৱনা দেখা গৈছে।

# তেজপুৰলৈ গৌৰৱ কঢ়িয়াই আনিছে আৰিফ, আদনান, ফাৰিহা আৰু মুছকানে

**অসম বাৰ্তা, তেজপুৰ সদৰ, ১৭ জুলাই ঃ** যোৱা ২১ জুনত অনুষ্ঠিত সৰ্ব ভাৰতীয় পৰ্যায়ৰ অৰ্হতা আৰু প্ৰৱেশ পৰীক্ষা(NEET)ৰ ১৬ জুলাইত ঘোষিত ফলাফল মতে তেজপুৰ পূৰ্বাঞ্চলৰ আৰিফ ৰছিদ, ফাৰিহা জামান আৰু মুছকান আহমেদে সফলতা লাভ কৰিবলৈ সক্ষম হৈছে। নীট (ইউ জি)ত অ-সংৰক্ষিত সাধাৰণ শ্ৰেণীৰ তিনি গৰাকী ছাত্ৰ-ছাত্ৰী হ'ল, ভিতৰ সুঁতি গাঁৱৰ নিবাসী ভিতৰসুঁতি প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক হাৰুণ ৰছিদ আৰু জাহানাৰা বেগমৰ কনিষ্ঠ পুত্ৰ আৰিফ ৰছিদে নীট পৰীক্ষাৰ সৰ্বমুঠ ৭২০ নম্বৰৰ ভিতৰত ৫১৩ নম্বৰ লাভ কৰিবলৈ সক্ষম হৈছে। জানিব পৰা মতে আৰিফ ৰছিদে হাইস্কুল শিক্ষান্ত পৰীক্ষা আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাতো সুখ্যাতিৰে উত্তীৰ্ণ হৈ ভিতৰসুঁতি অঞ্চললৈ গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হৈছিল। তেজপুৰৰ মুঢ়াতেতেলীৰ নিৱাসী মুজাম্মিল হুছেইন আৰু হুছনা বেগমৰ পুত্ৰ তথা আই আই টি গুৱাহাটীৰ পিএইচডি গৱেষক তাজনীন হুছেইনৰ কনিষ্ঠ ভাতৃ আদনান হুছেইনে 551 নম্বৰ লাভ কৰি সুখ্যাতিৰে উত্তীৰ্ণ হয়। আলিচিঙা উৰিয়ামগুৰিৰ ক্ষুদ্ৰ ব্যৱসায়ি ফজলুৰ ৰহমান আৰু মৰিয়ম বেগমৰ কন্যা ফাৰিহা জামান ফাৰিহাই সৰ্বমুঠ ৭২০ নম্বৰৰ ভিতৰত ৫৫১ নম্বৰ লাভ কৰি সুখ্যাতিৰে উত্তীৰ্ণ হৈছে। আমোলাপাম তেজপুৰ বিশ্ববিদ্যালয়ৰ সমীপৰ নিবাসী পাঁচমাইল উচ্চ মাধ্যমিক কন্যা বিদ্যালয়ৰ প্ৰধান শিক্ষক জালাল উদ্দিন আহমেদ আৰু মুমতাজ বেগমৰ কন্যা মুছকান আহমেদে সৰ্বমুঠ ৭২০ নম্বৰৰ ভিতৰত ৫৩১ নম্বৰ লাভ কৰি সুখ্যাতিৰে উত্তীৰ্ণ হৈ সমগ্ৰ তেজপুৰ পূৰ্বাঞ্চললৈ গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হৈছে। তিনিও গৰাকী নীট পৰীক্ষা উত্তীৰ্ণ ছাত্ৰ-ছাত্ৰীক অৰ্হতা প্ৰাপ্তিৰ বাবে অঞ্চলটোৰ বিভিন্ন অনুষ্ঠান প্ৰতিষ্ঠানে অভিনন্দন জনাই ভবিষ্যতে দক্ষতা সম্পন্ন সু-চিকিৎসক হৈ মানব সেৱাত ব্ৰতী হ'বলৈ আৰ্শীবাদ দিয়ে। জ্যেষ্ঠ সাংবাদিক তথা লেখক চিৰাজ খানে আৰু যুৱ সাংবাদিক ছাইদুল ইছলামে তিনিও গৰাকী কৃতি ছাত্ৰ-ছাত্ৰীক অভিনন্দন জনায়।

# দোপদৰত শোকৰ ছাঁ, বিশিষ্ট সমাজকৰ্মী মৃগেন গগৈৰ মৃত্যু

**অসম বাৰ্তা, চেলেংহাট, ১৭ জুলাই ঃ** দোপদৰ কুকুৰাচোৱা নৰা গাঁৱৰ বাসিন্দা মৃগেন গগৈ ওৰফে ৰাতুল (৫৯)ৰ আজি পুৱা প্ৰায় ৯ বজাত যোৰহাট মেডিকেল কলেজ হাস্পতাললৈ নি থকা অৱস্থাত মৃত্যু হয়। স্বৰ্গীয় ভদ্ৰকৃষ্ণ গগৈৰ পুত্ৰ মৃগেন গগৈ এগৰাকী বিশিষ্ট সমাজকৰ্মী হিচাপে সমগ্ৰ দোপদৰ অঞ্চলত পৰিচিত ব্যক্তি আছিল। তেওঁৰ অকাল বিয়োগত সমগ্ৰ দোপদৰ অঞ্চলত শোকৰ ছাঁ পৰিছে। দোপদৰ কেন্দ্ৰীয় বহাগী বিদায় উৎসৱ উদযাপন সমিতি, দোপদৰ মুছলমান সমাজ, কুকুৰাচোৱা নামঘৰ পৰিচালনা সমিতিকে ধৰি বিভিন্ন সামাজিক সংগঠনে গভীৰ শোক প্ৰকাশ কৰাৰ লগতে প্ৰয়াত সমাজকৰ্মীগৰাকীলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছে। মৃত্যুৰ সময়ত মৃগেন গগৈয়ে পত্নী আৰু দুগৰাকী কন্যা এৰি থৈ গৈছে।

শিল্পী বিষ্ণুপ্ৰসাদ ৰাভা, জ্যোতিপ্ৰসাদ আগৰৱালা, ড° ভূপেন হাজৰিকা, জুবিন গাৰ্গক স্মৰণ

# নগাঁৱৰ গোমোঠা গাঁৱত অসম নাট্য সন্মিলন "কলংপাৰ" শাখাৰ দহদিনীয়া শিশুনাট কৰ্মশালা



**অসম বাৰ্তা, পুৰণিগুদাম, বঢ়মপুৰ, ১৭ জুলাই ঃ** অসম নাট্য সন্মিলন "কলংপাৰ" শাখাৰ ব্যৱস্থাপনাত নগাঁৱৰ গোমোঠা গাঁও প্ৰাথমিক বিদ্যালয়ত আজি দহদিনীয়া শিশুনাট কৰ্মশালা অনুষ্ঠিত হৈছে। এই উপলক্ষে কাৰ্যসূচী অনুসৰি পুৱা বন্তি প্ৰজ্বলনৰ লগতে সন্মিলনৰ পতাকা উত্তোলন কাৰ্যসূচীৰ শুভাৰম্ভ কৰে অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক তথা সমাজকৰ্মী কমলাকান্ত বৰা আৰু কলংপাৰ শাখাৰ সভাপতি মাধৱ চন্দ্ৰ বৰাই। ইয়াৰ পিছতে জনতাৰ শিল্পী বিষ্ণুপ্ৰসাদ ৰাভা, ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালা, সুধাকণ্ঠ ড° ভূপেন হাজৰিকা, প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন আৰু পুষ্পাঞ্জলি অৰ্পণ কৰে অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক তথা সমাজকৰ্মী থুলেশ্বৰ বৰা, অসম নাট্য সন্মিলন নগাঁও জিলা সমিতিৰ সভাপতি প্ৰশান্ত শৰ্মা, নাট্য সন্মিলনৰ কেন্দ্ৰীয় সমিতিৰ সহকাৰী সম্পাদক সুৰজ কুমাৰ শইকীয়া আৰু গোমোঠা গাঁও প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক ৰত্নেশ্বৰ বৰাই। তাৰ পিছতেই বিদ্যালয়খনৰ চৌহদত প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ স্মৃতিত নাহৰৰ পুলি ৰোপণ কাৰ্যসূচীৰ শুভাৰম্ভ কৰে নাট্যকৰ্মী সোণাৰাম বৰাই। তেওঁৰ লগতে স্কুলৰ চৌহদত অৱসৰপ্ৰাপ্ত শিক্ষক দুলাল চন্দ্ৰ শৰ্মা আৰু সমাজকৰ্মী সোণাৰাম বৰাই একোটাকৈ গছপুলি ৰোপণ কৰে। ইয়াৰ অন্তত শিশুনাট কৰ্মশালাৰ শুভ উদ্বোধন কৰে বিজেপি নেতা তথা সমাজকৰ্মী অনিল শইকীয়াই। ভাষণত উদ্বোধক শইকীয়াই অসম নাট্য সন্মিলৰ "কলংপাৰ" শাখাই যুৱ প্ৰজন্মক নাট্য সংস্কৃতিৰ প্ৰতি আকৃষ্ট কৰা বাবে শিশুনাট কৰ্মশালাৰ আয়োজন কৰাৰ পদক্ষেপক শলাগ লয়। শাখাৰ সম্পাদক গোলাপ বৰা আৰু সহঃসম্পাদক নিপুল বৰাই আঁত ধৰা অনুষ্ঠানত নাট্যকৰ্মী হেমকান্ত বৰুৱা, শিল্পী, কবি তথা লেখক গোলাপ বৰা, সূত জাতি উন্নয়ন পৰিষদৰ অধ্যক্ষ তৰুণ চন্দ্ৰ বৰা, অভিনেতা অতুল বৰা, বঢ়মপুৰ শ্বহীদ স্মৃতি আদৰ্শ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ দীপক চন্দ্ৰ বৰা, সমাজকৰ্মী নৰেন্দ্ৰনাথ বৰা, চন্দ্ৰকান্ত বৰা, অভিনেতা তথা পৰিচালক ৰাজেন ফুকন, ৰাষ্ট্ৰীয় নাট্য বিদ্যালয়ৰ প্ৰশিক্ষণপ্ৰাপ্ত অভিনেত্ৰী সুস্মিতা শইকীয়া, সাংস্কৃতিক কৰ্মী দিলীপ দাস, প্ৰশিক্ষক শোণিত কুমাৰ বৰা প্ৰমুখ্যে বহু গণ্যমান্য ব্যক্তি উপস্থিত থাকে।

# ৰাইডাং চাহ বাগিচাত ৰোটাৰী ক্লাব অৱ তিনিচুকীয়াৰ স্বাস্থ্য সজাগতা শিবিৰ অনুষ্ঠিত




**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, তিনিচুকীয়া, ১৭ জুলাই ঃ** ৰোটাৰী ক্লাব অৱ তিনিচুকীয়াৰ উদ্যোগত শেহতীয়াকৈ ৰাইডাং চাহ বাগিচাত মাতৃ আৰু শিশুৰ স্বাস্থ্যৰ ওপৰত এক বিশেষ সজাগতা শিবিৰ অনুষ্ঠিত হয়। চাহ বাগিচাৰ শ্ৰমিক, কৰ্মচাৰী তথা গ্ৰাম্য অঞ্চলৰ মহিলা আৰু শিশুসকলৰ স্বাস্থ্যৰ প্ৰতি সজাগতা বৃদ্ধি কৰাৰ লক্ষ্যৰে এই শিবিৰটোৰ আয়োজন কৰা হৈছিল। এই সজাগতা শিবিৰত বিশিষ্ট শিশুৰোগ বিশেষজ্ঞ তথা ৰোটাৰী ক্লাবৰ প্ৰাক্তন ডিষ্ট্ৰিক্ট গৱৰ্ণৰ ডাঃ এম. এছ. কোঁৱৰে শিশুৰ সঠিক যত্ন, পুষ্টি আৰু শাৰীৰিক বিকাশৰ বিভিন্ন দিশৰ ওপৰত আলোকপাত কৰে। একেদৰে, স্ত্ৰীৰোগ বিশেষজ্ঞা ডাঃ প্ৰেৰণা কেশানে গৰ্ভাৱস্থাৰ সময়ত আৰু তাৰ পৰৱৰ্তী সময়ত মাতৃৰ স্বাস্থ্যৰ যত্ন লোৱাৰ গুৰুত্বৰ বিষয়ে সবিশেষ আলোচনা কৰে। লগতে, ডাঃ নয়না দাস দে' এ শিশু আৰু গৰ্ভৱতী মহিলাৰ বাবে টিকাকৰণৰ অপৰিহাৰ্যতাৰ বিষয়ে উপস্থিত ৰাইজক অৱগত কৰে। অনুষ্ঠানটিৰ সফলতাৰ ক্ষেত্ৰত ৰোটাৰিয়ান বিকাশ জালান আৰু ৰোটাৰিয়ান ৰাকেশ আগৰৱালাই গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। এই সজাগতা সভাত ৰোটাৰী ক্লাব অৱ তিনিচুকীয়াৰ সভাপতি ৰোটাৰিয়ান প্ৰকাশ জৈন আৰু ৰোটাৰিয়ান বিনেশ সিঙৰ লগতে অন্যান্য বিশিষ্ট ব্যক্তিসকল উপস্থিত থাকে। ৰোটাৰিয়ান অঞ্জনি গোয়েলে এক প্ৰেছ বিজ্ঞপ্তিযোগে এই তথ্য সদৰী কৰিছে।

বিস্তীৰ্ণ কৃষিভূমি, পাম ঘৰ তহিলং; উপযুক্ত ক্ষতিপূৰণ আৰু স্থায়ী সমাধানৰ দাবী ভুক্তভোগী কৃষকৰ

# মাজুলীত বন্যহস্তীৰ তীব্ৰ সন্ত্ৰাস; দক্ষিণপাট অফলামুখত বিনিদ্ৰ ৰজনী পাৰ কৰিছে ৰাইজে



**অসম বাৰ্তা, উজনী মাজুলী, ১৭ জুলাই ঃ** মাজুলীত বন্য হস্তীৰ সন্ত্ৰাসে এতিয়া চৰম সীমা পাই ছেগৈ। দীৰ্ঘদিন ধৰি নদীদ্বীপটোৰ বিভিন্ন চৰ-চাপৰিত বিচৰণ কৰি থকা প্ৰায় দুশজনীয়া এটা বৃহৎ বন্যহস্তীৰ জাকে বিগত তিনিদিন ধৰি দক্ষিণপাট অফলামুখ অঞ্চলত তীব্ৰ তাণ্ডৱ চলাই এক আতংকময় পৰিৱেশৰ সৃষ্টি কৰিছে। হাতীৰ জাকটোৰ উপদ্ৰৱৰ বাবেই এতিয়া অঞ্চলবাসীয়ে বিনিদ্ৰ ৰজনী পাৰ কৰিবলগীয়া পৰিস্থিতিৰ উদ্ভৱ হৈছে। স্থানীয় ভুক্তভোগী ৰাইজে জনোৱা অভিযোগ অনুসৰি, এই বৃহৎ হাতীৰ জাকটোৱে ইতিমধ্যে অঞ্চলটোৰ বিস্তীৰ্ণ কৃষিভূমিৰ উৎপাদিত ফচল সম্পূৰ্ণৰূপে নষ্ট কৰাৰ লগতে কেইবাটাও পাম ঘৰ ভাঙি তহিলং কৰিছে। যাৰ ফলত স্থানীয় কৃষকসকল ব্যৱসায়িক আৰু আৰ্থিক দিশত তীব্ৰ লোকচানৰ মুখত পৰিছে। স্থানীয় লোকে জানিবলৈ দিয়া মতে, দিনৰ ভাগত মাজুলী-যোৰহাট সংযোগী নিৰ্মীয়মান দলঙৰ কাষৰ হাবি-বনত আশ্ৰয় লৈ থকা হাতীৰ জাকটোৱে নিশা হোৱাৰ লগে লগেই জনাঞ্চলৰ দিশে গতি কৰে। হাতীৰ জাকটোৱে যিকোনো মুহূৰ্ততে গাঁৱত প্ৰৱেশ কৰি ডাঙৰ বিপৰ্যয় ঘটাব পাৰে বুলি এতিয়া আশংকাত দিন কটাইছে আবাল-বৃদ্ধ-বনিতাই। বন্যহস্তীৰ আক্ৰমণৰ পৰা নিজৰ জীৱন আৰু সম্পত্তি ৰক্ষা কৰিবলৈ বৰ্তমান বন বিভাগৰ কৰ্মচাৰী আৰু স্থানীয় গাঁওবাসীয়ে মিলি নিশা হ'লেই হাতে-হাতে টৰ্চ, ফটকা আদি লৈ পহৰা দিয়াৰ ব্যৱস্থা কৰিছে। যুটীয়া প্ৰচেষ্টাৰে হাতীৰ জাকটোক জনাঞ্চলৰ পৰা খেদি পঠাবলৈ অহৰহ চেষ্টা অব্যাহত ৰখা হৈছে যদিও বৰ্তমানলৈকে কোনো স্থায়ী সকাহ পোৱা নাই ৰাইজে। অঞ্চলটোত এতিয়াও তীব্ৰ আতংকময় পৰিৱেশে বিৰাজ কৰি থকাৰ পৰিপ্ৰেক্ষিতত ক্ষতিগ্ৰস্ত কৃষকসকলে চৰকাৰৰ ওচৰত উপযুক্ত ক্ষতিপূৰণ দাবী কৰিছে। ইয়াৰ লগতে বন বিভাগক কেৱল তাৎক্ষণিক খেদি পঠোৱাতে ক্ষান্ত নাথাকি, বন্যহস্তীৰ এই উপদ্ৰৱ ৰোধ কৰিবলৈ এটা স্থায়ী ব্যৱস্থা গ্ৰহণ কৰিবলৈ আৰু জনসাধাৰণৰ জীৱন-সম্পত্তিৰ সুৰক্ষা নিশ্চিত কৰিবলৈ ক্ষুব্ধ ৰাইজে দাবী উত্থাপন কৰিছে।

# দমদমা আঞ্চলিক ছাত্ৰ সন্থাৰ ২৪ সংখ্যক বাৰ্ষিক অধিবেশন সম্পন্ন; নতুন সমিতি গঠন

**অসম বাৰ্তা, হাজো, ১৭ জুলাই ঃ** সদৌ অসম ছাত্ৰ সন্থাৰ অন্তৰ্গত দমদমা আঞ্চলিক ছাত্ৰ সন্থাৰ ২৪ সংখ্যক বাৰ্ষিক অধিবেশনখনি দমদমা মহাবিদ্যালয় প্ৰাঙ্গণত উলহ-মালহেৰে সম্পন্ন হৈ যায়। দিনজোৱা কাৰ্যসূচীৰে অনুষ্ঠিত হোৱা এই অধিবেশনৰ পুৱা প্ৰথমে পতাকা উত্তোলন আৰু শ্বহীদ তৰ্পণ কৰে নিতুমণি দাস আৰু প্ৰবাল কোঁৱৰে। ইয়াৰ পিছতে সদৌ কামৰূপ জিলা ছাত্ৰ সন্থাৰ সভাপতি নৱজ্যোতি দাসৰ সভাপতিত্বত অনুষ্ঠিত হয় প্ৰতিনিধি তথা বিষয় বাছনি সভা। সভাখন উদ্বোধন কৰে জিলা ছাত্ৰ সন্থাৰ শিক্ষা সম্পাদক নিতুমণি দাসে। জিলা ছাত্ৰ সন্থাৰ প্ৰচাৰ সম্পাদক বনমালী কলিতাই আঁত ধৰা অনুষ্ঠানটিত সদৌ কামৰূপ জিলা ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক তফিকুৰ ৰহমানৰ লগতে প্ৰাক্তন ছাত্ৰ নেতা ৰুবুল দাস, দ্বীপজ্যোতি লহকৰ, বাহাৰুল ইছলাম আৰু কিশোৰ কুমাৰ দাসে আমন্ত্ৰিত অতিথি হিচাপে অংশগ্ৰহণ কৰে। অনুষ্ঠানত প্ৰাক্তন ছাত্ৰ নেতা ৰুবুল দাসে ছাত্ৰ সন্থাৰ লক্ষ্য, উদ্দেশ্য আৰু বৰ্তমান সময়ত ছাত্ৰ সমাজৰ দায়িত্ব সম্পৰ্কে এক ভাষণ প্ৰদান কৰে। অধিবেশনত আগন্তুক ২০২৬-২৭ বৰ্ষৰ বাবে সংগঠনটোৰ নতুন কাৰ্যনিৰ্বাহক সমিতি গঠন কৰা হয়। নতুন সমিতিত নিতুমণি দাস, বনমালী কলিতা আৰু প্ৰবাল কোঁৱৰক উপদেষ্টা, ব্ৰঞ্জেল মহন্তক সভাপতি আৰু চুমন ডেকাক সম্পাদক হিচাপে লৈ মুঠ ৩১ জনীয়া এক শক্তিশালী সমিতি গঠন কৰা হৈছে।

# বাসুগাঁও থানাৰোডৰ সৰ্বজনীন দুৰ্গাপূজা সমিতিৰ সোণালী জয়ন্তী উৎসৱৰ আয়োজন; সমিতি গঠন

**অসম বাৰ্তা, বাসুগাঁও, ১৭ জুলাই ঃ** চিৰাং জিলাৰ বাসুগাঁও চহৰৰ ৩ নং ওৱাৰ্ড থানাৰোড থুৰিবাৰীৰ সৰ্বজনীন শ্ৰীশ্ৰীদুৰ্গাপূজাৰ পঞ্চাশ বছৰ পূৰ্তি উপলক্ষে সোণালী জয়ন্তী উৎসৱ আয়োজনৰ ব্যাপক প্ৰস্তুতি চলোৱা হৈছে। সেই উপলক্ষে যোৱা কালি সন্ধিয়া অনুষ্ঠিত এক সাধাৰণ সভাত মূল সমিতিৰ লগতে উপ সমিতি সমূহো গঠন কৰা হয়। থানাৰোড নিৱাসী বিশিষ্ট সমাজকৰ্মী তথা শিক্ষা বিভাগৰ অৱসৰপ্ৰাপ্ত বিষয়া ৰবীন্দ্ৰ কুমাৰ চৌধুৰীৰ সভাপতিত্বত অনুষ্ঠিত হৈছিল সভাখন। সভাত বিভিন্ন আলোচনা-বিলোচনামৰ্মে বাসুগাঁও উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ সুবল চন্দ্ৰ ৰায়ক সভাপতি, সুশীল তালুকদাৰ আৰু জয়ন্তী ভট্টাচাৰ্যীক উপ-সভাপতি, প্ৰভাত কুমাৰক কাৰ্যকৰী সভাপতি, নিমাই বৰ্মনক সম্পাদক, তৰুণ সৰকাৰ সুদীপ শৰ্মা আৰু সুভাষ দাসক সহ সম্পাদক, দিলীপ তালুকদাৰক বিত্ত, সুদীপ শৰ্মাক স্মৃতিগ্ৰন্থৰ মুখ্য সম্পাদক হিচাপে লৈ সাংস্কৃতিক, পূজা পৰিচালনা, স্বেচ্ছাসেৱক ইত্যাদি উপশমিতি সমূহো গঠন কৰা হয়। সভাত বি টি আৰ বেংগলী যুৱ ছাত্ৰ ফেডাৰেচনৰ সম্পাদক শুভ মজুমদাৰ, শিক্ষক বাপ্পী দে, প্ৰভাত কুমাৰ, পিযুঁজ বৰ্মন আদিয়ে আগন্তুক সোণালী জয়ন্তী উৎসৱটি সৰ্বাংগ সুন্দৰ ভাৱে পালন কৰাৰ ক্ষেত্ৰত বিভিন্ন দিহা-পৰামৰ্শ আগবঢ়ায়। উল্লেখযোগ্য যে অষ্টমী পূজাৰ যাৱতীয় খৰচ হিল্লোল বৰ্মন নামৰ এগৰাকী মৎস্য ব্যৱসায়ীয়ে আগবঢ়াব বুলি উক্ত সভাতে প্ৰতিশ্ৰুতি দিয়ে। অন্যান্য বছৰৰ দৰে এইবেলিও বাসুগাঁও চহৰত ২৩টা পূজা মণ্ডপত শ্ৰীশ্ৰীদুৰ্গাপূজা পালন কৰা হ'ব বুলি জানিব পৰা গৈছে।

# গোসাইগাঁৱৰ পদ্মবিললৈ গৌৰৱ কঢ়িয়াই আনিলে ইউহানা পাৰবিনে

**অসম বাৰ্তা, শ্ৰীৰামপুৰ, ১৭ জুলাই ঃ** সদ্য ঘোষিত সৰ্বভাৰতীয় NEET পৰীক্ষাত ৫৩৬ নম্বৰ লাভ কৰি গোসাইগাঁও মহকুমাৰ পদ্মবিল অঞ্চলৰ ছাত্ৰী ইউহানা পাৰবিনে অঞ্চলখনলৈ গৌৰৱ কঢ়িয়াই আনিছে। ইউহানা পাৰবিন গোসাইগাঁও মহকুমাৰ পদ্মবিল অঞ্চলৰ বাসিন্দা মোঃ ইনছান আলী শেখ আৰু মাজিদা খাতুনৰ সুযোগ্যা কন্যা। কঠোৰ পৰিশ্ৰম, অধ্যৱসায় আৰু একাগ্ৰ সাধনাৰ ফলস্বৰূপে তেওঁ এই উল্লেখযোগ্য সফলতা অৰ্জন কৰিবলৈ সক্ষম হৈছে। তেওঁৰ এই কৃতিত্বই কেৱল পৰিয়ালটোকেই নহয়, সমগ্ৰ পদ্মবিল অঞ্চল তথা গোসাইগাঁওবাসীকো গৌৰৱান্বিত কৰিছে। ফলাফল ঘোষণা হোৱাৰ পিছতে আত্মীয়-স্বজন, শিক্ষক-শিক্ষয়িত্ৰী, শুভাকাংক্ষী আৰু স্থানীয় ৰাইজে ইউহানা পাৰবিনক আন্তৰিক অভিনন্দন জ্ঞাপন কৰাৰ লগতে তেওঁৰ উজ্জ্বল ভৱিষ্যতৰ বাবে শুভকামনা প্ৰকাশ কৰিছে। শিক্ষামহলৰ মতে, ইউহানা পাৰবিনৰ এই সফলতাই অঞ্চলটোৰ বহু শিক্ষাৰ্থীক চিকিৎসা শিক্ষাৰ দৰে প্ৰতিযোগিতামূলক ক্ষেত্ৰত আগবাঢ়িবলৈ অনুপ্ৰেৰণা যোগাব। তেওঁৰ এই সাফল্যই কঠোৰ পৰিশ্ৰম, আত্মবিশ্বাস আৰু একাগ্ৰতাৰ জৰিয়তে লক্ষ্যত উপনীত হ'ব পাৰি বুলি পুনৰ প্ৰমাণিত কৰিলে।

# সৰ্বভাৰতীয় নীট পৰীক্ষাত উজ্বলিল গৰেমাৰীৰ ছাইদুৰ ৰহমান

**অসম বাৰ্তা, জনীয়া, ১৭ জুলাই ঃ** বৰপেটা জিলাৰ গৰেমাৰী অঞ্চলৰ বাবে গৌৰৱৰ খবৰ কঢ়িয়াই আনিছে মেধাৱী শিক্ষাৰ্থী ছাইদুৰ ৰহমানে। সদ্য ঘোষিত সৰ্বভাৰতীয় নীট (NEET) পৰীক্ষাত ৫৩৪ নম্বৰ লাভ কৰি কৃতিত্বমূলক ফলাফল দেখুৱাই অঞ্চলৰ নাম উজলাই তুলিবলৈ সক্ষম হৈছে। উল্লেখ্য যে, গৰেমাৰী হাইস্কুলৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক আলহাজ্জ আব্দুছ ছাদিকৰ সুপুত্ৰ ছাইদুৰ ৰহমানৰ এই সাফল্যই পৰিয়াল তথা সমগ্ৰ গৰেমাৰী অঞ্চলবাসীৰ মাজত আনন্দৰ বন্যা বোৱাইছে। মেধাৱী ছাত্ৰ গৰাকীয়ে এইবেলি উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত উত্তীৰ্ণ হৈ ভাৰতৰ চিকিৎসা শিক্ষা গ্ৰহণৰ বাবে অন্যতম প্ৰতিযোগিতামূলক প্ৰৱেশ পৰীক্ষা নীটত অৱতীৰ্ণ হৈ প্ৰথমবাৰতে ৫৩৪ নম্বৰ লাভ কৰি স্থান পোৱা বাবে পৰিয়ালৰ লোক আনন্দত আত্মহাৰা হৈ পৰিছে। তেওঁৰ এই সাফল্য কঠোৰ পৰিশ্ৰম, অধ্যৱসায় আৰু একাগ্ৰতাৰ ফল বুলি মত প্ৰকাশ কৰিছে পৰিয়ালৰ লোকে। ছাইদুৰ ৰহমানৰ এই কৃতিত্বই অঞ্চলটোৰ আন শিক্ষাৰ্থীসকলকো উচ্চ শিক্ষাৰ ক্ষেত্ৰত আগবাঢ়িবলৈ অনুপ্ৰেৰণা যোগাব বুলি ধাৰণা কৰা হৈছে। পৰিয়ালৰ সদস্যসকলেও তেওঁৰ এই সফলতাত সন্তুষ্টি প্ৰকাশ কৰি আগন্তুক দিনত এজন দক্ষ চিকিৎসক হিচাপে দেশ আৰু সমাজৰ সেৱা আগবঢ়োৱাৰ কামনা কৰিছে। নীট পৰীক্ষাত সফলতা অৰ্জন কৰি ছাইদুৰ ৰহমানে গৰেমাৰী অঞ্চললৈ সুনাম কঢ়িয়াই অনাত শুভাকাংক্ষী আৰু অঞ্চলবাসীয়ে তেওঁক আন্তৰিক অভিনন্দন আৰু শুভেচ্ছা জ্ঞাপন কৰিছে।

## বিনামূলীয়া স্বাস্থ্য পৰীক্ষা শিবিৰ সম্পন্ন

# কলিয়াবৰ প্ৰেছ ক্লাবৰ ২৯ সংখ্যক প্ৰতিষ্ঠা দিৱস

**অসম বাৰ্তা, কলিয়াবৰ, ১৭ জুলাই ঃ** কলিয়াবৰৰ অন্যতম সংবাদ অনুষ্ঠান কলিয়াবৰ প্ৰেছ ক্লাবৰ ২৯ সংখ্যক প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি আজি জখলাবন্ধা উচ্চতৰ মাধ্যমিক বিদ্যালয়ত বিনামূলীয়া স্বাস্থ্য পৰীক্ষা শিবিৰ অনুষ্ঠিত কৰে। পুৱা জখলাবন্ধাস্থিত কাৰ্য্যালয়ত কলিয়াবৰ প্ৰেছ ক্লাবৰ সভাপতি তৰুণ মুক্তিয়াৰে পতাকা উত্তোলন আৰু উপদেষ্টা ডিম্বেশ্বৰ হাজৰিকাই স্মৃতি তৰ্পণেৰে অনুষ্ঠানৰ শুভাৰম্ভ কৰে। পুৱা ১১ বজাৰ পৰা কলিয়াবৰ ডায়গ্নষ্টিকৰ আৰু এন এইচ এমৰ সহযোগত অনুষ্ঠিত হোৱা স্বাস্থ্য পৰীক্ষা শিবিৰ কলিয়াবৰৰ সম জিলা চিকিৎসা বিষয়া ডাঃ বীৰেণ দেউৰীয়ে উদ্বোধন কৰে। স্বাস্থ্য পৰীক্ষা শিবিৰত শিশু, চকু, দাঁত, আৰু স্ত্ৰী ৰোগৰ বিশেষজ্ঞ চিকিৎসকে অংশগ্ৰহণ কৰি বৃহত্তৰ অঞ্চলটোৰ শতাধিক ৰোগীক চিকিৎসা সেৱা আগবঢ়ায়। কলিয়াবৰ প্ৰেছ ক্লাবৰ সম্পাদক গৌতম বৰাই আঁতধৰা অনুষ্ঠানত স্বাস্থ্য পৰীক্ষা শিবিৰৰ আৰম্ভণিতে বিশেষজ্ঞ চিকিৎসকক কলিয়াবৰ প্ৰেছ ক্লাবৰ পৰা আদৰণি জনায়। অনুষ্ঠানত কলিয়াবৰ অসামৰিক চিকিৎসালয়ৰ উপ অধীক্ষক ডাঃ জয়দেৱ কাকতি, চিকিৎসক ডাঃ সমুদ্ৰ দেৱ শৰ্মা, ডাঃ ভানুস্মিতা ভট্টাচাৰ্য্য, কলিয়াবৰ উচ্চতৰ মাধ্যমিক বালিকা বিদ্যালয়ৰ অধ্যক্ষ সঞ্জীৱ কুমাৰ হাজৰিকা, জখলাবন্ধা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ বন্তি দেৱী, ত্ৰিবেণী কাননৰ সভাপতি দিলীপ কুমাৰ বৰদলৈ, অৱসৰপ্ৰাপ্ত শিক্ষক বিপুল হাজৰিকা, কলিয়াবৰ প্ৰেছক্লাবৰ প্ৰাক্তন সভাপতি দামোদৰ শইকীয়া, প্ৰাক্তন সম্পাদক সিদ্ধাৰ্থ শংকৰ গোস্বামী, প্ৰণৱ মহন্ত, প্ৰাক্তন সদস্য কৃষ্ণৰাম বৰুৱাকে প্ৰমুখ্য কৰি কলিয়াবৰ প্ৰেছ ক্লাবৰ সদস্যবৃন্দ, বিশিষ্ট ব্যক্তি, ৰাইজ উপস্থিত থাকি অনুষ্ঠান সাফল্যমণ্ডিত কৰে।

## সম্পাদকীয়

# জনসমাগম আৰু পদপিষ্ট

পুনৰ এক পদপিষ্টৰ ট্ৰেজেডি। ওড়িশাৰ পুৰী জগন্নাথ ৰথযাত্ৰাৰ সময়ত হোৱা জনসমাগমত অন্ততঃ দুজন ভক্তৰ মৃত্যু হৈছে আৰু ১০০ৰো অধিক লোক আঘাতপ্ৰাপ্ত হৈছে। ওড়িশা চৰকাৰে যদিও এই ঘটনাক 'পদপিষ্ট' বুলি অভিহিত কৰিবলৈ অস্বীকাৰ কৰি 'জনতাৰ সোঁত' বুলি কয়, তথাপি লাখ লাখ ভক্তৰ মাজত হোৱা এই হুৰাহুৰি আৰু অচেতন অৱস্থাৰ ঘটনাই স্পষ্ট কৰে যে ভাৰতত জনসমাগম পৰিচালনাৰ ব্যৱস্থা আজিও কিমান দুৰ্বল। পুৰীৰ ৰথযাত্ৰাত এইটো প্ৰথমবাৰৰ বাবে ঘটনা নহয়- বিগত বৰ্ষতো একে উৎসৱতে কেইবাজনো ভক্তৰ মৃত্যু হৈছিল আৰু বহু আঘাতপ্ৰাপ্ত হৈছিল। প্ৰশ্ন উঠে- ইংৰাজ শাসনৰ পৰা মুক্তি পোৱাৰ প্ৰায় আঠ দশক পাৰ হৈ গ'ল, কিন্তু আমাৰ জনসমাগম পৰিচালনাৰ ব্যৱস্থা আজিও কিয় ইমান অপৰিপক্ক?

পুৰীৰ ঘটনাই কেৱল এক উজ্জ্বল দৃষ্টান্ত। ২০২৫ চনটো ভাৰতৰ বাবে পদপিষ্টৰ ট্ৰেজেডিৰ ক্ষেত্ৰত অতি ভয়াবহ আছিল। জানুৱাৰী মাহত প্ৰয়াগৰাজ মহাকুম্ভৰ সময়ত সংগমত স্নান কৰিবলৈ অহা কোটি কোটি ভক্তৰ মাজত হোৱা পদপিষ্টত কমেও ৩০জন লোকৰ মৃত্যু হয়। ৭, ৫০০ কোটি টকাৰ বাজেট থকা সত্বেও পণ্টুন (ভাসমান) দলংসমূহ বন্ধ কৰি দিয়া, বেৰা (বেৰিকেড) ভাঙি যোৱা, আৰু আহতসকলক চিকিৎসালয়লৈ প্ৰেৰণ কৰাত পলম হোৱাৰ দৰে গুৰুতৰ পৰিচালনাৰ ত্ৰুটিয়ে এই ট্ৰেজেডিৰ কাৰণ হৈছিল।

ছেপ্টেম্বৰ মাহত তামিলনাডুৰ কৰুৰত অভিনেতা-ৰাজনীতিবিদ থালাপতি বিজয়ৰ 'তামিলাগা ভেট্ৰি কালগম' (TVK) দলৰ ৰাজনৈতিক সমাগমত সংঘটিত পদপিষ্টত কমেও ৩৯জন লোক নিহত আৰু ৯৫জন আহত হয়। এই সমাগমত প্ৰায় ৫০, ০০০ লোক উপস্থিত আছিল, যদিও দলটোৱে মাত্ৰ ১০, ০০০ লোকৰ অনুমতি লৈছিল। এই সকলোবোৰ ঘটনাৰ কাৰণসমূহ পৰীক্ষা কৰিলে একেটা সূত্ৰেই ওলাই আহে- অতিৰিক্ত জনতাৰ তুলনাত পৰিকল্পনাৰ অভাৱ, নিৰাপত্তা ব্যৱস্থাৰ দুৰ্বলতা, আৰু দায়িত্বশীলতাৰ অনুপস্থিতি। মহাকুম্ভত বেৰা ভাঙি যোৱা, বাংগালুৰুত আয়োজকে অনুমতি নোলোৱাকৈ কাৰ্যসূচীৰ প্ৰচাৰ কৰা, কৰুৰত অনুমোদিত সংখ্যাতকৈ বহুগুণে অধিক লোকৰ সমাগম- প্ৰতিটো ঘটনাই প্ৰশাসন আৰু আয়োজকৰ অসাৱধানতাকে প্ৰতিফলিত কৰে। মধ্যবিত্ত আৰু নিম্নবিত্ত পৰিয়ালৰ লগতে সাধাৰণ ৰাইজৰ মাজত সৃষ্টি হোৱা হাহাকাৰৰ লগতে প্ৰশ্নও উঠে- যোগান বিভাগ আৰু চৰকাৰে কিয় এই অনিয়ন্ত্ৰিত পৰিস্থিতি ৰোধ কৰিবলৈ সক্ষম নহয়?

এই পুনৰাবৃত্তিমূলক ট্ৰেজেডিৰ পৰা উত্তৰণৰ বাবে চৰকাৰ আৰু আয়োজকসকলে প্ৰথমতে, প্ৰতিটো বৃহৎ কাৰ্যসূচীৰ বাবে পূৰ্বনিৰ্ধাৰিত পৰিকল্পনা আৰু অনুমতি পদ্ধতি কঠোৰভাৱে প্ৰয়োগ কৰিব লাগিব। বাংগালুৰুৰ ট্ৰেজেডিৰ পাছত বাংগালোৰু আৰক্ষীয়ে যিদৰে ডিচিপি (DCP) পৰ্যায়ত সকলো বৃহৎ কাৰ্যসূচীৰ পৰিকল্পনা বাধ্যতামূলক কৰিছে, ঠিক তেনেদৰে প্ৰতিখন ৰাজ্যতে এই ব্যৱস্থা কাৰ্যকৰী কৰিব লাগিব। দ্বিতীয়তে, প্ৰযুক্তিৰ ব্যৱহাৰ বৃদ্ধি কৰিব লাগিব। মহাকুম্ভত প্ৰায় ৭৫০টা চিচিটিভি (CCTV) কেমেৰা, যাৰ ভিতৰত ২৫০টা এআই (AI)-সক্ষম, ব্যৱহাৰ কৰা হৈছিল। পুৰী ৰথযাত্ৰাতো ২৪৪টা চিচিটিভি কেমেৰা, ড্ৰোন, আৰু সমন্বিত কমাণ্ড কেন্দ্ৰ স্থাপন কৰা হৈছে। এই প্ৰযুক্তিৰ জৰিয়তে জনতাৰ ঘনত্ব নিৰীক্ষণ কৰি সময়মতে সতৰ্কবাণী দিব পাৰি। কিন্তু কেৱল কেমেৰা স্থাপনেই যথেষ্ট নহয়— এই তথ্য বিশ্লেষণ কৰি তৎক্ষণাত পদক্ষেপ লোৱাৰ ব্যৱস্থাও গঢ়ি তুলিব লাগিব। তৃতীয়তে, আয়োজকসকলক কঠোৰভাৱে দায়ী কৰিব লাগিব। কৰ্ণাটক চৰকাৰে আৰচিবি দলৰ বিৰুদ্ধে যিদৰে গুৰুতৰ অসাৱধানতাৰ অভিযোগ উত্থাপন কৰিছে, ঠিক তেনেদৰে প্ৰতিটো ঘটনাতে দোষী আয়োজক আৰু বিষয়াসকলৰ বিৰুদ্ধে কাৰ্যব্যৱস্থা লোৱাটো বাধ্যতামূলক কৰিব লাগিব। কৰুৰৰ ঘটনাত TVK নেতাসকলৰ বিৰুদ্ধে ফৌজদাৰী গোচৰ ৰুজু কৰা হৈছিল— এই প্ৰৱণতা সকলো ঠাইতে প্ৰয়োগ কৰিব লাগিব।



# শাওণ মাহৰ গৌৰীব্ৰত আৰু সেউজীয়াৰ তাৎপৰ্য

*যেতিয়া জনজাতি পৱিত্ৰ মা মন্ত্ৰীয়ে এই প্ৰক্ৰিয়াৰ বাবে কোনো নিৰ্দিষ্ট সময়সীমা বান্ধি দিবলৈ অস্বীকাৰ কৰে, তেতিয়া চৰকাৰৰ এই স্থিতিৰ তীব্ৰ বিৰোধিতা কৰি কংগ্ৰেছ বিধায়কসকলৰ লগতে ৰাইজৰ দলৰ বিধায়ক গগৈয়ে সদন ত্যাগ কৰে। এই ঘটনাই প্ৰমাণ কৰে যে তেওঁ কেৱল প্ৰতিশ্ৰুতিৰ ওপৰত নিৰ্ভৰ নকৰি চৰকাৰৰ পৰা স্পষ্ট উত্তৰ আৰু কাৰ্য্যকৰী পদক্ষেপ বিচাৰে। ইয়াৰ উপৰিও, ৰাজ্যৰ ভূমি নীতি আৰু খিলঞ্জীয়াৰ অধিকাৰৰ ক্ষেত্ৰতো অখিল গগৈৰ স্থিতি অতিশয় কঠোৰ। শেহতীয়াকৈ কৰ্পোৰেট গোষ্ঠীৰ হাতত ৰাজ্যৰ খিলঞ্জীয়াৰ ভূমি গতাই দিয়াৰ চৰকাৰী প্ৰচেষ্টাৰ বিৰুদ্ধে তেওঁ সৰৱ হৈ পৰিছিল। বিধানসভাৰ বাহিৰত আৰু ভিতৰত ক'লা পোছাক পৰিধান কৰি প্ৰতীকী প্ৰতিবাদ সাব্যস্ত কৰা গগৈয়ে জনজাতীয় নেতা আৰু কৃষক নেতাসকলৰ গ্ৰেপ্তাৰৰ তীব্ৰ বিৰোধিতা কৰিছিল। গুৱাহাটী আৰু শিৱসাগৰত হোৱা ভয়ংকৰ কৃত্ৰিম বানপানীৰ সমস্যাক লৈয়ো তেওঁ মুখ্যমন্ত্ৰী আৰু সংশ্লিষ্ট বিভাগক তীব্ৰ সমালোচনা কৰিছিল।*

**দিলীপ কুমাৰ ৰয়**

দেৱাদিদেৱ মহাদেৱকেই সনাতন হিন্দু সকলে অতীজৰেপৰা উপাসনা কৰি পূজা কৰি আহিছে। শিৱৰ প্ৰতি বা শিৱক লৈ পালন কৰি আহিছে বিভিন্ন উৎসৱ-পাৰ্বণ। বিশ্বাস কৰা হয়, মহাদেৱ শিৱক আৰাধনা কৰিলে ভোলানাথ শিৱ সহজে প্ৰসন্ন হৈ ভক্তৰ সু-মনোবাঞ্ছা পূৰ্ণ কৰে। শিৱ শব্দটোৰ অৰ্থই হ'ল মঙ্গলময়, কল্যাণময়। এই জগত কল্যাণকাৰী শিৱক বাৰু শাওণ মাহ আৰু সোমবাৰে আৰাধনা কৰিবলৈ ভক্তসকলৰ মন খুবেই আৱেগিক কিয়? ইয়াৰ অন্তৰালৰ ৰহস্যনো কি?

শাওণ মাহৰ আন এটা নাম হ'ল শ্ৰাৱণ। এই সময়ত আকাশত পূৰ্ণিমাৰ জোন শ্ৰাৱণী নক্ষত্ৰৰ কাষত থাকে। সেই নক্ষত্ৰৰ নাম অনুসৰিয়েই মাহটোৰো নাম ৰখা হ'ল শ্ৰাৱণ। ভাৰতীয় পৰম্পৰাত শ্ৰাৱণ এক পবিত্ৰ মাহ। এই মাহ ভগৱান শিৱৰ সতে একাত্ম হোৱাৰ মাহ। বহুবোৰ কিংবদন্তি আৰু বিশ্বাস জড়িত হৈ আছে এই মাহৰ স'তে যিয়ে শ্ৰাৱণক আৰু অধিক অৰ্থৱহ কৰি তুলিছে। ভগৱান শিৱৰ প্ৰতি উচৰ্গিত শাওণ মাহটো হিন্দু ধৰ্মত অতি পবিত্ৰ বুলি গণ্য কৰা হয়। শাওণ মাহ অহাৰ লগে লগে চৌদিশে প্ৰতিধ্বনিত হ'বলৈ আৰম্ভ কৰে ভগৱান শিৱৰ গীত আৰু ভক্তসকল থাকে শিৱ ভক্তিত নিমগ্ন হৈ। শাওণ মাহৰ ভিতৰত আকৌ সেই মাহৰ সোমবাৰকেইটা শিৱ পূজাৰ বাবে অধিক প্ৰশস্ত বুলি গণ্য কৰা হয়। আচলতে সোমবাৰৰ তাৎপৰ্য হ'ল সোম মানে চন্দ্ৰ অৰ্থাৎ চন্দ্ৰৰ বাৰ। দক্ষ যজ্ঞৰ সময়ত প্ৰজাপতি দক্ষই চন্দ্ৰক আঁতৰি যাবলৈ অভিশাপ দিছিল। তেতিয়া চন্দ্ৰই অভিশাপটো উপশম কৰাত সহায় কৰিবলৈ শিৱৰ কাষ চাপিছিল। সতী দেৱী, তেওঁৰ ভগ্নী আৰু কেইজনমান ঋষিৰ সৈতে ঋষি মাৰ্কেণ্ডেই তেওঁলোকক দিয়া মহা মৃত্যুঞ্জয় মন্ত্ৰ উচ্চাৰণ কৰিছিল। যিদিনা এই ঘটনাটো সংঘটিত হৈছিল সেয়া আছিল সোমবাৰ আৰু সকলো মানুহে গোটেই ৰাতি সাৰে থাকি চন্দ্ৰক বচাবলৈ মন্ত্ৰ উচ্চাৰণ কৰিছিল। শিৱই চন্দ্ৰক দক্ষৰ অভিশাপৰ পৰা ৰক্ষা কৰিছিল তেওঁৰ চুলিত চন্দ্ৰক স্থায়ী স্থান দি। এনেদৰে শিৱৰ আন নাম চন্দ্ৰশেখৰ হৈ পৰিছিল। পিছলৈ এই দিনটো মহাশিৱৰাত্ৰী হিচাপে জনাজাত হৈছিল। সেইদিনাৰ পৰা এই নিৰ্দিষ্ট দিনটোত শিৱ উপাসনা কৰাটো শুভ বুলি গণ্য কৰা হয়। এই সময়ত ব্ৰত পালন আৰু পূজা কৰাৰ বিশেষ তাৎপৰ্য আছে। বিশেষকৈ অবিবাহিত ছোৱালীৰ মাজত শাওণৰ সোমবাৰৰ ব্ৰত অতি জনপ্ৰিয়। ইয়াৰ আঁৰত আছে কিছুমান ধৰ্মীয়, সামাজিক আৰু বিজ্ঞানসন্মত বিশ্বাস। শাওণৰ সোমবাৰৰ ব্ৰতত গৌৰীব্ৰত ববুলিও কোৱা হয়। এই ব্ৰত শিৱভক্ত অবিবাহিত ছোৱালীয়ে উৎসাহে আৰু আন্তৰিকতাৰে পালন কৰে। বিশ্বাস কৰা হয় যে এই ব্ৰত পূৰ্ণ ভক্তি আৰু ৰীতি-নীতিৰে পালন কৰিলে ভগৱান শিৱ সন্তুষ্ট হয় আৰু তেওঁলোকক এজন ভাল, উপযুক্ত জীৱনসংগী লাভ কৰাৰ আশীৰ্বাদ দিয়ে। এই বিশ্বাস যুগ যুগ ধৰি চলি আহিছে আৰু আজিও লাখ লাখ অবিবাহিত ছোৱালীয়ে এই বিশ্বাসেৰে শাওণৰ সোমবাৰে উপবাস থাকি গৌৰীব্ৰত পালন কৰে। পৌৰাণিক বিশ্বাস অনুসৰি দেৱী পাৰ্বতীয়ে ভগৱান শিৱক স্বামী হিচাপে পাবলৈ কঠোৰ তপস্যা কৰিছিল। খাদ্য-পানী ত্যাগ কৰি বহু বছৰ অন্নহীন হৈ থাকি তেওঁ শিৱক পূজা কৰিছিল। অৱশেষত তেওঁৰ অখণ্ড তপস্যা আৰু ভক্তিত সন্তুষ্ট হৈ ভগৱান শিৱই পাৰ্বতীক পত্নী হিচাপে গ্ৰহণ কৰিলে। সেয়ে অবিবাহিত ছোৱালীয়ে শাওণৰ সোমবাৰে দেৱী পাৰ্বতীক অনুসৰণ কৰি ব্ৰত পালন কৰে যাতে তেওঁলোকৰ ভক্তিত সন্তুষ্ট হৈ ভগৱান শিৱই তেওঁলোকক পাৰ্বতীৰ দৰে উপযুক্ত দৰা দিয়ে। কিয়নো মহিলাসকলে ভগৱান শিৱক আদৰ্শ স্বামীৰ প্ৰতীক হিচাপে গণ্য কৰে।

আনহাতে শিৱ পুৰাণ মতে যেতিয়া সমুদ্ৰ মন্থন হৈছিল, তেতিয়া প্ৰথমে বিহ ওলাইছিল। সেই বিহৰ বাবে সমগ্ৰ সংসাৰলৈ সংকট নামি আহিছিল কিয়নো সেয়া আছিল দেৱ-দেৱতা, মনুষ্য, পশু-পক্ষী সকলোৰে জীৱনৰ বাবে হানিকাৰক। তেতিয়া দেৱাদিদেৱে এই সংকটৰ পৰা সমগ্ৰ সৃষ্টিক ৰক্ষা কৰিবলৈ সমগ্ৰ বিহ পান কৰে। সেই সময়ত পাৰ্বতীয়ে সেই বিহ ভগৱান শিৱৰ কণ্ঠতে ৰখাই দিয়ে। সেইবাবে এই বিহ শিৱৰ কণ্ঠতে ৰৈ যায় আৰু শৰীৰলৈ সিঁচৰতি নহ'ল। বিহৰ বাবে শিৱৰ কণ্ঠ নীলা হৈ পৰে যাৰ বাবে শিৱক নীলকণ্ঠ বুলিও কয়। বিশ্বাস অনুসৰি, এই ঐশ্বৰিক কাৰ্য সম্পন্ন হৈছিল শ্ৰাৱণ মাহৰ সোমবাৰত। মহাদেৱৰ সেই জ্বলন্ত যন্ত্ৰণা শাঁত পেলাবলৈ দেৱতাসকলে সিদিনা পৱিত্ৰ গংগাৰ পানী ভক্তিভাৱেৰে তেওঁৰ গাত ঢালি দিছিল। কৃতজ্ঞতা আৰু ভক্তিত সকলোৰে হৃদয় দোঁ খাই আহিছিল। সেই বিশ্বাসৰ আধাৰতে তেতিয়াৰে পৰা শ্ৰাৱণ মাহ মহাদেৱৰ দয়া আৰু নিঃস্বাৰ্থতাৰ স্মৰণেৰে উচৰ্গিত হৈ আহিছে। উপবাস, প্ৰাৰ্থনা আৰু নানান আচাৰ-অনুষ্ঠানৰ মাজেৰে অগণন ভক্তই প্ৰজন্মৰ পিছত প্ৰজন্ম ধৰি বিশ্বাসৰ এই ধাৰা বোৱাই আনিছে। ইয়াৰ বাবে মহাদেৱ অতি প্ৰসন্ন হয়। সেইবাবেই প্ৰতিবছৰে শাওণ মাহৰ সোমবাৰত ভগৱান শিৱৰ জলাভিষেক কৰা হয়, যাতে তেওঁ প্ৰসন্ন হয় আৰু তেওঁৰ কৃপাপ্ৰাপ্ত হয়। এই সময়ত আত্মসংযম আৰু আত্মশুদ্ধিৰ বাবে 'মহামৃত্যুঞ্জয় মন্ত্ৰ' জপ কৰিব লাগে। বিশ্বাস আছে এই পৱিত্ৰ দিনটোত শিৱ লিঙ্গ বা বিগ্ৰহ দৰ্শন কৰিলে, শিৱ পূজা কৰিলে ল'ৰা, বুঢ়া, সধৱা-বিধৱা, জীয়ৰী-বোৱাৰী সকলোৰে মঙ্গল হয়, কোনো নিঃসন্তান সধৱাৰ পুত্ৰ লাভ হয, অবিবাহিত জীয়ৰীৰ মনোমত বৰ লাভ হয় আৰু অন্য সকলৰো মনৰ কামনা পূৰ্ণ হয়। কুমাৰীসকলেও উপবাসে থাকি মনে বিচৰা এজন ভাল স্বামীৰ বাবে প্ৰভুৰ ওচৰত আৰ্শীবাদ বিচাৰে।

এই দিনটোতেই মহিলাসকলে গৌৰীব্ৰত পালন কৰে। গৌৰীব্ৰত পালনৰ লগত সেউজীয়া ৰঙৰ আছে এক নিগূঢ় সম্পৰ্ক। শাওণ মাহটো কেৱল ধৰ্মীয় বিশ্বাসৰ প্ৰতীকে নহয় বৰঞ্চ সামাজিক আৰু সাংস্কৃতিক ৰঙেৰেও পৰিপূৰ্ণ হৈ থকা এটি অতি গুৰুত্বপূৰ্ণ মাহ। শাওণ মাহ বৰষুণৰ বতৰত চাৰিওফালে সেউজীয়া হৈ থাকে। প্ৰকৃতিৰ সেউজীয়া ৰঙে মনক আকৰ্ষিত কৰে আৰু সেউজীয়া ৰঙে মনক শান্ত আৰু শীতল অনুভৱ কৰায়। এই সেউজীয়াই সুখ, শান্তি আৰু জীৱনত শক্তি প্ৰদান কৰে, সেউজীয়াই ধনাত্মক শক্তি প্ৰদান কৰি হতাশাৰ পৰা পৰিত্ৰাণ পোৱাত সহায় কৰে। সেউজীয়াই চকুক শিথিল কৰে, ৰোগী লোকসকলৰ বাবে জীৱনদায়ক ঔষধ হিচাপেও কাম কৰে। এইবোৰ কাৰণত মহিলাসকলে সেউজীয়া ৰঙৰ কাপোৰ, কপালত সেউজীয়া ফোঁট আৰু হাতত খাৰু পিন্ধিব লাগে যিয়ে জীৱনত সুখ, সৌভাগ্য আৰু সম্প্ৰীতি কঢ়িয়ায়। এনে কাৰ্যই বিবাহিতাৰ স্বামীৰ দীৰ্ঘায়ু আৰু বিবাহিত জীৱনত শান্তি আৰু সুখ নিশ্চিত হয় বুলি বিশ্বাস কৰা হয়। সেই দিনটোত ইজনীয়ে সিজনীক পৰস্পৰে পৰস্পৰক সেউজীয়া খাৰু পিন্ধাব লাগে। এই নিয়মে হৃদয়ৰ সম্পৰ্ক স্থাপন কৰে। শাওণ মাহত হাতত সেউজীয়া খাৰু পিন্ধাটো কেৱল এক অলংকাৰ নহয় ই হৈছে এক সমন্বয়ৰ বাৰ্তা, উৎসৱ আৰু সুখবোধৰ বাৰ্তা। শাওণৰ প্ৰতিটো সোমবাৰে গৌৰী ব্ৰত পালন কৰা অবিবাহিত ছোৱালীসকলে কিছুমান বিশেষ নিয়ম মানি চলিব লাগে। পুৱা স্নান আৰু শিৱ পূজা ব্ৰত পালনৰ দিনা ৰাতিপুৱা সোনকালে উঠি গা ধুই পৰিষ্কাৰ কাপোৰ পিন্ধি শিৱ মন্দিৰলৈ বা ঘৰত গৈ শিৱলিংগত পানী, গাখীৰ, বেলপাত, ধতুৰা, ভাং, চন্দন, অক্ষত আৰু ফুল আগবঢ়াব লাগে। তাৰ পিচত ভগৱান শিৱ আৰু দেৱী পাৰ্বতীৰ বিবাহৰ সৈতে জড়িত কাহিনী পাঠ কৰিব লাগে। শাওণৰ সোমবাৰে কোনো খাদ্য গ্ৰহণ নকৰাকৈ শিৱৰ উপাসনা কাৰ্য সমাপন কৰি কেৱল এবাৰ ফল-মূল গ্ৰহণ কৰি সংযমেৰে ব্ৰত পালন কৰিব লাগে। সেইদিনা চুলি আৰু নখ কটা, ওখ বিছনাত শুৱা আৰু শাক ভক্ষণ কৰা আদি কাৰ্য পৰিহাৰ কৰাটো উচিত। অৱশ্যে মন কৰিলে নিৰামিষ আহাৰ গ্ৰহণ কৰি ব্ৰত পালন কৰিব পাৰে।

জ্যোতিষ শাস্ত্ৰ অনুসৰি বিবাহৰ লগত জড়িত গ্ৰহসমূহ হ'ল বৃহস্পতি আৰু শুক্ৰ। শাওণ মাহত ভগৱান শিৱক পূজা কৰিলে এই গ্ৰহবোৰৰ নেতিবাচক প্ৰভাৱ কমোৱাত আৰু মংগল বৃদ্ধিত সহায়ক হয় বুলি কোৱা হয়, যাৰ ফলত বিবাহৰ বাধা দূৰ হয় আৰু উপযুক্ত দৰা পোৱাৰ পথ প্ৰশস্ত হয়। এনেও শিৱ ত্যাগ, প্ৰেম, সংযম আৰু বিচ্ছিন্নতাৰ প্ৰতিমূৰ্তি। সেয়েহে বিশ্বাস কৰা হয় যে ভগৱান শিৱক পূজা কৰা ছোৱালীয়ে শিৱৰ দৰে গুণ থকা স্বামী পায়, যিয়ে তেওঁলোকৰ প্ৰতিটো কামনাক সন্মান কৰে আৰু গোটেই জীৱন তেওঁলোকৰ লগত থাকে।

শাওণ মাহ মানেই যেন আত্মসংযম, বিশ্বাস, শুদ্ধ চিন্তা আৰু ভক্তিৰে জীৱন গঢ়ি তোলা। এই মাহটোৱে মানুহক শিৱৰ দৰে ধৈৰ্যশীল, সংযমী আৰু ত্যাগী হ'বলৈ অনুপ্ৰেৰণা দিয়ে। শাওণ মাহত ব্ৰত পালন কৰাটো কেৱল ধৰ্মীয় আচাৰ নহয়, ই এক আত্মিক অভিযান, যাৰ জৰিয়তে জীৱনত শান্তি, ভক্তি আৰু শক্তি লাভ কৰিব পৰা যায় বুলি বিশ্বাস। জ্যোতিষ কেলেণ্ডাৰ মতে এই বছৰত শাওণ মাহত ৫টা সোমবাৰ পৰিছে। যথা - ২০ জুলাই, ২৭ জুলাই, ০৩ আগষ্ট, ১০ আগষ্ট আৰু ১৭ আগষ্ট ২০২৬। ইয়াৰ ভিতৰত প্ৰথম চাৰিটা সোমবাৰ (২০ জুলাই, ২৭ জুলাই, ৩ আগষ্ট আৰু ১০ আগষ্ট) বিশেষ পুণ্যদায়ক আৰু ফলপ্ৰসূ বুলি শাস্ত্ৰত উল্লেখ আছে। শাস্ত্ৰীয় বিশ্বাস অনুসৰি, শ্ৰীহৰি বিষ্ণু এই সময়ত যোগনিদ্ৰাত (শয়নত) অৱস্থিত থাকে। সেই সময়ত সৃষ্টিজগতৰ পালন আৰু কল্যাণৰ দায়িত্ব ভগৱান মহাদেৱে গ্ৰহণ কৰে। সেই কাৰণেই শাওণ মাহক মহাদেৱৰ মাহ বুলি অভিহিত কৰা হয়। এই মাহত বিশেষকৈ শাওণৰ সোমবাৰৰ ব্ৰত পালন কৰিলে মনোবাঞ্ছা পূৰণ, পাপক্ষয়, ৰোগমুক্তি আৰু ভগৱান শিৱৰ বিশেষ কৃপা লাভ হয় বুলি শিৱপুৰাণত উল্লেখ আছে। আধ্যাত্মিক আৰু নৈতিক দৃষ্টিকোণেৰে শাওণ মাহত উপবাস মানেই কেৱল খাদ্য ত্যাগ নহয়, এইটো আত্মসংযম, ধৈৰ্য্য আৰু মনৰ শুদ্ধতাৰ প্ৰশিক্ষণ। উপবাসৰ জৰিয়তে আনন্দ আৰু আৰামৰ আশ্ৰয় ত্যাগ কৰি ভগৱানৰ ওপৰত মন কেন্দ্ৰিত কৰা হয়। এই সময়ত ধ্যান, পৱিত্ৰ পুথি পাঠ, প্ৰাৰ্থনা আদিৰ দ্বাৰা আত্মিক উন্নতি সাধন হয়। বৈজ্ঞানিক দৃষ্টিকোণৰ পৰা চালে দেখা যায় শাওণ মাহত গ্ৰীষ্মৰ পাছত বৰষুণ অহাৰ লগে লগে বায়ুমণ্ডলত আৰ্দ্ৰতা বাঢ়ে, বিভিন্ন ৰোগ যেনে জ্বৰ, পেটৰ অসুখ আদি সহজে বৃদ্ধি পায়, পাচন ক্ষমতা কমে। সেয়েহে এই উপবাস শৰীৰৰ বিশ্ৰাম হিচাপে কাম কৰে। ফলত পাচনত সহায় হয়, শৰীৰ শুদ্ধ হয়, মানসিক শান্তিও অধিক লাভ হয়। সৰ্বোপৰি সততে সাধাৰণ, সহজপাচ্য, উদম খাদ্য গ্ৰহণ কৰাৰ বাবে শৰীৰ সুস্থ থাকে।

# মুখ্যমন্ত্ৰীলৈ মুকলি চিঠি


প্ৰথমতে মাননীয় অসমৰ মুখ্যমন্ত্ৰী মহোদয় লৈ মুকলি চিঠিৰ জৰিয়তে আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিছোঁ। এই চিঠিৰ দ্বাৰা কেইটামান কথা ক'ব বিচাৰিছোঁ।

১/ স্বাস্থ্য খণ্ডত অধিক গুৰুত্ব দিলে ভাল হ'ব। হস্পিতালত সমূহত ডাক্তৰ নাৰ্ছ সংখ্যা বঢ়াই দিব লাগে। ঔষধ পাতি বেছিকৈ যোগান ধৰিব লাগে। সাপ, মেকুৰী, কুকুৰে আদি জন্তু ই কামোৰীলে ঔষধ বেজী বিনামূলীয়াকৈ সকলো স্বাস্থ্য কেন্দ্ৰত উপলব্ধ হোৱাকৈ যোগান ধৰিব লাগে। লগতে ভেজাল ঔষধ সম্পূৰ্ণ ৰূপে বন্ধ কৰিব।

২/ কেঁচা শাক পাচলি গুৰুত্ব দিব লাগে। জানিব পৰা মতে য'ত ত ত ৰং কৰা পাচলি বিক্ৰী কৰে। সাৰৰ ব্যৱহাৰ ক্ষেত্ৰত মানুহৰ মাজত সজাগতা সভা পাতিব লাগে।

৩/ অসমীয়া ভাষা ৰক্ষা আৰু ব্যৱহাৰৰ স্বাৰ্থত গাঁৱে ভূঞে পুথিভঁৰাল গঢ়ি তুলিব লাগে। কিয়নো বৰ্তমান সময়ত লুপ্তপ্ৰায় অৱস্থা হৈ আহিছে।

৪/ বৰ্তমান সময়ত বহু পথ পকীকৰণ হৈছে। তাৰ বাবে ধন্যবাদ যাচিলো। কিন্তু মাননীয় মুখ্যমন্ত্ৰী মহোদয় এতিয়া ও অত তত বহু পথ হ'বলৈ বাকী আছে। আমি বহুত আবেদন নিবেদন কৰিও আজিলৈ সুফল পোৱা নাই। উদাহৰণ স্বৰূপে ৬০ নম্বৰ নহিৰা গাঁও পঞ্চায়তৰ দুই নম্বৰ শাখাৰ পথ দুটা বৰ বেয়া, বোকা পানীৰে ভৰা।



৫/ আমি প্ৰায় বাতৰি কাকত ম'বাইলত দেখা পায় থাকো বহুত ঠাইত নদীত দলঙ নাই। ছাত্ৰ-ছাত্ৰীয়ে নাও বা অন্য ধৰণে অহা-যোৱা কৰে। গতিকে সেইবোৰত গুৰুত্ব দিয়া দৰকাৰ।

৬/ চৰকাৰী বিদ্যালয়ত গুৰুত্ব দিব লাগে। কিহৰ বাবে নিজে শিক্ষক হৈ ব্যক্তিগত বিদ্যালয়ত নিজৰ ল'ৰা-ছোৱালী পঢ়াইছে। সেই বোৰ কথা বিশ্লেষণ কৰিব লাগে। বৰ্তমান সময়ত যিটো হাৰত বন্ধ হৈ আছে। মতামতি কেইবছৰমান ভিতৰত সমাপ্ত হ'ব। লগতে মাননিয় মুখ্যমন্ত্ৰী মহোদয়ক আৰু এটা কথা কওঁ এই যে চৰকাৰী বা বেচৰকাৰী কিছু বিদ্যালয় বন্ধ হ'ল। কিছুমান মাটিৰ মালিকে পুনৰ দখল কৰিবলৈ ধৰিছে। কাৰণ তেওঁলোকৰ পূৰ্বপুৰুষে মাটি দান দিছিল। গতিকে এইবোৰৰ ওপৰত দিয়াৰ প্ৰয়োজন আহি পৰিছে। তাত কিবা চৰকাৰী অনুষ্ঠান কৰিব পৰা যাব।

৭/ পৰিবেশৰ ওপৰত গুৰুত্ব অতি প্ৰয়োজন। ভাল পৰিবেশ নহ'লে মানুহ কেনেকৈ জীয়াই থাকিব। এতিয়া জানিব পৰা মতে শিলং বৰ্ণিহাটত সাংঘাতিক প্ৰদূষণ সৃষ্টি হৈছে। বহু কোম্পানী আছে। গতিকে ইয়াৰ খোজা নীলা আকাশ কলা কৰি পেলাইছে। সেয়ে মানুহৰ বেমাৰ আজাৰ বেছি হোৱা স্বাভাৱিক। এনেকৈ হ'লে কি হ'ব? গতিকে ইয়াৰ ওপৰত চৰকাৰে উচিত ব্যৱস্থা লওঁক। এটা কথা খাটাং যদি পৰিবেশৰ ওপৰত গুৰুত্ব নে দিয়ে। কম সময়ৰ ভিতৰতে গোটেই ৰাজ্যতে ইয়াৰ প্ৰভাৱ পৰিব। কাৰণ এতিয়া হিচাপ নকৰাকৈ যতে সুবিধা পাইছে। তাতে নানা ধৰণৰ কোম্পানী পাতিবলৈ অনুমতি দিছে। ভাল বেয়া গুণাগুণ কৰা নাই। য'ত পাতিছে তাত পানী অহা যোৱা খাল বা নলা আছিল নেকি? কোনো ধৰণৰ পৰীক্ষা নিৰীক্ষা নাই। কোৱা কথা, কিছু মানুহে কৰ্মসংস্থান পাব। কিন্তু কিমান মানুহৰ অসুবিধা হ'ব। সেইটো নাই। এনেধৰণৰচিন্তা কৰি আমি সচেতন নাগৰিকে দক্ষিণ কামৰূপৰ দৰাবিল গো চৰণীয়া পথাৰ সুৰক্ষা বাবে চৰকাৰ ওচৰত আপত্তি দৰ্শাই আছোঁ।

৮/ মাননীয় মুখ্যমন্ত্ৰী মহোদয় বৰ্তমান সময়ত সঘনাই হৈ থকা অভাৱ অভিযোগ ই ৰিস্কা সমূহৰ ওপৰত এটা সিদ্ধান্ত ল'ব লাগে। চলাচলৰ ওপৰত বাধা আৰোপ কৰিব নালাগে কিন্তু নীতি নিয়ম বান্ধি দিব লাগে। যাতে যিকোনো বয়সৰ লোকে চলাব নোৱাৰে। কাগজ পাতি লাইচেন্স প্ৰয়োজনীয়তা কথা উল্লেখ কৰিব লাগে। কাৰণ এতিয়া আৰু ই ৰিস্কা হৈ থকা নাই। বহু দুৰ দুৰণিলৈ যাব পৰা ব্যৱস্থা হৈছে। এটা কথা লক্ষ্য কৰিব কিছু মানুহে ওজৰ আপত্তি কৰিছে কিন্তু হাজাৰ হাজাৰ মানুহে দৈনিক ই ৰিস্কাত উঠি আছে। এই ক্ষেত্ৰত আকৌ ক'ব পাৰি নিবনুৱা সমস্যা সমাধান হৈ আছে।

৯/ মাননীয় মুখ্যমন্ত্ৰী মহোদয় আমাৰ গাৱে ভূঞে বহু বাট পথ আগতকৈ ভাল হৈছে। কিন্তু সেই হিচাপে দুয়ো কাষে পানী অহা-যোৱা কৰা নলাৰ ব্যৱস্থা হৈ উঠা নাই। যাৰ বাবে অলপ বৰষুণতে ৰাষ্টা ভৰি যায়। যদি নলাৰ সু ব্যৱস্থা নাথাকে তেতিয়া হ'লে পথটো ভঙা ছিঙা হ'ব ই। সেয়ে য'তেই নহ ও ক দুইটা কাম একে লগে নকৰিলে অৰ্থহীন হৈ যায়। কাৰণ আমি দেখি আছোঁ ৰাষ্টাৰ কাম কৰে কিন্তু নলাৰ ক্ষেত্ৰত কোনো গুৰুত্ব নে দিয়ে।

১০/ মাননীয় মুখ্যমন্ত্ৰী মহোদয় আজি প্ৰায় তিনি বছৰ মান হ'ল বহু দিব্যাংগ ল'ৰা ছোৱালীৰ মাহিলী পেন্সন বন্ধ হৈ আছে। কিহৰ বাবে তেওঁ লোকৰ এহাজাৰ টকাটো বঞ্চিত হ'ব লগা হ'ল।

১১/ মাননীয় মুখ্যমন্ত্ৰী মহোদয় বৰ্তমান সময়ত হৈ থকা হাতী মানুহৰ সংঘাত বৃদ্ধি পাই আছে। বিশেষকৈ আমি দেখা পায় থকা দৈনিক বনৰীয়া হাতীৰ উৎপাত বেছি হৈছে। আমাৰ পলাশবাৰী সমষ্টিত বহুত ভয় লগা পৰিবেশ সৃষ্টি হৈছে। বহু মানুহৰ ঘৰ দুৱাৰ উবাল ভাঙি চিঙি ভৰালৰ ধান খাই তহিলং কৰিছে। তাতকৈ দুখৰ কথা নাই। সেয়ে ইয়াৰ ওপৰত সু ব্যৱস্থা লওঁক।

১২/ মাননীয় মুখ্যমন্ত্ৰী মহোদয় সদৌ শেষত আপোনাৰ ওচৰত অনুৰোধ জনালোঁ। অসম কঁপাই যোৱা মৃত্যু। অসমৰ হাৰ্টথ্ৰব জুবিন গাৰ্গৰ ন্যায় বিচাৰখন সোনকালে হোৱা কামনা কৰিলোঁ। অসমৰ বাইজে অপেক্ষা কৰি আছে।

*বিপুল চন্দ্ৰ দাস*
*নহিৰা গাঁও, দক্ষিণ কামৰূপ*
*দূৰভাষ ঃ ৮০১১৫১৯৫১৬*

# ডিব্ৰুগড়ৰ অন্যতম আকৰ্ষণীয় স্থান ডিটিপি ডাইক (DTP Dyke) আৰু কিছু চিন্তা

**প্ৰাৰ্থনা সন্দিকৈ**

অসমৰ পূব প্ৰান্তত অৱস্থিত এক গুৰুত্বপূৰ্ণ নগৰ হিচাপে ডিব্ৰুগড়ৰ বিশেষ পৰিচয় আছে। ব্ৰহ্মপুত্ৰ নদীৰ দক্ষিণ পাৰে থকা এই ঐতিহাসিক চহৰখন 'চাহ-নগৰী' হিচাপেও জনাজাত। প্ৰাকৃতিক সৌন্দৰ্য, প্ৰাচীন ঐতিহ্য, নদীকেন্দ্ৰিক জীৱনধাৰা আৰু সেউজীয়া পৰিৱেশে ডিব্ৰুগড়ক অসমৰ অন্যতম আকৰ্ষণীয় পৰ্যটনস্থল হিচাপে গঢ়ি তুলিছে। এই চহৰৰ বহু আকৰ্ষণীয় পৰ্যটনস্থলীৰ ভিতৰত ডিব্ৰুগড় নগৰ সুৰক্ষা বান্ধ(Dibrugarh Town Protection)চুক্তি ডিটিপি ডাইক্ (DTP Dyke) বিশেষভাৱে উল্লেখযোগ্য। ব্ৰহ্মপুত্ৰৰ পাৰত নিৰ্মিত এই বান্ধ কেৱল বান নিয়ন্ত্ৰণৰ বাবে গ্ৰহণ কৰা এক প্ৰযুক্তিগত ব্যৱস্থাই নহয়; বৰ্তমান ই হৈছে ডিব্ৰুগড়ৰ সামাজিক, সাংস্কৃতিক আৰু পৰ্যটন কেন্দ্ৰৰ এক গুৰুত্বপূৰ্ণ অংশ। একেদৰে বৰ্তমান ডিটিপি ডাইকক কেন্দ্ৰ কৰি পৰিৱেশ সংৰক্ষণ, নদী প্ৰদূষণ, জৈৱ - বৈচিত্ৰ্য ৰক্ষা আৰু নগৰ উন্নয়নৰ দৰে বহু গুৰুত্বপূৰ্ণ বিষয়ৰ ওপৰতো চিন্তা-চৰ্চা কৰাৰ বাট মুকলি হৈছে। ডিটিপি ডাইক্ মূলতঃ ব্ৰহ্মপুত্ৰৰ প্ৰবল গৰাখহনীয়া আৰু বানৰ পৰা ডিব্ৰুগড় চহৰক সুৰক্ষা দিয়াৰ উদ্দেশ্যে নিৰ্মাণ কৰা হৈছিল। ১৯৫০ চনৰ বৰভুঁইকঁপৰ পাছত ব্ৰহ্মপুত্ৰ নদীৰ বানপানী আৰু গৰাখহনীয়া সমস্যাৰ বাবে ডিব্ৰুগড় চহৰ বৰ বেয়াকৈ ক্ষতিগ্ৰস্ত হৈছিল। চহৰখনৰ এই সমস্যাক আঁতৰ কৰাৰ বাবে সেই সময়ৰ চৰকাৰখনে এই সুৰক্ষা বান্ধটি নিৰ্মাণ কৰিছিল। ১৯৫০ ৰ পাছত এই বান্ধটি নিৰ্মাণ কৰাৰ পৰৱৰ্তী সময়ত পুনৰ নিৰ্মাণৰ বাবে কোনোধৰণৰ উদ্যোগ গ্ৰহণ নকৰাৰ ফলত ই জৰাজীৰ্ণ ৰূপ লৈছিল। যোৱা ২০১৩-২০১৪ চনত এই বান্ধৰ পুনৰ নিৰ্মাণৰ কাম আৰম্ভ কৰা হয় আৰু ২০১৭ চনত এই কাম সমাপ্ত হয়। সু পৰিকল্পিত ৰূপত পুনৰ নিৰ্মাণ কৰা প্ৰায় ৮.৫ কি.মি দৈৰ্ঘ্যৰ এই বান্ধে বিগত সময়ছোৱাত ডিব্ৰুগড় চহৰক সম্ভাব্য বানপানী সমস্যাৰ পৰা সুৰক্ষা প্ৰদান কৰি আহিছে। অতীতত ব্ৰহ্মপুত্ৰৰ প্ৰচণ্ড সোঁত আৰু খহনীয়াই ডিব্ৰুগড়ৰ বিস্তৃত অঞ্চল ক্ষতিগ্ৰস্ত কৰিছিল। সেয়েহে চহৰখনৰ অস্তিত্বক সুৰক্ষিত কৰি ৰাখিবলৈ চৰকাৰী পৰ্যায়ত ডাইক্ নিৰ্মাণৰ ব্যৱস্থা গ্ৰহণ কৰা হয়। কালক্ৰমত এই ডাইক্ কেৱল এক সুৰক্ষা প্ৰকল্প হৈ নাথাকি জনসাধাৰণৰ অৱসৰ বিনোদন, ব্যায়াম, সামাজিক সম্পৰ্ক গঢ়া আৰু পৰ্যটনৰ এক গুৰুত্বপূৰ্ণ স্থানলৈ পৰিণত হ'ল। ডিটিপি ডাইকৰ আটাইতকৈ প্ৰধান আকৰ্ষণ হৈছে ইয়াৰ মনোমোহা প্ৰাকৃতিক পৰিৱেশ। ডাইকৰ ওপৰত থিয় হৈ অথবা খোজ কাঢ়ি বিশাল ব্ৰহ্মপুত্ৰৰ বিস্তৃত জলৰাশি, দূৰৈত দেখা পোৱা নৈৰ মাজে মাজে থকা বালিচৰসমূহ, উত্তৰ-পূব পাৰে অৱস্থিত অসম-অৰুণাচল সীমান্তৰ সুউচ্চ পাহাৰবোৰৰ মনোমোহা প্ৰাকৃতিক পৰিৱেশ আৰু অস্তগামী সূৰুযৰ মনোৰম দৃশ্য উপভোগ কৰিব পাৰি। বিশেষকৈ সূৰ্যাস্তৰ সময়ত আকাশত ডাৱৰৰ পৰিৱৰ্তন আৰু নদীৰ বুকুত তাৰ প্ৰতিফলনে এক অপূৰ্ব দৃশ্যৰ সৃষ্টি কৰে। এই দৃশ্যই কেৱল পৰ্যটককেই নহয়, স্থানীয় লোকসকলকো প্ৰতিদিনেই আকৰ্ষিত কৰি আহিছে। ফলস্বৰূপে প্ৰতিদিনে অসংখ্য লোকে খোজ কাঢ়িবলৈ, শৰীৰচৰ্চা কৰিবলৈ অথবা মনৰ প্ৰশান্তি বিচাৰি এই ঠাইলৈ আহে। ডিটিপি ডাইক্ ডিব্ৰুগড় চহৰৰ সামাজিক জীৱনৰো এক গুৰুত্বপূৰ্ণ অংশ। ইয়াত প্ৰতিদিনেই বিভিন্ন বয়সৰ লোক একত্ৰিত হয়। পুৱা আৰু সন্ধিয়াৰ সময়ত স্বাস্থ্য সচেতন লোকসকলে ইয়াত খোজ কাঢ়ে, দৌৰে অথবা ব্যায়াম কৰে। বহু শিক্ষাৰ্থী আৰু যুৱক-যুৱতীয়ে বন্ধু-বান্ধৱীৰ সৈতে সময় অতিবাহিত কৰিবলৈয়ো ইয়ালৈ আহে। উৎসৱ-পাৰ্বণ, সাংস্কৃতিক অনুষ্ঠান অথবা বিশেষ দিনসমূহতো এই ডাইক এলেকা বিশেষভাৱে ব্যস্তপূৰ্ণ হৈ উঠে। সেয়েহে ইয়াক কেৱল এক পৰ্যটনস্থলীয়েই নহয়, ই সমাজৰ বিভিন্ন স্তৰৰ মানুহৰ মাজত সম্পৰ্ক গঢ়ি তোলাতো এক মাধ্যম হিচাপে কাম কৰি আহিছে।



# ড্ৰাগছ সৰবৰাহকাৰী আৰু ড্ৰাগছ সেৱনকাৰীৰ বিৰুদ্ধে সৰৱ নাহৰকটীয়া নাগৰিক সমিতি

**অসম বাৰ্তা, নাহৰকটীয়া, ১৬ জুন** ঃ ৰাজ্যত ভয়াবহ ভাবে বৃদ্ধি পাবলৈ ধৰা নিষিদ্ধ ড্ৰাগছে ক্ৰমান্বয়ে গ্ৰাস কৰিছে নাহৰকটীয়াকো। উল্লেখ্য যে ধন উপাৰ্জনৰ সহজ পথ হিছাপে বাছি লোৱা সমষ্টিটোৰ একাংশ অসাধু লোক আৰু বিপথগামী এচাম ড্ৰাগছ সেৱনকাৰী যুৱ প্ৰজন্মৰ পৃষ্ঠপোষকতাত মহামাৰী সদৃশ এই মাৰাত্মক ড্ৰাগছৰ সৰ্বজনীন আৰু মুকলি বেহা এখন ভয়াবহভাবে সমষ্টিটোৰ চহৰ-নগৰ গাঁও সকলোতে গঢ় লৈ উঠাত সন্ত্ৰস্ত হৈ পৰিছে অভিভাৱক সকলৰ লগতে নাহৰকটীয়াৰ সচেতন ৰাইজ। পৰিপ্ৰেক্ষিতত বুধবাৰে নাহৰকটীয়াৰ ড্ৰাগছ সেৱনকাৰী আৰু সৰবৰাহকাৰীক কঠোৰ সকীয়নী প্ৰদান কৰি নাহৰকটীয়া আৰক্ষী থানাৰ নাগৰিক সমিতিয়ে সভাপতি গকুল বৰাৰ সভাপতিত্বত এখন সজাগতা সভাৰ অনুষ্ঠিত কৰে। চাচনীৰ খাটোৱা নামঘৰৰ প্ৰেক্ষাগৃহত নাহৰকটীয়া আৰক্ষী থানাৰ নাগৰিক সমিতি তথা গাঁৱৰক্ষী বাহিনী আৰু স্থানীয় ৰাইজৰ উদ্যোগত আয়োজিত ড্ৰাগছ বিৰোধী সজাগতা সভাখনত নাগৰিক সমিতিৰ সভাপতি গকুল বৰাই ভাষণ প্ৰদান কৰি কয় 'ভৱিষ্যতৰ সমাজ, দেশ আৰু জাতিৰ বিপুল সম্ভাৱনাময় এচাম ডেকা প্ৰজন্মই নিষিদ্ধ মাদকদ্ৰব্য সেৱন কৰি নিজকে নিঃশেষ কৰাৰ লগতে ঘৰখন, গাঁওখন তথা সামগ্ৰীকভাবে সমাজখনলৈ এক ভয়াবহ দুঃভাৱনা কঢ়িয়াই আনিছে। দুৰ্ভাগ্যৰ কথা নৱপ্ৰজন্মৰ এনে চাৰিত্ৰিক স্খলনে ঘৰখনৰ লগতে এটা জাতিৰ ভৱিষ্যত নিৰ্মাণত প্ৰচণ্ডভাৱে আঘাত সানিব।' তেখেতে লগতে এই অনাকাংক্ষিত দুৰ্যোগৰ পৰা নিচা আসক্ত প্ৰজন্মক আঁতৰাই আনি এক সুষ্ঠিৰ পৰিবেশ গঢ়ি তুলিবলৈ অভিভাৱক, দল সংগঠন তথা সমাজৰ সকলো পৰ্যায়ৰ লোককে সজাগ হবলৈ আহ্বান জনাই। আনহাতে সভাত উপস্থিত থকা সৰ্বসাধাৰণ তথা দল সংগঠনৰ প্ৰতিনিধিয়ে ড্ৰাগছৰ ভয়াবহতা আৰু অভিভাৱকসকলৰ সচেতনতা বৃদ্ধি কৰাৰ বিষয়ত সজাগতামূলক কাৰ্যসূচী সমষ্টিটোৰ সকলো প্ৰান্ততে যোৰদাৰ কৰাৰ লগতে ড্ৰাগছ সৰবৰাহকাৰী আৰু আসক্ত সকলৰ ওপৰত কঠোৰ ব্যৱস্থা গ্ৰহণেৰে ড্ৰাগছ মুক্ত নাহৰকটীয়া ৰূপে সমষ্টিটোক গঢ়ি তুলিবলৈ স্থানীয় প্ৰশাসন, আৰক্ষী প্ৰশাসন আৰু নাগৰিক সমিতিক আহ্বান জনায়। সভাৰ শেষত গাঁও প্ৰধান সকল, গাঁৱৰক্ষী বাহিনী, শিক্ষক সমাজ, গাঁও পঞ্চায়তৰ নিৰ্বাচিত প্ৰতিনিধি সকলে ড্ৰাগছ-ভাং সেৱন আৰু সৰবৰাহকাৰীক চিনাক্ত কৰি পুলিচ প্ৰশাসনক গটাই দিয়া, গাঁৱে গাঁৱে ড্ৰাগছ বিৰোধী সজাগতা সভা অনুষ্ঠিত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়। এই সভাত নাহৰকটীয়া সম-জিলাৰ কাৰ্যবাহী দণ্ডাধীশ মেৰী ৰালচুন, ৰাজহ চক্ৰ বিষয়া ভাস্কৰ তালুকদাৰ, নাগৰিক সমিতিৰ জিলা আৰক্ষী অধীক্ষকৰ প্ৰতিনিধি তথা নাহৰকটীয়া মহাবিদ্যালয়ৰ অধ্যক্ষ ড° জ্যোতিপ্ৰসাদ কোঁৱৰ, নাহৰকটীয়া সম-জিলাৰ আৰক্ষী অধীক্ষক প্ৰাণজিৎ দাস আৰু সভাখনৰ মূল উদ্যোক্তা নাহৰকটীয়া আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া মনোৰঞ্জন ৰাজখোৱা আমগুৰি গাঁও পঞ্চায়তৰ সভাপতি বিশ্ব গগৈ, আঞ্চলিক পঞ্চায়তৰ সদস্য পল্লৱ গগৈ, গাঁও ৰক্ষী বাহিনীৰ প্ৰতিনিধি তথা নাগৰিক সমিতিৰ বিষয়া হৰেন কলিতা, টুখেশ্বৰ ধাদুমীয়া, কৰিতা হাজৰীকা সহ স্থানীয় ১০খন গাঁৱৰ প্ৰতিনিধিমূলক ভাবে সামাজ হিতৈষী ব্যক্তি সকল উপস্থিত থাকে।

**মাকুম সমষ্টিত ঝুমইৰ আৰু ঢোল-বাদন কৰ্মশালাৰ উদ্বোধন**

# তিনিচুকীয়াৰ ছটা বিধানসভা সমষ্টিত গ্ৰীষ্মকালীন বিশেষ কৰ্মশালাৰ শুভাৰম্ভ

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, তিনিচুকীয়া, ১৬ জুন** ঃ অসম চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত আৰু তিনিচুীয়া জিলা প্ৰশাসনৰ সহযোগত তিনিচুকীয়া জিলাৰছটা বিধানসভা সমষ্টি ভিত্তিত ২০২৬ বৰ্ষৰ গ্ৰীষ্মকালীন বিশেষ কৰ্মশালা অনুষ্ঠিত কৰা হৈছে। ইয়াৰ অংশ হিচাপে মাকুম সমষ্টিৰ নয়নজ্যোতি কলা-কৃষ্টি সংঘৰ উদ্যোগত তথা বিধায়ক সঞ্জয় কিষাণৰ গৃহ ভূমি ধেলাখাট চাহ-বাগিচাৰ প্ৰাথমিক বিদ্যালয়ত এক উদুলি মুদুলি পৰিৱেশত ঝুমইৰ আৰু ঢোল বাদন বিষয়ক বিশেষ কৰ্মশালাৰ শুভাৰম্ভ কৰা হয়। ঝুমইৰৰ সমল ব্যক্তি আমি কিষাণৰ নেতৃত্বত পৰিচালনা হ'বলগীয়া কৰ্মশালাখনৰ উদ্বোধনী অনুষ্ঠানৰ আঁত ধৰে ধেলাখাট চাহ বাগিচা প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক মেঘনাথ গড়ে। সভাত মাকুম বিধান সভা সমষ্টিৰ বিধায়ক সঞ্জয় কিষাণৰ প্ৰতিনিধি হিচাপে ভাৰতীয় জনতা দলৰ গুইজান মণ্ডলৰ সভাপতি গিৰাজ বৰুৱা, সম্পাদক মুৰুলীধৰ গুপ্তা আৰু লগতে সমগ্ৰ শিক্ষা তিনিচুকীয়াৰ জিলা আঁচনি বিষয়া ত্ৰিদিব শৰ্মা তামোলী, খণ্ড সমল ব্যক্তি দুৰ্জয় লোচন চেতিয়া, প্ৰশিক্ষক হিচাপে অনাতাঁৰ শিল্পী বলদেব নাগ, মকৰ সিং ভূমিজৰ লগতে বহু গণ্য মান্য ব্যক্তি উপস্থিত থাকে। অনুষ্ঠানত ভাষণ প্ৰদান কৰি ত্ৰিদিব শৰ্মা তামোলীয়ে কয়, "ঝুমইৰ হৈছে চাহ জনগোষ্ঠীৰ ঐতিহ্যবাহী লোক-সংস্কৃতিৰ এক উজ্জ্বল নিদৰ্শন। ঢোল বাদনকে ধৰি এনে লোক-সাংস্কৃতিক কৰ্মশালাই নতুন প্ৰজন্মক অসমৰ সমৃদ্ধ সংস্কৃতি আৰু ঐতিহ্যৰ সৈতে অধিক ওচৰ চপাই আনে। ইয়াৰ জৰিয়তে শিশুসকলৰ গ্ৰীষ্মকালীন বন্ধৰ সময়ছোৱাত এনে কৰ্মশালাত অংশগ্ৰহণ কৰি সুপ্ত প্ৰতিভা বিকাশ, সৃষ্টিশীলতা, আত্মবিশ্বাস আৰু সামাজিক মূল্যবোধ গঢ়ি তোলাৰ ক্ষেত্ৰত বিশেষভাৱে লাভৱান হ'ব বুলি আশা কৰা হৈছে।" সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উপ-সচিবৰ ৩ জুলাইৰ চৰকাৰী পত্ৰৰ ভিত্তিত জাৰি কৰা নিৰ্দেশনা অনুসৰি তিনিচুকীয়া, মাকুম, ডিগবৈ, মাৰ্ঘেৰিটা, ডুমডুমা আৰু শদিয়া- এই ছয়টা বিধানসভা সমষ্টিত মুঠ ১২টা স্থানত গ্ৰীষ্মকালীন বিশেষ কৰ্মশালা ১৫ জুলাইৰ পৰা ৩১ জুলাইলৈ অনুষ্ঠিত হৈছে। জিলাখনৰ বিভিন্ন সাংস্কৃতিক সংগঠন আৰু বেচৰকাৰী সংস্থাৰ সহযোগত আয়োজিত এই কৰ্মশালাসমূহত ভূপেন হাজৰিকাৰ গীত, লোকনৃত্য, সত্ৰীয়া নৃত্য, নাট্য আৰু অভিনয়, আবৃত্তি, যোগ আৰু ধ্যান, ঝুমুইৰ-ঢোল বাদন, টেৰাকোটা শিল্প আদি বিষয়ত প্ৰশিক্ষণ প্ৰদান কৰা হৈছে। এই কৰ্মশালাসমূহ পৰিচালনাৰ দায়িত্ব লাভ কৰা সংগঠনসমূহৰ ভিতৰত নৃত্যাঙ্গন কলা কেন্দ্ৰ, মণিকাঞ্চন সাংস্কৃতিক মঞ্চ, সূৰ্যোদয়, নয়নজ্যোতি কলা-কৃষ্টি সংঘ, লাইট ফৰ লাইফ, সংযোগ আৰু উৎস অন্যতম। জিলাখনৰ বিভিন্ন বিদ্যালয়, সাংস্কৃতিক ভৱন আৰু ৰাজহুৱা স্থানত অনুষ্ঠিত এই কৰ্মশালাসমূহৰ জৰিয়তে শিশু-কিশোৰ আৰু যুৱ প্ৰজন্মক সৃষ্টিশীল কাৰ্যকলাপৰ সৈতে জড়িত কৰাৰ লগতে অসমৰ সমৃদ্ধ লোক-সংস্কৃতি আৰু ঐতিহ্যৰ সৈতে অধিক ঘনিষ্ঠভাৱে পৰিচয় কৰাই দিয়াৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে। উল্লেখ্য যে, ১৫ জুলাইৰ পৰা আৰম্ভ হোৱা এই গ্ৰীষ্মকালীন বিশেষ কৰ্মশালাসমূহ ২৯, ৩০ আৰু ৩১ জুলাইত বিভিন্ন সমষ্টিত সামৰণি পৰিব। অংশগ্ৰহণকাৰীসকলে নিজ নিজ সমষ্টিৰ নিৰ্ধাৰিত স্থানত বিনামূলীয়াকৈ এই প্ৰশিক্ষণ গ্ৰহণ কৰাৰ সুযোগ লাভ কৰিছে।

# অবৈধ কয়লা ব্যৱসায় আৰু এণ্ট্ৰী ছিণ্ডিকেট সন্দৰ্ভত সৰৱ আন্তঃৰাষ্ট্ৰীয় মানৱ অধিকাৰ পৰিষদৰ তিনিচুকীয়া জিলা সমিতি

**অসম বাৰ্তা বিশেষ, পেঙেৰী, ১৬ জুন** ঃ আন্তঃৰাষ্ট্ৰীয় মানৱ অধিকাৰ পৰিষদৰ তিনিচুকীয়া জিলা সমিতিৰ সাধাৰণ সম্পাদক এল্ ৰতন সিঙে এক প্ৰেছ বিজ্ঞপ্তিযোগে জনাইছে যে, মাৰ্ঘেৰিটা মহকুমাৰ অন্তৰ্গত কয়লা বেল্টত বিগত কেইবাবছৰ ধৰি চলি থকা তথাকথিত অবৈধ কয়লা ব্যৱসায়ৰ ওপৰত সমিতিয়ে চলাই অহা বিশেষ তদন্তৰ কেতবোৰ তথ্য প্ৰকাশ কৰা হৈছে। সমিতিৰ অভিযোগ অনুসৰি কয়লা মাফিয়া বি গণেশৰ নেতৃত্বত চলি থকা 'এণ্ট্ৰী চিষ্টেম'ৰ জৰিয়তে বৃহৎ পৰিসৰত অবৈধ কয়লা সৰবৰাহ চলি আছে। লিডুৰ ইটাখোলা অঞ্চলত ক'ল ইণ্ডিয়াৰ অধীনত থকা পৰিত্যক্ত খনিৰ পৰা মুক্তভাবে এভেৈটৰৰ দ্বাৰা খনন ও ৰেটহল মাইনিং স্থাপনেৰে কয়লা সংগ্ৰহ কৰি বিভিন্ন বাহনত সৰবৰাহ কৰা হোৱা বুলি অভিযোগ উত্থাপন কৰিছে। অভিযোগ অনুসৰি, প্ৰতিদিনে ইটাখোলা টাৰ্ণিংপইণ্টৰ পৰা ৰে'ল লাইন পাৰ হৈ ডাম্পাৰ, মে' পিক-আপ আদি বাহনত অবৈধ কয়লা সৰবৰাহ কৰে। লগতে দ্বীপ মাইন, মুলুং পাহাৰ, কালাসুৰি, লালসুৰি, তামোল বাগান, কনফাৰেন্স ফিল্ড আদিৰ পৰা কয়লা অনা হয় বুলিও অভিযোগত উল্লেখ কৰিছে। এজন কয়লা মাফিয়াই ক'ল ইণ্ডিয়াৰ এজন বিতৰ্কিত বিষয়াৰ সহযোগত এই অবৈধ চোৰাং কয়লা ব্যৱসায় পৰিচালনা কৰি অহাৰ অভিযোগ দীৰ্ঘদিনীয়া বুলি কৈ সেই কয়লাৰ জৰিয়তে পাঁচটাকৈ ইটা ভাটা চলি থকা বুলিও এক গুৰুতৰ অভিযোগ উত্থাপন কৰিছে। তেওঁলোকৰ অভিযোগ অনুসৰি, জনৈক এম ডি, খান, আনোৱাৰ, ৰামা, বিমল, ঝাপে, বিকাশ, বগী, গুনী, কুলদীপ, শ্যাম, ছহিদৰ লগতে বহু কেইগৰাকী বিতৰ্কিত চোৰাং কয়লা ব্যৱসায়ীৰ নামত মুক্ত খনন আৰু ৰেটহল মাইনিং পৰিচালিত হৈছে। সমিতিয়ে প্ৰেছবাৰ্তা যোগেদি আন এক অভিযোগ উত্থাপন কৰিছে যে, সমগ্ৰ এণ্ট্ৰী ব্যৱস্থাটো ইটাখোলাৰ এখন ধাবাৰ পৰা নিয়ন্ত্ৰিত হয়। তদন্তৰ খাতিৰত নাম প্ৰকাশৰ পৰা বিৰত থাকি অভিযোগত কোৱা হৈছে যে, উল্লিখিত ধাবাৰ নাম, কয়লাৰ বাবত এণ্ট্ৰি লোৱা ব্যক্তিৰ নাম, সংগৃহীত ধনৰ পৰিমাণ আৰু কোন কোন ইটা ভাটালৈ অবৈধ কয়লা যোগান ধৰা হয়, সেই সম্পৰ্কে বিস্তৃত তথ্য অচিৰেই ৰাজহুৱা কৰা হ'ব। সমিতিৰ সকীয়নি, সময় থাকোঁতেই যদি জিলা প্ৰশাসন, উত্তৰ-পূৱ কয়লাক্ষেত্ৰ, বন বিভাগ, আৰক্ষী প্ৰশাসন আৰু ৰে'লৱে বিভাগে সঠিক তদন্তৰে উচিত ব্যৱস্থা গ্ৰহণ নকৰে তেন্তে পৰৱৰ্তী পৰ্যায়ত প্ৰতিবাদী কাৰ্যসূচী হাতত লবলৈ তেওঁলোক বাধ্য হ'ব। লগতে আন্তঃৰাষ্ট্ৰীয় মানৱ অধিকাৰ পৰিষদ, তিনিচুকীয়া জিলা সমিতিয়ে পৰৱৰ্তী সময়ত তথ্য প্ৰমাণ সহকাৰে দেশৰ ৰাষ্ট্ৰপতি আৰু প্ৰধানমন্ত্ৰীৰ ওচৰত বিস্তৃত প্ৰতিবেদন দাখিল কৰি হস্তক্ষেপৰ দাবী উত্থাপন কৰাৰো নিশ্চিতি প্ৰদান কৰিছে।

# দৈমুখীয়া চাহ বাগিচাত গ্ৰীষ্মকালীন কৰ্মশালা আৰম্ভ


**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, তিনিচুকীয়া, ১৭ জুলাই** ঃ অসম চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত, তিনিচুকীয়া জিলা প্ৰশাসনৰ সহযোগত, জিলাখনৰ এক অগ্ৰণী নাট্য ও সংস্কৃতি চৰ্চাৰ অনুষ্ঠান 'উৎস-অসম'ৰ তত্ত্বাৱধানত তথা দৈমুখীয়া চাহ বাগিচাবাসী ৰাইজৰ আতিথ্যত ১৬ জুলাইত বিধানসভা সমষ্টি ভিত্তিত আয়োজিত ১৫ দিনীয়া 'গ্ৰীষ্মকালীন কৰ্মশালা'ৰ 'শুভ-উদ্বোধনী অনুষ্ঠান' ডুমডুমা বিধানসভা সমষ্টিৰ অন্তৰ্গত দৈমুখীয়া চাহ বাগিচা ষ্টাফ ক্লাবত সফলতাৰে সম্পন্ন হৈ যায়। চাহবাগিচাৰ ছাত্ৰ-ছাত্ৰীসকলৰ মানসিক উৎকৰ্ষ সাধন, বৌদ্ধিক বিকাশ তথা সাংস্কৃতিক ক্ষেত্ৰখনত আগবঢ়াই নিয়াৰ উদ্দেশ্য আগত ৰাখি, 'সত্ৰীয়া নৃত্য' আৰু 'কবিতা আবৃত্তি' বিষয় দুটি লৈ আগবঢ়া কৰ্মশালাখনিত প্ৰথম দিনা ৫০ ৰো অধিক প্ৰশিক্ষাৰ্থীৰ উৎসাহপূৰ্ণ অংশগ্ৰহণে এক বিশেষ তাৎপৰ্য বহন কৰাৰ লগতে, এক সুন্দৰ সাংস্কৃতিক বাতাবৰণৰো সৃষ্টি কৰে। বন্তি প্ৰজ্বলন, সুধাকণ্ঠ ড° ভূপেন হাজৰিকা আৰু হিয়াৰ আমঠু জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত শ্ৰদ্ধাঞ্জলি জ্ঞাপন তথা অসম সংগীতেৰে আৰম্ভ হোৱা উদ্বোধনী অনুষ্ঠানটিত উপস্থিত থাকে - প্ৰশিক্ষকদ্বয় ক্ৰমে সত্ৰীয়া বিশাৰদ দীপক মুড়া, কবি-সাংস্কৃতিক কৰ্মী বৰ্ণালী শ্যাম, 'উৎস-অসম'ৰ পৰিচালক তথা বিশিষ্ট নাট্যকৰ্মী বিপুল ফুকন, দৈমুখীয়া চাহ বাগিচাৰ জ্যেষ্ঠ পৰিচালক বৈকুণ্ঠ শইকীয়া, মানখোৱা গাঁও পঞ্চায়তৰ প্ৰাক্তন সভানেত্ৰী টুটুমণি মৰাণ, কবি তথা সাংস্কৃতিক কৰ্মী হেমন্ত শ্যাম, গৌতম মেধি, সাংস্কৃতিক কৰ্মী নমিতা বৰা ডেকা, অভ্যৰ্থনা সমিতিৰ আহ্বায়ক ৰাজু গোৱালা, ইন্দ্ৰজিৎ গোৱালা তথা কৰ্মশালাখনিৰ তত্ত্বাৱধায়ক ও গ্ৰীষ্মকালীন কৰ্মশালাৰ সমষ্টি সমিতিৰ সদস্যদ্বয় নয়ন ডেকা আৰু ৰাজীৱ শৰ্মা। শেষত, উপস্থিত ৰাইজে 'গ্ৰীষ্মকালীন কৰ্মশালা'ৰ দৰে এক পদক্ষেপ গ্ৰহণ কৰাৰ বাবে অসমৰ মাননিয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন অসম চৰকাৰক ধন্যবাদ জ্ঞাপন কৰাৰ লগতে, সমষ্টিটোত পোন-প্ৰথমবাৰৰ বাবে চাহ-বাগিছা অঞ্চলত এই কৰ্মশালা অনুষ্ঠিত কৰাৰ বাবে অসম চৰকাৰৰ প্ৰাক্তন কেবিনেট মন্ত্ৰী তথা ডুমডুমা বিধানসভা সমষ্টিৰ বৰ্তমানৰ বিধায়ক ৰূপেশ গোৱালাক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰে।

**সকলো কৃষকক কৃষক পঞ্জীয়ন, ফচল বিমা কৰিবলৈ আহ্বান মৰিগাঁও জিলা কৃষি বিষয়াৰ**

# কৃষক পৰিষদৰ উদ্যোগত ভূৰাগাঁও বৰডোবাটুপত কৃষক সভা; ছজন আদৰ্শ কৃষকক সম্বৰ্ধনা

**অসম বাৰ্তা, ভূৰাগাঁও, ১৬ জুন** ঃ মৰিগাঁও জিলাৰ ভূৰাগাঁৱৰ বৰডোবাটুপ পঞ্চায়ত সভা গৃহত আজি এখন কৃষক সভা অনুষ্ঠিত হয়। অসম গণ পৰিষদৰ ভাতৃ সংগঠন অসম কৃষক পৰিষদৰ তত্ত্বাৱধানত মৰিগাঁও জিলা কৃষক পৰিষদৰ উদ্যোগত দুই শতাধিক কৃষকৰ উপস্থিতিত কৃষক সভা খনি অনুষ্ঠিত হয়। সভাখনত সভাপতিত্ব কৰে অগপৰ মৰিগাঁও জিলা সমিতিৰ সভাপতি ৰাজেন বৰাই। অগপৰ কেন্দ্ৰীয় কাৰ্যনিবাহক আনোৱাৰ হুছেইনে আঁত ধৰা সভাখনত উপস্থিত থাকে অসম কৃষক পৰিষদৰ কেন্দ্ৰীয় সমিতিৰ সভাপতি পৰেশ চন্দ্ৰ বৈশ্য, সম্পাদক শান্তনু শৰ্মা, অগপৰ মৰিগাঁও জিলা সমিতিৰ সভাপতি ৰাজেন বৰা, যুৱ পৰিষদৰ কেন্দ্ৰীয় সম্পাদক অভিজিৎ বৰা, জিলা সম্পাদক বিজয় কুমাৰ নাথ, অঞ্জন জ্যোতি ডেকাকে প্ৰমোখ্য কৰি কৃষক পৰিষদৰ নেতৃস্থানীয় কেবাজনো লোক। কৃষক সভাৰ আৰম্ভণি কাৰ্যসূচী হিচাপে কৃষক সকলৰ সৈতে সজাগতামূলক এটি আলোচনা চক্ৰত মুখ্য আলোচক হিচাপে উপস্থিত থাকে মৰিগাঁও জিলা কৃষি বিষয়া দীলিপ বৰা, মৰিগাঁও জিলা কৃষি বিভাগৰ মহকুমা কৃষি বিষয়া মুছাহীদ ফাৰুকী, ভূৰাগাঁও কৃষি চক্ৰৰ উন্নয়ন বিষয়া পৰিণীতা খাৰঘৰীয়া, মিডিয়া বিশেষজ্ঞ গৌতম কুমাৰ নাথকে ধৰি বহু কেইগৰাকী লোক। জিলা কৃষি বিষয়া দীলিপ বৰাই সজাগতা মূলক আলোচনা আগবঢ়াই কৃষক পঞ্জীয়ন, ফছল বিমা, মাটিৰ উত্তৰাধিকাৰী নামজাৰি আদিৰ প্ৰয়োজনীয়তা আৰু কৃষক সকললৈ চৰকাৰে আগবঢ়োৱা বিভিন্ন আঁচনিৰ সুযোগ সুবিধা লাভ কৰাৰ ক্ষেত্ৰত থকা বিভিন্ন সমস্যা সমাধানৰ উপায় সন্দৰ্ভত, কৃষক সকলৰ সৈতে সবিস্তাৰে আলোচনা কৰে। কৃষি বিষয়া গৰাকীয়ে স্পষ্ট ভাৱে কয় যে কৃষক পঞ্জীয়ন কৰাটো এতিয়া কৃষক সকলৰ বাবে বাধ্যতামোলক। কৃষক পঞ্জীয়নৰ জৰিয়তে কৃষক সকলে লাভ কৰিব পাৰিব চৰকাৰে আগবঢ়োৱা বিভিন্ন আঁচনিৰ সুযোগ সুবিধা। ইয়াৰ অন্যথা কৃষি ক্ষেত্ৰত সকলো চৰকাৰী সুযোগ সুবিধাৰ পৰা বঞ্চিত হব লাগিব কৃষক। পঞ্জীয়নৰ ক্ষেত্ৰত যিকোনো অসুবিধাৰ সন্মুখীন হ'লে কৃষি বিভাগৰ কৰ্মচাৰীৰ সৈতে যোগাযোগ কৰিবলৈ আহ্বান জনাই জিলা কৃষি বিষয়া গৰাকীয়ে। লগতে জিলাখনত কৃষক পঞ্জীয়ন ১০০ শতাংশ কৰাৰ ক্ষেত্ৰত সকলো কৃষকৰ সহযোগ বিছাৰে তেওঁ। তদুপৰি ফছল বিমাৰ লাভালাভ সম্পৰ্কেও তেওঁ বিস্তিত ব্যাখ্যা আগবঢ়াই। এই সজাগতামূলক আলোচনাৰ পাছত সেই সভাতে কেবাজনো আদৰ্শ কৃষকক প্ৰেৰণা যোগোৱাৰ উদ্দেশ্যে সম্বৰ্ধনা জনোৱা হয়। উল্লেখ্য যে জিলা কৃষি বিষয়া গৰাকীৰ সৈতে এই আলোচনাত সহায় কৰে কৃষি বিভাগৰ ব্লক আৰু চক্ৰ পৰ্যায়ৰ কেবাজনো কৃষি বিষয়াই। কৃষক পঞ্জিয়ন, কৃষি বিমা বা মাটিৰ উত্তৰাধিকাৰী নামজাৰিৰ ক্ষেত্ৰত সন্মুখিন হোৱা বিভিন্ন সমস্যাৰ কথা একাংশ কৃষকে কৃষি বিষয়া গৰাকীক মুখামুখিকৈ অৱগত কৰাৰ বিপৰীতে কৃষি বিষয়া দীলিপ বৰাই কৃষক সকলৰ তেনে সমস্যাৰ সমাধান সূত্ৰ আগবঢ়াই। এই সজাগতামূলক আলোচনাৰ অন্তত একেজন সভাপতিৰ সভাপতিত্বতে মৰিগাঁও জিলাত অগপৰ দলীয় স্থিতি সবল কৰা সন্দৰ্ভতো আলোচনা চলে। উক্ত আলোচনাৰ আঁত ধৰি সভাপতি ৰাজেন বৰাই কয় যে নগাঁও লোক সভাৰ উপ-নিৰ্বাচনত এইবাৰ অগপ দলেৰো কেবাজনো টিকট প্ৰত্যাশীয়ে টিকট বিছাৰিছে। তেখেত সকলৰ ভিতৰত সভাত উপস্থিত থকা পৰেশ চন্দ্ৰ বৈশ্য, শান্তনু শৰ্মা আৰু অভিজিৎ বৰাও অন্যতম। এনেক্ষেত্ৰত আগন্তুক উপ-নিৰ্বাচনৰ বাবে অগপ দলৰ প্ৰতিজন সদস্যই সৈনিকৰ দৰে কাম কৰিব লাগিব বুলি তেওঁ মত প্ৰকাশ কৰে।

# নগাঁও জিলাত চলি আছে ১৪টা গ্ৰীষ্মকালীন সাংস্কৃতিক কৰ্মশালা



**শিক্ষাৰ্থীৰ মানসিক-আধ্যাত্মিক উৎকৰ্ষ সাধন কৰিব ঃ দেৱাশিস শৰ্মা**

**অসম বাৰ্তা, পুৰণিগুদাম, ১৭ জুলাই** ঃ ৰাজ্যৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত আৰু নগাঁও জিলা প্ৰশাসনৰ সহযোগত নগাঁও-বটদ্ৰৱা বিধানসভা সমষ্টি ভিত্তিত নগাঁও চৰকাৰী উচ্চতৰ মাধ্যমিক বালক বিদ্যালয়ৰ সংগীত শিল্পীমঞ্চত আয়োজন কৰা গ্ৰীষ্মকালীন কৰ্মশালাখন কালি জিলা আয়ুক্ত দেৱাশিস শৰ্মাই শুভ উদ্বোধন কৰে। এই উপলক্ষে দিয়া ভাষণত জিলা আয়ুক্তই কৰ্মশালাখনৰ উদ্দেশ্য আৰু গুৰুত্বৰ বিষয়ে আলোকপাত কৰি কয় যে, গ্ৰীষ্মকালীন বন্ধৰ এই সময়ছোৱাত ছাত্ৰ-ছাত্ৰীসকলে সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ অমৰ সৃষ্টিৰাজি আৰু অসমৰ লোক-সংস্কৃতিৰ চৰ্চা কৰাটো অত্যন্ত আদৰণীয় পদক্ষেপ। তেওঁ লগতে উল্লেখ কৰে যে, এনে সাংস্কৃতিক কাৰ্যসূচীয়ে নতুন প্ৰজন্মক নিজৰ ঐতিহ্যৰ সৈতে চিনাকি কৰাই দিয়াৰ লগতে তেওঁলোকৰ মানসিক আৰু আধ্যাত্মিক বিকাশতো সহায় কৰিব। নগাঁও সাংস্কৃতিক উন্নয়ন বিষয়া নম্ৰতা বৰাই আঁত ধৰা উদ্বোধনী অনুষ্ঠানটোত জিলাখনৰ ভালেকেইগৰাকী বিশিষ্ট ব্যক্তি, সংগীত শিল্পী মঞ্চৰ সন্মানীয় কৰ্মকৰ্তাসকল, বিষয়ববীয়াসকল, প্ৰশিক্ষাৰ্থীসকল আৰু তেওঁলোকৰ অভিভাৱকসকল উপস্থিত থাকে। নগাঁও চৰকাৰী উচ্চতৰ মাধ্যমিক বালক বিদ্যালয়ৰ সংগীত শিল্পী মঞ্চত আয়োজন কৰা এই কৰ্মশালাখনত অংশগ্ৰহণ কৰা নৱপ্ৰজন্মৰ মাজত সুধাকণ্ঠ ডঃ ভূপেন হাজৰিকাৰ কালজয়ী গীত আৰু অসমৰ চহকী লোকসংগীতৰ প্ৰশিক্ষণ প্ৰদান কৰি থকা হৈছে। কৰ্মশালাখন অহা ৩০ জুলাইলৈ অনুষ্ঠিত হ'ব। জিলা তথ্য আৰু জনসংযোগ বিষয়া বিকাশ শৰ্মাই জনাইছে যে, জিলাখনৰ সাতোটা বিধানসভা সমষ্টিৰ প্ৰতিটোতে দুখনকৈ এনে পযেকীয়া কৰ্মশালা অনুষ্ঠিত হৈছে, য'ত ভিন ভিন বিষয়ত বিশেষজ্ঞ ব্যক্তিৰ দ্বাৰা প্ৰশিক্ষণ প্ৰদান কৰা হৈছে। নগাঁও-বটদ্ৰৱা বিধানসভা সমষ্টিৰ অন্তৰ্গত দ্বিতীয়খন কৰ্মশালা অনুষ্ঠিত হৈছে বৰদোৱা থানৰ আই খেৰসূতী মুকলি মঞ্চত সত্ৰীয়া নৃত্য বিষয়ত। যোৱা ১৪ জুলাইত আৰম্ভ হোৱা এই কৰ্মশালাখনৰ ২৯ জুলাইত সামৰণি পৰিব। কলিয়াবৰ বিধানসভা সমষ্টিৰ ডঃ টি আও ষ্টেডিয়ামত নৃত্য বিষয়ক কৰ্মশালাখন আৰু নলতলি আৰিমৰাৰ পশ্চিম কলিয়াবৰ ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলত ভূপেন্দ্ৰ সংগীত বিষয়ক কৰ্মশালাখন আজিৰে পৰা আৰম্ভ হৈছে আৰু অহা ৩১ জুলাইত সামৰণি পৰিব। বঢ়মপুৰ সমষ্টিৰ অন্তৰ্গত চাপানলা উচ্চতৰ মাধ্যমিক বিদ্যালয়ত ১৬ জুলাইৰ পৰা ৩১ জুলাইলৈকে "আৱৰ্জনা সামগ্ৰীৰ পৰা শিল্পসৃষ্টিৰ ধাৰণা, টেৰাকোটা, ধ্যান আৰু মাটি আখৰা, ডঃ ভূপেন্দ্ৰ সংগীত" আদি বিষয়ত আৰু যমুনামুখৰ শংকৰদেৱ শিশু নিকেতনত ১৭ জুলাইৰ পৰা ৩১ জুলাইলৈকে "নাটক", বিষয়ত গ্ৰীষ্মকালীন কৰ্মশালা আয়োজন কৰা হৈছে। ৰহা বিধানসভা সমষ্টিৰ অন্তৰ্গত ৰহা মাধ্যমিক বিদ্যালয়, পুৰণা চাৰিআলিত ১৬ জুলাইৰ পৰা ৩০ জুলাইলৈকে "নাটক, মাটি আখৰা(সত্ৰীয়া নৃত্য)" আদি বিষয়ত আৰু শঙ্কৰদেৱ চিত্ৰকলা বিদ্যালয়ত, হাতীচুং, চামুৱাগাঁৱত ১২ জুলাইৰ পৰা ২৬ জুলাইলৈকে "শঙ্কৰী চিত্ৰ, লোক নৃত্য, খোল বাদ্য", বিষয়ত গ্ৰীষ্মকালীন কৰ্মশালা আয়োজন কৰা হৈছে। ধিং সমষ্টিৰ অন্তৰ্গত আঠগাঁও মাধ্যমিক বিদ্যালয়ত ১৫ জুলাইৰ পৰা ২৯ জুলাইলৈকে "পৰম্পৰাগত সত্ৰীয়া মুখা প্ৰস্তুত, অসমীয়া ভাওনাৰ পৰম্পৰাগত প্ৰসাধন আৰু সাজ-সজ্জা" আদি বিষয়ত আৰু মহাদেৱ নাট্য মন্দিৰ, ধিংত ১১ জুলাইৰ পৰা ২৫ জুলাইলৈকে "নাটক" বিষয়ত গ্ৰীষ্মকালীন কৰ্মশালা আয়োজন কৰা হৈছে। চামগুৰি সমষ্টিৰ অন্তৰ্গত ডিফলু প্ৰাথমিক বিদ্যালয়ত ১৫ জুলাইৰ পৰা ৩০ জুলাইলৈকে "হিন্দুস্তানী শাস্ত্ৰীয় সংগীত আৰু ভূপেন্দ্ৰ সংগীত" আদি বিষয়ত আৰু ৰূপহী উচ্চতৰ মাধ্যমিক বিদ্যালয়ত ১৬ জুলাইৰ পৰা ৩০ জুলাইলৈকে "নাটক" বিষয়ত গ্ৰীষ্মকালীন কৰ্মশালা আয়োজন কৰা হৈছে। ৰূপহীহাত সমষ্টিৰ অন্তৰ্গত জুৰিয়া উচ্চতৰ মাধ্যমিক বিদ্যালয়ত ১৪ জুলাইৰ পৰা ২৯ জুলাইলৈকে "সত্ৰীয়া নৃত্য আৰু পৰম্পৰাগত নৃত্য" আদি বিষয়ত আৰু জুৰীয়া ছোৱালী উচ্চ মাধ্যমিক বিদ্যালয়ত ১৬ জুলাইৰ পৰা ৩০ জুলাইলৈকে "যোগ, সত্ৰীয়া নৃত্য আৰু অসমৰ পৰম্পৰগত লোক নৃত্য" বিষয়ত গ্ৰীষ্মকালীন কৰ্মশালা আয়োজন কৰা হৈছে।

# তিনিচুকীয়াত সোণম ৱাংচুকৰ সমৰ্থনত বিষ্ণুজ্যোতি সাংস্কৃতিক সমাজৰ আহ্বানত অৱস্থান ধৰ্মঘট

**অসম বাৰ্তা, তিনিচুকীয়া, ১৭ জুলাই** ঃ দেশৰ শিক্ষা ব্যৱস্থাত দেখা দিয়া আসোঁৱাহ আৰু NEET পৰীক্ষাৰ খেলিমেলিৰ প্ৰতিবাদত দিল্লীৰ যন্তৰ-মন্তৰত বিগত ১৯ দিন ধৰি অনিৰ্দিষ্টকালীন অনশন কৰি থকা আন্তৰ্জাতিক খ্যাতিসম্পন্ন বিজ্ঞানী তথা উদ্ভাৱক সোণম ৱাংচুকৰ জীৱন ৰক্ষাৰ দাবীত দেশজুৰি উদ্বিগ্নতা বৃদ্ধি পাইছে। ইয়াৰ অংশস্বৰূপে, আজি তিনিচুকীয়াৰ বিষ্ণুজ্যোতি সাংস্কৃতিক সমাজে এক গণতান্ত্ৰিক অৱস্থান ধৰ্মঘটৰ কাৰ্যসূচী গ্ৰহণ কৰে। আজি দিনৰ ১০ বজাৰ পৰা ১ বজালৈ তিনিচুকীয়াৰ সুবচনী পথত অৱস্থিত সমাজৰ নিজা চৌহদত এই প্ৰতীকী অৱস্থান ধৰ্মঘট কাৰ্যসূচী ৰূপায়ণ কৰা হয়। এই কাৰ্যসূচীত তিনিচুকীয়াৰ ভালেসংখ্যক বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰে। উল্লেখযোগ্য যে, যোৱা NEET পৰীক্ষাত প্ৰশ্ন কাকত ফাদিল আৰু পৰীক্ষা পৰিচালনাত হোৱা বিফলতাই সমগ্ৰ দেশত প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছিল। এই ঘটনাক লৈ হোৱা মানসিক চাপত ১৯ গৰাকীৰো অধিক মেধাবী ছাত্ৰ-ছাত্ৰীয়ে আত্মহত্যা কৰা বুলি বাতৰি প্ৰকাশ পাইছে। এই পৰিস্থিতিৰ বিৰুদ্ধে আৰু শিক্ষামন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানৰ পদত্যাগৰ দাবীত সোণম ৱাংচুকে যোৱা ২৮ জুনৰ পৰা দিল্লীত অনশন কৰি আছে। সংগঠনটোৰ তৰফৰ পৰা জানিব পৰা মতে, অনশনৰ ফলত ৱাংচুকৰ শাৰীৰিক অৱস্থা ক্ৰমাৎ অৱনতি ঘটিছে। তেওঁৰ দৈনিক ওজন হ্ৰাস পোৱাৰ লগতে দুৰ্বল হৈ পৰিছে। ২০১৮ চনত গুৰু দাস আগৰৱালাই অনশনৰত অৱস্থাতে মৃত্যুবৰণ কৰা ঘটনাটো উল্লেখ কৰি বিষ্ণুজ্যোতি সাংস্কৃতিক সমাজে চৰকাৰক এই বিষয়ত অতি সোনকালে পদক্ষেপ ল'বলৈ আহ্বান জনাইছে। বিষ্ণুজ্যোতি সাংস্কৃতিক সমাজৰ সভাপতি ড° জ্যোতি প্ৰসাদ চলিহা আৰু সম্পাদক পূৰ্ণ কাকতিয়ে কয়, "সোণম ৱাংচুক কোনো সন্ত্ৰাসবাদী নহয়, তেওঁ দেশৰ সাংবিধানিক প্ৰক্ৰিয়া অনুসৰণ কৰি গণতান্ত্ৰিক আন্দোলন চলাইছে। চৰকাৰে তেওঁৰ দাবীৰ প্ৰতি সঁহাৰি জনাব লাগে, অন্যথাই দেশৰ গণতন্ত্ৰৰ বাবে এক পৰাজয় হিচাপে পৰিগণিত হ'ব।"

# ডুমডুমাৰ চামডাং বাইপাছত সংঘটিত এক পথ দুৰ্ঘটনাত এজনৰ মৃত্যু

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, তিনিচুকীয়া, ১৭ জুলাই** ঃ ডুমডুমা আৰক্ষী থানাৰ অন্তৰ্গত চামডাং বাইপাছত যোৱা নিশা সংঘটিত এক শোকাৱহ পথ দুৰ্ঘটনাত এজন লোক থিতাতে নিহত হয়। আৰক্ষীৰ পৰা জানিব পৰা অনুসৰি, ভাৰতীয় তেল নিগমৰ গোপনাৰীত থকা LPG প্লাণ্টত নিজৰ কৰ্ম সম্পাদন কৰি ফিল'বাৰী চিকৰাজানৰ নিজৰ বাসভৱন অভিমুখে এখন স্কুটিৰে (AS 23AK - 0372) গৈ থকা অৱস্থাত দ্ৰুতগতিৰে অহা এখন অচিনাক্ত বাহনে মহতিয়াই নিয়াত ডিম্বেশ্বৰ ফুকন ওৰফে কছু নামৰ লোকজনৰ থিতাতে মৃত্যু হয়। পাছত আৰক্ষীয়ে মৃতদেহটো উদ্ধাৰ কৰি মৰোণোত্তৰ পৰীক্ষাৰ বাবে তিনিচুকীয়া চিকিৎসা মহাবিদ্যালয় হাস্পতাললৈ লৈ প্ৰেৰণ কৰে। উল্লেখযোগ্য, নিহত লোকজন গোপনাৰী LPG প্লাণ্টত গেছ চিলিণ্ডাৰ পৰিবাহী ট্ৰাকৰ চালক হিচাপে কৰ্মৰত আছিল।

# মেৰাপানীত এজাক বৰষুণতে কৃত্ৰিম বান; বুৰিল ৪০-৪৫টা পৰিয়ালৰ ঘৰ, বিপৰ্যস্ত জনজীৱন

**অসম বাৰ্তা, মেৰাপানী, ১৬ জুন** ঃ চুবুৰীয়া ৰাজ্য নগালেণ্ডত হোৱা সামান্য এজাক বৰষুণৰ পিছতে মেৰাপানীৰ পুলি বাগান অঞ্চলত এক ভয়ংকৰ বান পৰিস্থিতিয়ে দেখা দিছে। হঠাতেই অহা বানে পুলি বাগানৰ ১নং নৱজ্যোতি, কলবাৰী, মেডক গাঁও আৰু বিজয়পুৰৰ বহু লোকৰ বাসগৃহ বুৰাই পেলাইছে। স্থানীয় ৰাইজে জানিবলৈ দিয়ে যে, গাঁৱৰ মাজেৰে বৈ যোৱা নৈখনেৰে পানী ওলাই যোৱাত বাধাৰ সৃষ্টি হোৱাৰ বাবেই এই কৃত্ৰিম বানৰ সৃষ্টি হৈছে। নৈখনৰ স্বাভাৱিক সোঁত বন্ধ কৰি পানীৰ সৈতে উটি অহা মাছৰ কাৰ্টন, গছৰ জেং-জাবৰ, গছৰ মুঢ়া আৰু প্লাষ্টিকৰ বস্তাৰ দৰে গধুৰ জাবৰ-যোথৰে নলা-নৰ্দমা তথা নৈৰ মুখসমূহ বন্ধ কৰি পেলাইছে। ফলত পানী ওলাই যাব নোৱাৰি গাঁৱৰ দিশে বৰলৈ ধৰে আৰু নিমিষতে বানৰ সৃষ্টি কৰে। এই বানৰ ফলত অঞ্চলটোৰ প্ৰায় ৪০ৰ ৪৫টা পৰিয়ালৰ বাসগৃহ সম্পূৰ্ণৰূপে পানীৰ তলত ডুব গৈছে। ঘৰৰ ভিতৰত একাঠু পৰ্যন্ত পানী হোৱাৰ বাবে স্থানীয় ৰাইজৰ খোৱা-বোৱা আৰু থকা-মেলাৰ ক্ষেত্ৰত এক চৰম দুৰৱস্থাৰ সৃষ্টি হৈছে। বহু পৰিয়ালে এতিয়া ৰন্ধা-বঢ়া কৰিব নোৱাৰি হাহাকাৰ কৰিবলগীয়া পৰিস্থিতিৰ সন্মুখীন হৈছে। স্থানীয় ৰাইজে এই জাবৰ-যোথৰৰ সমস্যা সমাধান কৰি পানী নিষ্কাষণৰ সুব্যৱস্থা কৰিবলৈ চৰকাৰ তথা প্ৰশাসনক জৰুৰীভাৱে আহ্বান জনাইছে।

# অসমৰ শিল্পীৰ সোণম ৱাংচুকৰ

শৰীৰে দিল্লী উপস্থিত হৈ ৱাংচুকক সাহস যোগাই থকাৰ লগতে বহুতে তেওঁৰ স্বাস্থ্যৰ কথা চিন্তা কৰি অনশন ভংগ কৰিবলৈও অনুৰোধ জনাইছে। ইফালে, সামাজিক মাধ্যমত এই বিষয়ত সৰৱ আলোচনা চলি আছে। সাধাৰণ ৰাইজৰ দৰে বহু নামী-দামী শিল্পী-তাৰকাইও নিজৰ মত প্ৰকাশ কৰিছে। বিশেষকৈ অসমৰ একাধিক জনপ্ৰিয় শিল্পী, সংগীতজ্ঞ, অভিনেতা-অভিনেত্ৰী আৰু কণ্টেণ্ট ক্ৰিয়েটৰে সোণম ৱাংচুকৰ প্ৰতি সমৰ্থন জ্ঞাপন কৰি সামাজিক মাধ্যমত পোষ্ট শ্বেয়াৰ কৰিছে। কিছুমানে প্ৰত্যক্ষভাৱে দিল্লী গৈ ৱাংচুকক লগ কৰাৰ লগতে প্ৰয়োজনীয় সহায় আগবঢ়াইছে বুলিও জানিব পৰা গৈছে। জনপ্ৰিয় কণ্ঠশিল্পী তথা অভিনেত্ৰী দীপলিনা ডেকাই নিজৰ ইনষ্টাগ্ৰাম একাউণ্টত লিখে, "কেৱল এক বাৰ্তা প্ৰেৰণৰ বাবে কোনো কণ্ঠই দেশত ভোকত অনশন কৰিবলগীয়া পৰিস্থিতি হ'ব নালাগে।" এই পোষ্টটো তেওঁ সোণম ৱাংচুকৰ সমৰ্থনত শ্বেয়াৰ কৰিছে বুলি স্পষ্টভাৱে বুজা যায়। সংগীতশিল্পী নীলোৎপল বৰাই লিখে, "আলোচনাই হৈছে একমাত্ৰ সমাধান। চৰকাৰে সোণম ৱাংচুক ডাঙৰীয়া আৰু ছাত্ৰ-ছাত্ৰীসকলৰ সৈতে কথা পাতক। আমি ছাত্ৰ-ছাত্ৰীসকলৰ সৈতে আছোঁ।" তেওঁৰ এই বাৰ্তাই চৰকাৰক আলোচনাৰ মাজলৈ আহিবলৈ আহ্বান জনাইছে। সংগীতশিল্পী শংকুৰাজ কোঁৱৰে লিখে, "আমাৰ নীৰৱতা হৈছে সেই লাখ লাখ ছাত্ৰ-ছাত্ৰীৰ প্ৰতি এক অবিচাৰ, যাৰ সপোনবোৰ এটা ভাঙি পৰা ব্যৱস্থাৰ সৈতে সাঙোৰ খাই আছে। আহক, আমি সকলোৱে সহানুভূতিক বুকুত বান্ধি সত্যৰ হকে মাত মাতো।" অসমৰ জনপ্ৰিয় কণ্ঠশিল্পী তথা অভিনেতা ৰবি শৰ্মাই এটা দীঘলীয়া বাৰ্তা শ্বেয়াৰ কৰি লিখে, "যন্তৰ মন্তৰত চলি থকা সোণম ৱাংচুকৰ ১৯ দিনীয়া অনশন কাৰ্যসূচীক আমি সকলোৱে গভীৰ উদ্বেগৰ সৈতে লক্ষ্য কৰি আছোঁ। তেওঁৰ উদ্দেশ্য যে স্পষ্ট আৰু সঁচা, তাক প্ৰমাণ কৰিবলৈ এই ১৯ দিন সময় জানো পৰ্যাপ্ত নহয়? নীট পৰীক্ষাৰ প্ৰশ্নকাকত ফাদিল হোৱাৰ বিৰুদ্ধে জবাবদিহিতাৰ দাবী তুলি তেওঁ এই অনশন কৰিছে। যিগৰাকী মানুহে শিক্ষা আৰু দেশ গঠনৰ বাবে নিজৰ জীৱনৰ ৪০টা বছৰ উৎসৰ্গা কৰিলে, তেওঁ নিজৰ কথা শুনাবলৈ নিজৰ স্বাস্থ্যক বিপন্ন কৰিবলগীয়া হোৱাটো উচিত হোৱা নাই। মই চৰকাৰক অনুৰোধ জনাও যাতে অতি পলম হোৱাৰ আগতেই সোণম ৱাংচুকৰ সৈতে জৰুৰীভাৱে আলোচনাত মিলিত হৈ এই সমস্যাসমূহৰ সমাধান কৰে। আমি ইতিমধ্যে দেশৰ বহুতো কণ্ঠ হেৰুৱাইছোঁ, এতিয়া তেওঁকো হেৰুৱাব পাৰোঁনে? সমগ্ৰ দেশৰ ছাত্ৰ-ছাত্ৰীসকলে ইয়াৰ উত্তৰ বিচাৰিছে; তেওঁলোকেই আমাৰ ভৱিষ্যত, অনুগ্ৰহ কৰি ইয়াক পাতলকৈ নলব।" জনপ্ৰিয় কণ্টেণ্ট ক্ৰিয়েটৰ বিশাল লাংথাছাই ইনষ্টাগ্ৰামত লিখে, "ভাৰতৰ ছাত্ৰ-ছাত্ৰী আৰু সোণম ৱাংচুকৰ সৈতে আমি আছোঁ।" শিল্পী-গায়িকা ডঃ মৈত্ৰেয়ী পাটৰে এটা তীৰ্যক আৰু প্ৰসঙ্গগত পোষ্ট শ্বেয়াৰ কৰি লিখে, "নিৰ্বাচনৰ ঠিক আগে আগে যিবোৰ ভগৱানে সাধাৰণ মানুহৰ চোতাললৈ নামি আহে, তেওঁলোকে নিশ্চয় নিৰ্বাচন শেষ হোৱাৰ লগে লগেই নিজৰ সাম্ৰাজ্য চম্ভালিবলৈ স্বৰ্গলৈ ঘূৰি যায়। নহ'লে পৃথিৱীৰ সংকটৰ সময়ত এই ভগৱানসকলক সাধাৰণ মানুহে বিচাৰি পোৱা টান হয় কিয়? মণিপুৰ জ্বলিবলৈ ধৰোঁতেও এই ভগৱানসকলে কেৱল নীৰৱতাহে উপহাৰ দিলে। এতিয়া একাংশ সাধাৰণ ছাত্ৰ-ছাত্ৰীৰ এটা পৰীক্ষাক লৈ মৃত্যু হৈছে; এয়া চাগে এই ভগৱানসকলৰ বাবে গুৰুত্বপূৰ্ণ নহয় আৰু তেওঁলোকৰ সময় অপচয় কৰাৰ যোগ্য নহয়।" তেওঁ লগতে কয়, "সোণম ৱাংচুকে নিজৰ অনশন কাৰ্যসূচী অন্ত কৰা উচিত। এই পৃথিৱীত তেওঁৰ মানুহখিনিক তেওঁৰ প্ৰয়োজন আছে। সাধাৰণ মানুহৰ বাবে তেওঁ ভাল কামবোৰ কৰি যোৱা উচিত।" অসমৰ জনপ্ৰিয় অভিনেত্ৰী বৰষা ৰাণী বিষয়াই ইনষ্টাগ্ৰাম ষ্ট'ৰীৰ জৰিয়তে স্পষ্টভাৱে লিখে, "মই সোণম ৱাংচুকৰ সৈতে থিয় দিছোঁ।" তেওঁৰ এই চমু কিন্তু অৰ্থপূৰ্ণ বাৰ্তাই বহু দৰ্শকৰ মন জয় কৰিছে। উল্লেখ্য যে সোণম ৱাংচুকে ককৰোচ্ছ জনতা পাৰ্টীৰ শান্তিপূৰ্ণ প্ৰতিবাদৰ অংশ হিচাপে যন্তৰ-মন্তৰত অনশন আৰম্ভ কৰিছিল। তেওঁৰ মূল দাবী হৈছে দেশৰ শিক্ষা ব্যৱস্থাৰ সৰ্বাংগীণ সংস্কাৰ, পৰীক্ষা পদ্ধতিৰ স্বচ্ছতা, আৰু কেন্দ্ৰীয় শিক্ষামন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানৰ পদত্যাগ। অনশন দীৰ্ঘায়িত হোৱাৰ লগে লগে ৱাংচুকৰ স্বাস্থ্য অৱস্থা উদ্বেগজনক হৈ পৰিছে। তথাপি তেওঁ নিজৰ দাবী আদায় হোৱালৈকে অনশন অব্যাহত ৰখাৰ দৃঢ়তা প্ৰকাশ কৰি আহিছে। অসমৰ শিল্পী-তাৰকাসকলৰ এই সমৰ্থনে স্পষ্ট কৰি দিছে যে অসমৰ সাংস্কৃতিক জগতখনো সোণম ৱাংচুকৰ সংগ্ৰামক গুৰুত্ব সহকাৰে চাইছে আৰু ছাত্ৰ-ছাত্ৰীৰ অধিকাৰৰ বাবে তেওঁ যুঁজি থকা এই সংগ্ৰামত একাত্মতা প্ৰকাশ কৰিছে। সামাজিক মাধ্যমত শিল্পীসকলৰ পোষ্টবোৰে ইতিমধ্যে ব্যাপক সঁহাৰি লাভ কৰিছে আৰু সাধাৰণ ৰাইজেও তেওঁলোকৰ সৈতে মত প্ৰকাশ কৰি আলোচনাত অংশগ্ৰহণ কৰিছে।

# কাজিৰঙা অৰ্কিড পাৰ্কৰ ১২-১৫

পৰিচালিত কাজিৰঙা অৰ্কিড পাৰ্কে কৰ ফাঁকি দিয়াৰ অভিযোগ উত্থাপন কৰিছিল। কিন্তু বিধায়ক গগৈয়ে আজিলৈকে সেই অভিযোগৰ পোনপটীয়া উত্তৰ দিব পৰা নাই। "তেখেতে বিষয়টোক লৈ চালে-বেৰে কোবাই মূল প্ৰসংগৰ পৰা ফালৰি কাটিবলৈহে চেষ্টা কৰিছে, "বুলি মেধিয়ে মন্তব্য কৰে। বিজেপিৰ মুখপাত্ৰগৰাকীয়ে বিত্তীয় তথ্য উন্মোচন কৰি কয়, "এটা বছৰত কাজিৰঙা অৰ্কিড আৰু জৈৱ-বৈচিত্ৰ্য উদ্যানৰ সংগৃহীত ৰাজহৰ পৰিমাণ প্ৰায় ১০-১২ কোটি টকা। তাৰে প্ৰায় ৭-৮ কোটি টকা কেৱল প্ৰৱেশ মূল্যৰ পৰা সংগৃহীত ধন। এই ৭-৮ কোটি টকাৰ ১৮ শতাংশ জিএছটি হিচাপে প্ৰায় ৰ.প্ত কোটি টকা বছৰি চৰকাৰী তহবিলত জমা হ'ব লাগে। কিন্তু বিধায়ক গগৈয়ে প্ৰতিবছৰে এই ৰ.প্ত কোটি টকাকৈ যোৱা আঠ বছৰত মুঠ ১২-১৫ কোটি টকাৰ জিএছটিৰ হিচাপ লুকুৱাইছে।" তেওঁ লগতে কয় যে সন্ধিয়াৰ সাংস্কৃতিক অনুষ্ঠানৰ নামত সংগৃহীত প্ৰৱেশ মূল্যৰ ধনৰ হিচাপো গগৈয়ে গুপ্ত ৰাখিছে। মেধিয়ে আয়কৰ বিভাগ বা ইডিৰ দ্বাৰা তদন্ত কৰাৰ প্ৰসংগ উত্থাপন কৰি কয়, "মুখ্যমন্ত্ৰীয়ে আয়কৰ বিভাগ বা ইডিৰ দ্বাৰা তদন্ত ঘোষণা কৰিলে ৰাইজে ক'ব যে বিৰোধীৰ মুখ বন্ধ কৰাবলৈ এই তদন্ত ঘোষণা কৰা হৈছে। কিন্তু হিমন্ত চৰকাৰে সেয়া নকৰে। যদি অখিল গগৈৰ সাহস আছে, তেওঁ নিজেই তদন্তৰ বাবে ঘোষণা কৰক।" ইয়াৰ জৰিয়তে মেধিয়ে গগৈক তদন্তৰ সন্মুখীন হ'বলৈ প্ৰত্যাহ্বান জনায়। তেওঁ লগতে কয় যে বিপদৰ উমান পাই এতিয়া বিধায়ক অখিল গগৈয়ে উদ্যানখনৰ বিত্তীয় লেনদেনৰ বিষয়ে অৱগত নহয় বুলি কৈ চিএ আৰু সদস্য সচিবৰ গাত দায়িত্ব অৰ্পণ কৰি পলায়নৰ পথ উলিয়াইছে। "উদ্যানখনৰ কৰ্মচাৰীয়ে প্ৰতি সন্ধিয়া প্ৰেৰণ কৰা দিনটোৰ বিত্তীয় তথ্যও গগৈয়ে ৰাজহুৱা কৰক, "বুলি মেধিয়ে আহ্বান জনায়। অৰ্কিড পাৰ্কৰ ভূমি সম্প্ৰসাৰণৰ প্ৰসংগত মেধিয়ে কয় যে উদ্যানখনৰ বাবে অনুমোদিত ভূমিৰ পৰিমাণ আছিল ২৬ বিঘা। কিন্তু বৰ্তমান উদ্যানখনত ১০০ বিঘাতকৈ অধিক মাটি সংযোজিত হৈছে। বিধায়ক গগৈয়ে কৰ্মচাৰীক দৰমহা দিবলৈ পত্নীৰ পৰা ধাৰ কৰিবলগীয়া হোৱা বুলি কোৱাৰ প্ৰতি উত্তৰ দি মেধিয়ে প্ৰশ্ন তোলে, "নতুনকৈ ১০০ বিঘা মাটি কিনিবলৈ টকা ক'ত পালে? যদি উদ্যানখনৰ কৰ্মচাৰীক দৰমহা দিবলৈকে ধনৰ নাটনি হয়, তেনেহ'লে কেনেকৈ ১০০ বিঘা মাটি সংযোজন কৰিলে? যদি কিনি লোৱা নাই, তেন্তে নিশ্চিতভাৱে তেওঁক কোনোবাই সেই মাটি দান কৰিব লাগিব নাইবা চৰকাৰী মাটি দখল কৰা হৈছে। ইয়াৰে কোনটো সঁচা- সেয়া অসমৰ ৰাইজক অৱগত কৰক।" আনহাতে, নিৰ্বাচনৰ পূৰ্বে শিৱসাগৰ বিধানসভা সমষ্টিৰ নামঘৰে নামঘৰে নগদ ধন বিলোৱাৰ বিষয়টোও তুলি ধৰে মেধিয়ে। তেওঁ কয়, "শিৱসাগৰ সমষ্টিৰ প্ৰতিটো নামঘৰলৈ তেওঁ ৰ.প্ত লাখকৈ নগদ ধন দিছিল, আৰু মছজিদলৈ, লাখকৈ নগদ ধন আগবঢ়াইছিল- তাৰ প্ৰমাণ আমাৰ হাতত আছে।" মুখ্যমন্ত্ৰীয়ে বিধানসভাত অনা অভিযোগৰ স্পষ্টীকৰণ দিব নোৱাৰিলে বিধায়ক গগৈয়ে বুলিও মেধিয়ে উল্লেখ কৰে। অসম চৰকাৰ আৰু বিধায়ক অখিল গগৈৰ পক্ষৰ পৰা এতিয়ালৈকে এই অভিযোগসমূহৰ কোনো আনুষ্ঠানিক প্ৰতিউত্তৰ পোহৰলৈ অহা নাই। বিজেপিৰ এই বিস্ফোৰক অভিযোগে ৰাজ্যৰ ৰাজনৈতিক মহলত ইতিমধ্যে তীব্ৰ আলোড়নৰ সৃষ্টি কৰিছে। আগন্তুক দিনবোৰত এই প্ৰসংগত কি পৰৱৰ্তী পদক্ষেপ লোৱা হয়- তাৰ প্ৰতি ৰাইজৰ দৃষ্টি নিবদ্ধ হৈ আছে।

# ২০ জুলাইলৈকে জীয়াই থাকিম

মই ঘূৰি আহিমহু আহক আমি সকলোৱে ২০ জুলাইৰ দিনা শান্তিপূৰ্ণভাৱে সংসদ অভিমুখে যাত্ৰা কৰো।" দুৰ্বল আৰু ভাগৰুৱা দেহাৰে আবেগিক হৈ এই মন্তব্য কৰে সমাজকৰ্মী, বিজ্ঞানী তথা শিক্ষাবিদ সোণম ৱাংচুকে। শুকুৰবাৰে অৰ্থাৎ ১৭ জুলাইত সোণম ৱাংচুকৰ আমৰণ অনশনে ২০ দিনত ভৰি দিছে। ২৮ জুনৰ পৰা আৰম্ভ হোৱা এই অনশনত তেওঁৰ স্বাস্থ্যৰ অৱনতি ঘটিছে। ১৭ জুলাইৰ পুৱা চিকিৎসকে কৰা স্বাস্থ্য পৰীক্ষাত তেওঁৰ ওজন ৯ কিলোগ্ৰামতকৈ অধিক হ্ৰাস পাইছে, যাৰ ফলত তেওঁৰ স্বাস্থ্যৰ অৱস্থা যথেষ্ট জটিল হৈ পৰিছে। শৰীৰ দুৰ্বল হৈ পৰিলেও মনোবল এতিয়াও বহু শক্তিশালী। যন্তৰ-মন্তৰত সমৰ্থকসকলক সম্বোধন কৰি সোণম ৱাংচুকে কয়, "মোৰ শৰীৰ হয়তো দুৰ্বল হৈ পৰিছে, কিন্তু মোৰ মনোবল পূৰ্বতকৈ অধিক শক্তিশালী হৈছে। আন্দোলনৰ প্ৰকৃত শক্তি জনসাধাৰণৰ বিশ্বাস আৰু সংহতিত নিহিত হৈ আছে।" তেওঁ সমৰ্থকসকলক অভ্যন্তৰীণ আৰু বাহ্যিক দুয়োটা দিশতে শক্তিশালী হৈ থাকিবলৈ আহ্বান জনায়। ৱাংচুকে উল্লেখ কৰে যে এই আন্দোলনৰ পৰৱৰ্তী গুৰুত্বপূৰ্ণ পদক্ষেপ হ'ল ২০ জুলাইত সংসদ অভিমুখে যাত্ৰা। এই শান্তিপূৰ্ণ পদযাত্ৰাত বৃহৎ সংখ্যক লোকে যোগদান কৰি গণতান্ত্ৰিকভাৱে দেশৰ সংসদত নিজৰ মতামত প্ৰকাশ কৰিবলৈ তেওঁ আহ্বান জনায়। সোণম ৱাংচুকে স্পষ্ট কৰি দিয়ে যে ২০ জুলাইত সকলোৱে শান্তিপূৰ্ণভাৱে সংসদলৈ যাত্ৰা কৰিব। তেওঁ কয়, "গণতন্ত্ৰত মানুহে নিজৰ মতামত প্ৰকাশ কৰাৰ অধিকাৰ আছে আৰু এই উদ্দেশ্যেৰেই তেওঁলোকে সংসদত উপনীত হ'ব। এই পদযাত্ৰা সংঘাতৰ বাবে নহয়, বৰঞ্চ দেশৰ শিক্ষা ব্যৱস্থাত সংস্কাৰৰ দাবীক গণতান্ত্ৰিকভাৱে উপস্থাপন কৰিবলৈহে কৰা হৈছে।" ইফালে, শুকুৰবাৰে যন্তৰ-মন্তৰৰ প্ৰতিবাদস্থলীত কংগ্ৰেছ নেতা পৱন খেৰা উপস্থিত হৈ সোণম ৱাংচুক আৰু অনশনত থকা শিক্ষাৰ্থী নেহা, মনীষ আৰু আমিনক সাক্ষাৎ কৰি তেওঁলোকৰ সংগ্ৰামৰ প্ৰতি সমৰ্থন জনায়। পৱন খেৰাই ছাত্ৰ-ছাত্ৰীৰ সাহস আৰু গণতান্ত্ৰিক সংগ্ৰামৰ প্ৰশংসা কৰি কয় যে ছাত্ৰ-ছাত্ৰীৰ মাত শুনিব লাগিব আৰু তেওঁলোকৰ বৈধ দাবীক গুৰুত্বসহকাৰে বিবেচনা কৰিব লাগিব। ককৰোচ্ছ জনতা পাৰ্টী আৰু প্ৰতিবাদকাৰী ছাত্ৰ-ছাত্ৰীসকলৰ মূল দাবীসমূহ হৈছে- দেশজুৰি প্ৰশ্নকাকত ফাদিলৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ, পৰীক্ষা ব্যৱস্থাৰ ব্যাপক সংস্কাৰ, পৰীক্ষা সংস্থাৰ জবাবদিহিতা, আৰু কেন্দ্ৰীয় শিক্ষামন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানৰ পদত্যাগ। প্ৰতিবাদকাৰীসকলে কয় যে প্ৰতিযোগিতামূলক পৰীক্ষাত অব্যাহত থকা অনিয়মৰ ফলত লাখ লাখ ছাত্ৰ-ছাত্ৰীৰ ভৱিষ্যতত প্ৰভাৱ পৰিছে, গতিকে এই ব্যৱস্থা সংস্কাৰ কৰাটো জৰুৰী। সোণম ৱাংচুকে আবেগিকভাৱে কয় যে তেওঁ সংসদলৈ যোৱা পদযাত্ৰাত যোগদান কৰিবলৈ চল্লু জুলাইলৈকে উপবাস অব্যাহত ৰাখিব। তেওঁ কয়, "২০ জুলাইলৈকে আমি সকলোৱে আন্দোলনৰ অংশ হৈ থাকিম আৰু গণতান্ত্ৰিকভাৱে আমাৰ দাবীসমূহ সংসদলৈ প্ৰেৰণ কৰিম।" উল্লেখ্য যে ইতিমধ্যে দিল্লী হাইকোৰ্টৰে সোণম ৱাংচুকৰ অনশন ভংগ কৰাৰ আবেদনত কেন্দ্ৰ আৰু দিল্লী চৰকাৰক জাননী জাৰি কৰিছে। অহা ২০ জুলাইৰ পদযাত্ৰা আৰু তেতিয়ালৈকে ৱাংচুকৰ স্বাস্থ্য অৱস্থা কেনে থাকে- তাৰ ওপৰতে নিৰ্ভৰ কৰিব আন্দোলনৰ পৰৱৰ্তী গতিপথ।

# ক্ৰাইম ব্ৰাঞ্চত হাজিৰ নহ'ল পৱন

জাননী থকাৰ পিছতো আজি ক্ৰাইম ব্ৰাঞ্চৰ কাৰ্যালয়ত উপস্থিত নহৈ তেওঁ অনুপস্থিতি দেখুৱায়। মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাৰ পত্নী ৰিণিকি ভূঞা শৰ্মাৰ গোচৰৰ ভিত্তিত পৱন খেৰাক জেৰাৰ বাবে চমন জাৰি কৰা হৈছিল। অসম ক্ৰাইমব্ৰাঞ্চে তেওঁক আজি উপস্থিত হৈ জেৰাত অংশগ্ৰহণ কৰিবলৈ নিৰ্দেশ দিছিল যদিও খেৰাই সেই নিৰ্দেশ অমান্য কৰে। অসম প্ৰদেশ কংগ্ৰেছ কমিটিয়ে এই প্ৰসংগত এক বক্তব্য প্ৰদান কৰি জানিবলৈ দিয়ে যে ৰাহুল গান্ধীৰ এক বিশেষ দলীয় কাৰ্যসূচীত অংশগ্ৰহণ কৰিবলগীয়া হোৱাৰ বাবেই খেৰাই ক্ৰাইম ব্ৰাঞ্চত হাজিৰ হ'ব নোৱাৰিলে। দলীয় অনুষ্ঠানত তেওঁ গুৰুত্বপূৰ্ণ দায়িত্বত থকাৰ বাবে দিল্লীত ব্যস্ত থাকিবলগীয়া হৈছে আৰু সেইবাবেই অসমলৈ আহিব পৰা নাই বুলি কংগ্ৰেছ নেতৃত্বই সদৰি কৰে। উল্লেখযোগ্য যে ইয়াৰ পূৰ্বেও দুটাকৈ গুৰুত্বপূৰ্ণ তাৰিখত ক্ৰাইম ব্ৰাঞ্চৰ জেৰাত হাজিৰ হোৱা নাছিল পৱন খেৰাই। অসম ক্ৰাইম ব্ৰাঞ্চে ইতিমধ্যে তেওঁক একাধিকবাৰ চমন জাৰি কৰিছিল, কিন্তু নিৰ্দিষ্ট তাৰিখবোৰত তেওঁ কাৰ্যালয়ত উপস্থিত নহ'ল। বৰ্তমানলৈকে কংগ্ৰেছ নেতাই ক্ৰাইম ব্ৰাঞ্চৰ জেৰাত যোগদান কৰা নাই।

# বৰ্ষাকালীন অধিৱেশনৰ পূৰ্বে এনডিএৰ

নাৱিকৰ মৃত্যু, পেট্ৰ'লত ইথানল মিহলি কৰাৰ সিদ্ধান্ত, আৰু অযোধ্যাৰ ৰাম মন্দিৰৰ অনুদানৰ ধন আত্মসাৎৰ অভিযোগ- এই বিষয়সমূহ অধিৱেশনত গৰম হৈ তোলাৰ সম্ভাৱনা আছে। বৈঠকত এনডিএৰ নেতাসকলে এই সকলো বিষয়তে কেন্দ্ৰীয় চৰকাৰক কেনেদৰে সমৰ্থন কৰিব আৰু বিৰোধীৰ প্ৰশ্নৰ উত্তৰ কেনেকৈ দিব, তাৰ কৌশল সাজিব বুলি জানিব পৰা গৈছে। অসম, পশ্চিমবংগ, কেৰালা, তামিলনাডু আৰু পুডুচেৰীত বিধানসভা নিৰ্বাচনৰ ফলাফলৰ পিছত বিৰোধী দলসমূহ কিছু দুৰ্বল হৈ পৰিছে। তামিলনাডুত TVK চৰকাৰ গঠনক লৈ কংগ্ৰেছ আৰু ডভক্তৰ মাজত মতানৈক্যই শাসকীয় মিত্ৰজোঁটৰ মনোবল বৃদ্ধি কৰিব পাৰে বুলি ৰাজনৈতিক বিশ্লেষকসকলে মত প্ৰকাশ কৰিছে। অধিৱেশনৰ মূল আকৰ্ষণ হ'ব সংবিধান সংশোধনী বিধেয়ক। এই বিধেয়কখনৰ সন্দৰ্ভত এখন যুটীয়া সংসদীয় সমিতিয়ে প্ৰতিবেদন প্ৰস্তুত কৰি অনুমোদন দিয়াৰ সম্ভাৱনা আছে। বিধেয়কখনত প্ৰধানমন্ত্ৰী, কেন্দ্ৰীয় মন্ত্ৰী আৰু মুখ্যমন্ত্ৰীক গুৰুতৰ অভিযোগত একেৰাহে ৩০ দিনৰ বাবে আবদ্ধ কৰি ৰাখিলে পদৰ পৰা অপসাৰণ কৰাৰ ব্যৱস্থা থকা বুলি উল্লেখ আছে। সমিতিৰ পৰামৰ্শৰ ভিত্তিত চৰকাৰে আনুষ্ঠানিক সংশোধনী আনিব পাৰে। শাসকীয় এনডিএৰ বাবে এই অধিৱেশন সংখ্যাৰ পৰীক্ষা হিচাপেও গণ্য হ'ব। কাৰণ সাংবিধানিক সংশোধনী বিধেয়ক পাৰ হৈ যাবলৈ উপস্থিত আৰু ভোটদান কৰা দুই তৃতীয়াংশ সদস্যৰ সমৰ্থনৰ প্ৰয়োজন। ইয়াৰ বাবে এনডিএকেই নহয়, অন্যান্য দলৰ সমৰ্থনো অতি প্ৰয়োজনীয়। ইফালে, লোকসভা আৰু ৰাজ্যিক বিধানসভাত মহিলাক ৩৩ শতাংশ সংৰক্ষণ প্ৰদানৰ বিধেয়কখন সংসদৰ পূৰ্বৰ অধিৱেশনত নিম্ন সদনত পতন ঘটিছিল। চৰকাৰে সেই সময়ত প্ৰয়োজনীয় সংখ্যা সংগ্ৰহ কৰিব পৰা নাছিল। আগন্তুক অধিৱেশনত এই মহিলা সংৰক্ষণ বিধেয়ক আৰু সীমা নিৰ্ধাৰণ বিধেয়ক সংশোধনী আনিব পাৰে বুলি চৰকাৰী সূত্ৰই জানিবলৈ দিছে। বিশেষকৈ সোণম ৱাংচুকৰ অনশন আন্দোলন আৰু শিক্ষা ব্যৱস্থাৰ সংস্কাৰৰ দাবীও অধিৱেশনত আলোচিত হ'ব পাৰে। বিৰোধী দলসমূহে চৰকাৰক NEET পৰীক্ষাৰ অনিয়ম আৰু শিক্ষামন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানৰ ভূমিকা সম্পৰ্কে কঠোৰ প্ৰশ্ন কৰিব বুলি ধাৰণা কৰা হৈছে। ইপিনে, পশ্চিম এছিয়াত ভাৰতীয় নাৱিকৰ মৃত্যুৰ ঘটনাই বিদেশনীতি সম্পৰ্কেও বিতৰ্কৰ সৃষ্টি কৰিব পাৰে। অধিৱেশনৰ প্ৰথম দিনটোতেই বিৰোধী দলসমূহে সংসদ অভিমুখে পদযাত্ৰা কৰাৰ সম্ভাৱনাও প্ৰবল হৈ আছে। শাসকীয় মিত্ৰজোঁটে এই সকলো পৰিস্থিতিৰ সৈতে মোকাবিলা কৰিবলৈ সম্পূৰ্ণ সাজু হৈ থকা বুলি বিজেপি সূত্ৰই জানিবলৈ দিছে। ৰাজনাথ সিঙৰ বাসগৃহত অনুষ্ঠিত হ'বলগীয়া বৈঠকত এই সকলো বিষয়ৰ ওপৰত বিস্তাৰিত আলোচনা কৰি এখন সুসংহত কৌশল প্ৰস্তুত কৰা হ'ব।

# অসমৰ শক্তিখণ্ডত ৭৭, ৩৫৩

স্থিৰ কৰিছে চৰকাৰে। অসমৰ শক্তি খণ্ডৰ ইতিহাসত এই বিনিয়োগেই আটাইতকৈ বৃহৎ বুলি গণ্য কৰা হৈছে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই এই পৰিকল্পনাৰ বিষয়ে স্পষ্ট কৰি কয় যে ৰাজ্যখনে বৰ্তমানৰ ৪৫০ মেগাৱাট উৎপাদন ক্ষমতাক ৮, ৪৫৭ মেগাৱাটলৈ বৃদ্ধি কৰাৰ দৃঢ় সংকল্প লৈছে। এক্স (পূৰ্বৰ টুইটাৰ) সামাজিক মাধ্যমত প্ৰকাশিত পোষ্টত মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে, "আজিৰ অসমে ডাঙৰ সপোন দেখে। শক্তি খণ্ডত ৭৭ হাজাৰ কোটি টকাতকৈ অধিক বিনিয়োগে অনাগত দিনত ৮ হাজাৰ মেগাৱাটতকৈ অধিক বিদ্যুৎ উৎপাদন কৰি এখন বিকশিত অসমৰ যাত্ৰাক শক্তি প্ৰদান কৰিব।" ফেচবুকত প্ৰকাশিত আন এখন পোষ্টত মুখ্যমন্ত্ৰী গৰাকীয়ে লিখে, "৪৫০ মেগাৱাটৰ পৰা ৮, ৪৫৭ মেগাৱাটলৈ- অসমৰ শক্তিশালী ভৱিষ্যতৰ এক সাহসী সংকল্প। এসময়ত সীমিত বিদ্যুৎ উৎপাদনৰ ওপৰত নিৰ্ভৰশীল অসমে এতিয়া নিজৰ শক্তিৰে আত্মনিৰ্ভৰশীল হোৱাৰ দিশে আগবাঢ়িছে। আমাৰ দৰে এখন ৰাজ্যৰ বাবে এই লক্ষ্য সঁচাকৈয়ে দুঃসাহসিক। কিন্তু আজিৰ অসমে দেখুৱাইছে- সাহসী সপোনক বাস্তৱলৈ ৰূপ দিয়াটোৱেই নতুন অসমৰ পৰিচয়। নিশ্চিতকৈ এয়া উন্নয়ন, উদ্যোগ, নিয়োগ আৰু ভৱিষ্যত প্ৰজন্মৰ বাবে অধিক উজ্জ্বল কাহিনী।" অসমৰ বিত্তমন্ত্ৰী জয়ন্ত মল্ল বৰুৱাই ৰাজ্যৰ বাজেট দাখিল কৰি এই প্ৰকল্পৰ বিষয়ে বিস্তাৰিতভাৱে অৱগত কৰায়। তেওঁ কয় যে জল, সৌৰ, তাপ আৰু শক্তি সংৰক্ষণ প্ৰকল্পসমূহৰ জৰিয়তে ৭৭, ৩৫৩ কোটি টকাতকৈ অধিক বিনিয়োগৰ পৰিকল্পনাৰে ৰাজ্যখনৰ শক্তি খণ্ডই এক পৰিৱৰ্তনমূলক পৰ্যায়ত প্ৰৱেশ কৰিছে। ৰাজ্যৰ ইতিহাসত এই বিনিয়োগ পাইপলাইনেই আটাইতকৈ ডাঙৰ বুলি অভিহিত কৰে বিত্তমন্ত্ৰীয়ে। বিত্তমন্ত্ৰী গৰাকীয়ে লগতে কয় যে এই অভিলাষী কাৰ্যসূচী ৰাজ্যৰ নিজা সম্পদ, কেন্দ্ৰীয় পৃষ্ঠপোষকতা কৰা আঁচনি, বহিঃসাহায্যপ্ৰাপ্ত প্ৰকল্প আৰু ৰাজহুৱা-ব্যক্তিগত অংশীদাৰিত্বৰ সংমিশ্ৰণৰ জৰিয়তে বিত্তীয় সাহায্য প্ৰদান কৰা হ'ব। অসমক শক্তি উদ্বৃত্ত ৰাজ্য আৰু উত্তৰ-পূব ভাৰতৰ সেউজ শক্তি কেন্দ্ৰলৈ ৰূপান্তৰিত কৰাৰ প্ৰতিশ্ৰুতি পুনৰব্যক্ত কৰে তেওঁ। বিশেষকৈ পাম্প কৰা সংৰক্ষণ শক্তি (পিএছপি) প্ৰকল্পক সৰ্বোচ্চ অগ্ৰাধিকাৰ দিয়া হৈছে। ৰাজ্যখনত ৪, ৯০০ মেগাৱাটৰ মুঠ ক্ষমতা আৰু আনুমাণিক ব্যক্তিগত বিনিয়োগ প্ৰায় ২৭, ১০০ কোটি টকাৰে চাৰিটা পিএছপি প্ৰকল্পত অনুমোদন জনোৱা হৈছে। এই পদক্ষেপে বৃহৎ পৰিসৰৰ নবীকৰণযোগ্য শক্তিৰ সংহতি আৰু বহনক্ষম ঔদ্যোগিক বৃদ্ধি নিশ্চিত কৰিব বুলি আশা কৰা হৈছে। উল্লেখযোগ্য যে ১২০ মেগাৱাট ক্ষমতাসম্পন্ন নামনি কপিলী জলবিদ্যুৎ প্ৰকল্পই ট্ৰাইল কমিচনিং পৰ্যায়ত প্ৰৱেশ কৰি ইতিমধ্যে প্ৰায় প্ৰপ্ত মেগাৱাট বিদ্যুৎ গ্ৰীডলৈ যোগান ধৰিছে। ২০২৬ চনৰ জুলাই মাহত এই প্ৰকল্পটো সম্পূৰ্ণৰূপে আৰম্ভ হোৱাৰ সম্ভাৱনা আছে। অসমৰ বিত্তমন্ত্ৰীয়ে লগতে কয় যে বিলাসীপাৰাত আনুমানিক ৪, ০০০ কোটি টকা বিনিয়োগৰ সৈতে প্ৰস্তাৱিত ৩, ২০০ মেগাৱাট তাপ শক্তি কেন্দ্ৰ নিৰ্মাণৰ পৰিকল্পনা হাতত লোৱা হৈছে। ইয়াৰ উপৰিও পৰিকল্পনা আৰু ৰূপায়ণৰ বিভিন্ন পৰ্যায়ৰ অধীনত মুঠ ১৩৭.২ মেগাৱাটৰ ৰবটা নতুন জলবিদ্যুৎ প্ৰকল্প আছে, য'ত আনুমানিক ২, ৬১৭ কোটি টকা বিনিয়োগ হ'ব। এই পদক্ষেপসমূহে অসমে ইতিহাসত প্ৰথমবাৰৰ বাবে নিৰ্ণায়ক ভূমিকা গ্ৰহণ কৰিছে বুলি অভিহিত কৰে বিত্তমন্ত্ৰী গৰাকীয়ে। অসমৰ শক্তি নেটৱৰ্ক শক্তিশালী কৰাৰ বাবেও চৰকাৰে দীৰ্ঘম্যাদী পৰিকল্পনা হাতত লৈছে। অহা পাঁচ বছৰত ১৫, ০০০ চাৰ্কিট কিলোমিটাৰ ট্ৰেন্সমিছন আৰু ডিষ্ট্ৰিবিউচন লাইন, ১২০টা নতুন চাবষ্টেচন আৰু ২০, ০০০ হাই-ভল্টেজ ডিষ্ট্ৰিবিউশ্যন ট্ৰেন্সফৰ্মাৰ সংযোগ কৰা হ'ব। এই ব্যাপক উন্নয়নে অসমৰ বিদ্যুৎ ব্যৱস্থাক অধিক সুসংহত আৰু সক্ষম কৰি তুলিব বুলি আশা কৰা হৈছে।

# OVSE হিচাপে পঞ্জীয়ন লাভ

Seeking Entity) বা চমুকৈ OVSE হিচাপে পঞ্জীয়ন লাভ কৰিছে। ইয়াৰ ফলত উত্তৰ-পূৰ্বাঞ্চলৰ ভিতৰতে প্ৰথমবাৰৰ বাবে কোনো ৰাজ্যিক সংস্থাই এই সুবিধা লাভ কৰিলে। মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই শুকুৰবাৰে সামাজিক মাধ্যম এক্স শচপূৰ্বৰ টুইটাৰগ্নত এই গুৰুত্বপূৰ্ণ তথ্য সৰ্বজনীন কৰে। তেওঁ লিখে, "আজি অসম আৰক্ষীয়ে ইউআইডিএআই-আধাৰৰ অধীনত অফলাইন ভেৰিফিকেচন চিকিং এণ্টিটী (OVSE) হিচাপে পঞ্জীয়ন কৰা উত্তৰ-পূবৰ প্ৰথমটো ৰাজ্যিক সংস্থা হিচাপে স্বীকৃতি লাভ কৰিছে।" এই ব্যৱস্থা কিয় গুৰুত্বপূৰ্ণ- সেই বিষয়ে মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে সৰ্বভাৰতীয় স্তৰত অসম আৰক্ষীয়ে OVSE হিচাপে পঞ্জীয়ন লাভ কৰা তৃতীয় আৰক্ষী বাহিনী হিচাপে পৰিগণিত হৈছে। অসমৰ বহু অংশত পাহাৰীয়া এলেকা, চৰাঞ্চল, সীমান্তৱৰ্তী গাঁও আদিত দ্ৰুতগতিৰ ইণ্টাৰনেট সেৱা উপলব্ধ নহয়। সেইবাবে ইতিপূৰ্বে এই অঞ্চলবোৰত OVSE পদ্ধতি প্ৰয়োগ সম্ভৱ নাছিল। কিন্তু এতিয়াৰ পৰা অসম আৰক্ষীৰ টহলদাৰী দলে এজন চালক বা ব্যক্তিৰ আধাৰ কাৰ্ড বা পৰিচয় পত্ৰত থকা কিউআৰ ক'ড স্কেন কৰি তৎক্ষণাত প্ৰমাণপত্ৰ পৰীক্ষা কৰিব পাৰিব। এই পৰীক্ষাৰ বাবে ইণ্টাৰনেটৰ গতিবেগৰ ওপৰত নিৰ্ভৰ কৰাৰ কোনো প্ৰয়োজন নাই। মুখ্যমন্ত্ৰীয়ে লগতে স্পষ্ট কৰি দিয়ে যে আধাৰ কিউআৰ ক'ডত জাল কৰিব নোৱাৰা ডিজিটেল চীল থাকে। সেয়ে এজন অপৰাধী বা অবৈধ অনুপ্ৰৱেশকাৰীয়ে ভুৱা বা ফটোকপি কৰা আধাৰ কাৰ্ড ব্যৱহাৰ কৰি আৰক্ষীক বিপথে পৰিচালিত কৰাটো এতিয়া বহুত কঠিন হৈ পৰিব। এই নতুন ব্যৱস্থাই আৰক্ষীৰ দৈনন্দিন সেৱাবোৰ- যেনে ভাড়াতীয়াৰ পৰীক্ষণ, চৰিত্ৰ পৰীক্ষণ, পাছপ'ৰ্ট আৰু অস্ত্ৰ অনুজ্ঞাপত্ৰ পৰীক্ষণ- দ্ৰুত আৰু সহজ কৰি তুলিব। উল্লেখযোগ্য যে অসম আৰক্ষীৰ এই পদক্ষেপে ৰাজ্যখনৰ নিৰাপত্তা ব্যৱস্থাত এক নতুন মাত্ৰা সংযোজন কৰিছে। মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই কয় যে এই ব্যৱস্থাৰ দ্বাৰা অসম আৰক্ষীয়ে পানী নসৰকা নিৰাপত্তা ব্যৱস্থা গঢ়ি তোলাৰ লগতে অপৰাধী নিয়ন্ত্ৰণত এক গুৰুত্বপূৰ্ণ খোজ আগুৱাই গ'ল। বিশেষজ্ঞসকলৰ মতে, এই অফলাইন ভেৰিফিকেচন পদ্ধতি অতি সুৰক্ষিত আৰু দ্ৰুত। ইণ্টাৰনেট সংযোগ নথকা অঞ্চলতো আৰক্ষীয়ে কোনো ব্যক্তিৰ পৰিচয় সঠিকভাৱে নিশ্চিত কৰিব পাৰে। অসমৰ ভৌগোলিক পৰিস্থিতি বিশেষকৈ সীমান্তৱৰ্তী অঞ্চলবোৰত এই ব্যৱস্থাই গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব বুলি আশা কৰা হৈছে। অসম আৰক্ষীৰ হাতত এতিয়া এনে এক শক্তিশালী প্ৰযুক্তিৰ উপস্থিতিয়ে অপৰাধী আৰু অনুপ্ৰৱেশকাৰীসকলৰ মাজত চাঞ্চল্যৰ সৃষ্টি কৰিছে। আধাৰ কাৰ্ডৰ জৰিয়তে পৰিচয় গোপন ৰাখি অসমত প্ৰৱেশ কৰাৰ পুৰণি পদ্ধতি এতিয়া অকামিলা হৈ পৰিব। আৰক্ষীয়ে যিকোনো স্থানত, যিকোনো সময়ত, ইণ্টাৰনেটৰ অভাৱতো সহজেই পৰিচয় পত্ৰ পৰীক্ষা কৰি সন্দেহজনক ব্যক্তিক চিনাক্ত কৰিব পাৰিব। মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই শেষত কয়, "আমি অসমক নিৰাপদ আৰু সুৰক্ষিত ৰাজ্য হিচাপে গঢ়ি তোলাৰ বাবে প্ৰতিশ্ৰুতিবদ্ধ। অসম আৰক্ষীৰ এই সাফল্য সেই দিশত এক উল্লেখযোগ্য অধ্যায়।"

# CMAAA আঁচনিত ৫০'%উদ্যোগীয়ে

গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। অন্যহাতে, CMAAAৰ দ্বিতীয় পৰ্যায়ৰ বাবে মুঠ ৭৪, ৬৯৪ গৰাকী উদ্যোগীয়ে আবেদন দাখিল কৰিছিল। কিন্তু ইয়াৰে মাত্ৰ ১২, ৩৩ৰ জনকহে দ্বিতীয় পৰ্যায়ৰ অধীনত ৰ লাখ টকা অনুদানৰ বাবে বাছনি কৰা হৈছে। বাকী ৫০ শতাংশ উদ্যোগী এই পৰ্যায়ত বঞ্চিত হৈছে বুলি স্পষ্টভাৱে প্ৰতিফলিত হৈছে। দ্বিতীয় পৰ্যায়ৰ আঁচনিৰ অধীনত আবেদন দাখিল কৰা ৭৪, ৬৯৪ গৰাকী উদ্যোগীৰ প্ৰত্যেকক ইতিমধ্যে ৭৫, ০০০ টকাকৈ অনুদান প্ৰদান কৰা হৈছে। অহা জুলাই মাহৰ পিছত বাছনি হোৱা আৰু যোগ্য উদ্যোগীক আৰু ২৫, ০০০ টকাকৈ প্ৰদান কৰাৰ সিদ্ধান্ত লোৱা হৈছে। ইয়াৰ দ্বাৰা দ্বিতীয় পৰ্যায়ৰ অধীনত মুঠ ৰ লাখ টকা পূৰ্ণ হ'ব। মন্ত্ৰী বিমল বৰাই কয়, "CMAAA আঁচনিখন আমি সফল কৰিবই লাগিব। এই আঁচনিৰ জৰিয়তে অসমৰ উদ্যোগীক আত্মনিৰ্ভৰশীল কৰি তোলাটোৱেই আমাৰ মুখ্য লক্ষ্য। প্ৰথম পৰ্যায়ত ২৫ হাজাৰতকৈও অধিক উদ্যোগীয়ে সুবিধা লাভ কৰিছে। দ্বিতীয় পৰ্যায়ত আবেদন সংখ্যা অধিক হোৱা সত্ত্বেও সীমিত বাজেটৰ বাবে মাত্ৰ ১২, ৩৩ৰ জনক বাছনি কৰিব পৰা হৈছে। বাকীসকলকো অহা দিনবোৰত আঁচনিৰ পৰা সুবিধা প্ৰদান কৰিবলৈ চৰকাৰে প্ৰচেষ্টা চলাই আছে।" তেওঁ লগতে উল্লেখ কৰে যে ৭৪, ৬৯৪ গৰাকী আবেদনকাৰীৰ ভিতৰত প্ৰায় ৫০ শতাংশ উদ্যোগীয়ে আঁচনিৰ পৰা প্ৰাপ্ত ধন সঠিকভাৱে সদ্ব্যৱহাৰ কৰিব পৰা নাই। ইয়াৰ বাবে উদ্যোগীসকলক অধিক সজাগ আৰু দায়িত্বশীল হ'বলৈ মন্ত্ৰী গৰাকীয়ে আহ্বান জনায়। এই ক্ষেত্ৰত উদ্যোগীসকলক প্ৰশিক্ষণ আৰু পৰামৰ্শ প্ৰদানৰ বাবেও চৰকাৰে পদক্ষেপ লৈছে বুলি তেওঁ জানিবলৈ দিয়ে। উল্লেখ্য যে CMAAA আঁচনিখন অসম চৰকাৰৰ এক প্ৰধান উদ্যোগ, যি ৰাজ্যৰ যুৱ উদ্যোগীক আত্মনিৰ্ভৰশীল কৰি তোলাৰ লগতে বেকাৰত্ব সমস্যা সমাধানত সহায়ক হৈছে। আঁচনিৰ প্ৰথম পৰ্যায়ৰ সফলতাৰ পিছত দ্বিতীয় পৰ্যায়ও আগুৱাই নিয়া হৈছে। মন্ত্ৰী বিমল বৰাই আশা প্ৰকাশ কৰে যে অহা দিনবোৰত অধিক সংখ্যক উদ্যোগীয়ে এই আঁচনিৰ পৰা উপকৃত হ'ব আৰু অসমৰ অৰ্থনৈতিক বিকাশত অৰিহণা যোগাব।

# অমৃত ভাৰত ষ্টেচনৰ মানচিত্ৰত স্থান

লক্ষ্মণ প্ৰসাদ আচাৰ্যই ষ্টেচনটোৰ উদ্বোধনী ফলক উন্মোচন কৰে। ৰাজ্যপালৰ কাৰ্যালয়ৰ পৰা প্ৰকাশিত এক বিবৃতিত কোৱা হৈছে যে মাজবাট ষ্টেচনৰ পুনৰ উন্নয়ন কৰি অমৃত ষ্টেচন হিচাপে উদ্বোধন কৰাৰ লগে লগে অঞ্চলটোৰ পৰ্যটন, কৰ্মসংস্থাপন আৰু স্থানীয় বাণিজ্য বৃদ্ধিৰ ক্ষেত্ৰত এক যুগান্তৰকাৰী ভূমিকা পালন কৰিব। পুনৰ উন্নয়নৰ ফলত ষ্টেচনটোত আধুনিক যাত্ৰী অনুকূল সুবিধা, বৰ্ধিত পাৰ্কিঙৰ সুবিধা, যাত্ৰীৰ বাবে বিশাল অপেক্ষা স্থান, পানী সংৰক্ষণ, সৌৰশক্তি আৰু সেউজ স্থানৰ ব্যৱস্থা কৰা হৈছে। এই উপলক্ষে আয়োজিত অনুষ্ঠানত ভাষণ প্ৰদান কৰি ৰাজ্যপাল আচাৰ্যই এই কাৰ্যসূচীক অসমৰ বাবে এক ঐতিহাসিক মাইলৰ খুঁটি হিচাপে অভিহিত কৰে। তেওঁ কয় যে মাজবাট ৰে'লৱে ষ্টেচনৰ ৰূপান্তৰে প্ৰধানমন্ত্ৰীৰ আধুনিক, সৰ্বাংগীণ আৰু বহনক্ষম আন্তঃগাঁথনি সৃষ্টিৰ দৃষ্টিভংগীক প্ৰতিফলিত কৰিছে। ৰাজ্যপালে অমৃত ভাৰত ষ্টেচন আঁচনিৰ অধীনত মাজবাটক অমৃত ভাৰত ষ্টেচনলৈ ৰূপান্তৰিত কৰাৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক আন্তৰিক ধন্যবাদ জ্ঞাপন কৰাৰ লগতে ৰাজ্যখনৰ উন্নয়নত আগবঢ়োৱা অৱদান আৰু অবিৰত সহায়ৰ বাবে মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাকো ধন্যবাদ জনায়। ৰাজ্যপালে কয় যে পুনৰ উন্নীত কৰা ষ্টেচনটোৱে অসমৰ চহকী সাংস্কৃতিক ঐতিহ্যক আধুনিক যাত্ৰীৰ সুবিধাৰ সৈতে নিৰৱচ্ছিন্নভাৱে সংযোগ কৰিছে। ইয়াৰ ফলত ষ্টেচনটো যোগাযোগৰ এক কেন্দ্ৰবিন্দু হৈ পৰিছে আৰু ৰাজ্যখনৰ অনন্য পৰিচয়কো প্ৰদৰ্শন কৰিছে। উন্নীতকৃত ষ্টেচনে সমগ্ৰ অঞ্চলটোৰ সংযোগ শক্তিশালী কৰাৰ লগতে পৰ্যটন, বাণিজ্য, কৰ্মসংস্থাপন আৰু আঞ্চলিক উন্নয়নক প্ৰসাৰিত কৰিব বুলিও তেওঁ আস্থা প্ৰকাশ কৰে। ভাৰতীয় ৰে'লৱেৰ দ্ৰুত পৰিৱৰ্তনৰ ওপৰত আলোকপাত কৰি ৰাজ্যপাল আচাৰ্যই কয় যে ৰে'লৱেৰ আন্তঃগাঁথনিৰ অভূতপূৰ্ব সম্প্ৰসাৰণ, ষ্টেচনসমূহৰ পুনৰ উন্নয়ন, বৈদ্যুতিকীকৰণ, আধুনিক সংকেত ব্যৱস্থা আৰু উন্নত ৰে'লৰ প্ৰৱৰ্তনে ভাৰত এখন উন্নত ৰাষ্ট্ৰ হোৱাৰ যাত্ৰাত যথেষ্ট অৰিহণা যোগাইছে। তেওঁ উল্লেখ কৰে যে বিগত দশকত অসম আৰু উত্তৰ-পূবৰ বাবে ৰে'ল বাজেট আবণ্টন পাঁচগুণতকৈও অধিক বৃদ্ধি পাইছে, অমৃত ভাৰত ষ্টেচন আঁচনিৰ অধীনত অসমৰ ৫০টা আৰু সমগ্ৰ উত্তৰ-পূবৰ ৬০টা ষ্টেচন পুনৰ উন্নীত কৰা হৈছে। ৰাজ্যপালগৰাকীয়ে কয় যে প্ৰধানমন্ত্ৰীৰ 'এক্ট ইষ্ট, এক্ট ফাষ্ট এণ্ড এক্ট ফৰ্ষ্ট' দৃষ্টিভংগীৰ অধীনত উন্নত বহুমুখী সংযোগে অসম আৰু উত্তৰ-পূৰ্বাঞ্চলৰ অপৰিসীম অৰ্থনৈতিক সম্ভাৱনাৰ দুৱাৰ মুকলি কৰি দিছে, যাৰ ফলত অঞ্চলটোক ভাৰতৰ বিকাশৰ মূল চালিকা শক্তি হিচাপে স্থান দিয়া হৈছে। নতুনকৈ উন্নীত কৰা ৰাজহুৱা সম্পত্তি সংৰক্ষণৰ বাবে নাগৰিকসকলক আহ্বান জনাই ৰাজ্যপাল আচাৰ্যই ৰাইজক বিশেষকৈ যুৱক-যুৱতীসকলক ষ্টেচনটোৰ পৰিষ্কাৰ-পৰিচ্ছন্নতা, সুৰক্ষা আৰু ৰক্ষণাবেক্ষণৰ সামূহিক দায়িত্ব গ্ৰহণ কৰিবলৈ অনুৰোধ জনায়। তেওঁ আস্থা প্ৰকাশ কৰে যে মাজবাট ৰে'লৱে ষ্টেচন নতুন সুযোগ, সমৃদ্ধি আৰু আকাংক্ষাৰ প্ৰতীক হিচাপে আত্মপ্ৰকাশ কৰি বিকশিত অসম আৰু বিকশিত ভাৰতৰ দৃষ্টিভংগীত অৰ্থপূৰ্ণ অৰিহণা যোগাবউল্লেখ্য যে এই উপলক্ষে মাজবাট ষ্টেচনত আয়োজিত অনুষ্ঠানত পশুপালন আৰু পশু চিকিৎসা বিভাগৰ মন্ত্ৰী নীলিমা দেৱী, পৰিবহণ আৰু বড়োলেণ্ড কল্যাণ মন্ত্ৰী চৰণ বড়ো, উত্তৰ-পূব সীমান্ত ৰে'লৱেৰ জেনেৰেল মেনেজাৰ চেতন কুমাৰ শ্ৰীবাস্তৱ, ৰঙিয়া সংমণ্ডলৰ বিভাগীয় ৰে'লৱে প্ৰবন্ধক অনন্ত সদাশিৱ, ভাৰতীয় ৰে'লৱেৰ জ্যেষ্ঠ বিষয়া আৰু অন্যান্য বিশিষ্ট ব্যক্তিসকল উপস্থিত থাকে।

# সোণম ৱাংচুকলৈ সমৰ্থনত

প্ৰতি সমৰ্থন আগবঢ়াই আহিছে। শুকুৰবাৰে অসমৰ গুৱাহাটী মহানগৰীৰ নেহৰু পাৰ্কৰ সন্মুখত এছএফআই (ষ্টুডেণ্টছ ফেডাৰেচন অফ ইণ্ডিয়া) আৰু ডিৱাইএফআই (ডেম'ক্ৰেটিক ইয়ুথ ফেডাৰেচন অফ ইণ্ডিয়া)ৰ উদ্যোগত এক বৃহৎ প্ৰতিবাদ সভা অনুষ্ঠিত হয়। প্ৰতিবাদকাৰীসকলে সোণম ৱাংচুকলৈ সমৰ্থন জনাই শিক্ষামন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানৰ পদত্যাগৰ দাবী উত্থাপন কৰে। প্ৰতিবাদ সভাত অংশগ্ৰহণকাৰীসকলে "সোণম ৱাংচুকক বচাওক", "সোণম ৱাংচুকৰ দাবী মানি লওক", "বিজেপি চৰকাৰ হায় হায়", "ধৰ্মেন্দ্ৰ প্ৰধানে পদত্যাগ কৰক"- এইবোৰ শ্ল'গানেৰে নেহৰু পাৰ্কৰ পৰিসৰ মুখৰিত কৰি তোলে। হাতত প্লেকাৰ্ড লৈ বিক্ষোভকাৰীসকলে তেওঁলোকৰ দাবীসমূহ স্পষ্টভাৱে উত্থাপন কৰে। প্ৰতিবাদত অংশ লৈ লেখিকা-সাংবাদিক মাইনী মহন্তই কয়, "এই প্ৰতিবাদৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীসকলে সোণম ৱাংচুকৰ সৈতে সহমৰ্মিতা প্ৰকাশ কৰাটো অতি প্ৰয়োজনীয়। তেওঁ এজন আন্তৰ্জাতিক খ্যাতিসম্পন্ন বিজ্ঞানী, উদ্ভাৱক আৰু পৰিৱেশবিদ। গোটেই বিশ্বই তেওঁক চিনি পায়। এনে এজন ব্যক্তিক তিলতিলকৈ মৃত্যুৰ মুখলৈ এৰি দিয়াটো অতি দুৰ্ভাগ্যজনক।" ডিৱাইএফআইৰ নেতা নিৰংকুশ নাথে কয়, "চৰকাৰে জবাবদিহি হ'ব নিবিচাৰে। ৫৬ ইঞ্চি বুকুৰ চৰকাৰে ভাৰতীয় গণতন্ত্ৰৰ প্ৰতি বুঢ়া আঙুলি দেখুৱাইছে। শিক্ষামন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানে পদত্যাগ কৰক, কাৰণ তেওঁ পৰীক্ষা সঠিকভাৱে পতাৰ দায়িত্ব পালন কৰিব পৰা নাই। বিজেপি চৰকাৰ গণতন্ত্ৰৰ হত্যাকাৰী। তেওঁলোকে মানুহৰ কথা শুনিব নিবিচাৰে। আমি সোণম ৱাংচুকক মৰিবলৈ দিব নোৱাৰো। তেওঁৰ মৃত্যু হ'লে ইতিহাসত লিপিবদ্ধ থাকিব যে বিজেপি চৰকাৰ হত্যাকাৰীৰ চৰকাৰ।" উল্লেখ্য যে সোণম ৱাংচুকে ককৰোচ্ছ জনতা পাৰ্টীৰ শান্তিপূৰ্ণ প্ৰতিবাদৰ অংশ হিচাপে নতুন দিল্লীৰ যন্তৰ-মন্তৰত অনশন আৰম্ভ কৰিছিল। তেওঁৰ মূল দাবীসমূহ হৈছে- দেশৰ শিক্ষা ব্যৱস্থাৰ সৰ্বাংগীণ সংস্কাৰ আৰু কেন্দ্ৰীয় শিক্ষামন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানৰ পদত্যাগ। এই দাবীসমূহ আদায় হোৱালৈকে তেওঁ অনশন অব্যাহত ৰাখিব বুলি ঘোষণা কৰিছে।

# কমনৱেলথ গেমছ ২০২৬ৰ অসমৰ

শইকীয়া আৰু পুতুল সোণোৱাল, লগতে পেৰা-চাইক্লিষ্ট লিছা দাস- এই চাৰিগৰাকী ক্ৰীড়াবিদে অহা গেমছত ভাৰতীয় দলৰ হৈ অংশগ্ৰহণ কৰিব। মুখ্যমন্ত্ৰী শৰ্মাই এই চাৰিগৰাকী ক্ৰীড়াবিদৰ প্ৰতি আস্থা প্ৰকাশ কৰি কয় যে তেওঁলোকে বিশ্বমঞ্চত নিজৰ শ্ৰেষ্ঠ প্ৰদৰ্শন আগবঢ়াই দেশ তথা ৰাজ্যলৈ গৌৰৱ কঢ়িয়াই আনিব। ছ'চিয়েল মিডিয়া প্লেটফৰ্ম এক্সত (পূৰ্বৰ টুইটাৰ) কৰা এটা পোষ্টত মুখ্যমন্ত্ৰীগৰাকীয়ে লিখে-"আগন্তুক #CommonwealthGames2026ৰ বাবে অসমৰ চেম্পিয়ন-লাভলীনা বৰগোহাঁই, নয়নমণি শইকীয়া, পুতুল সোণোৱাল আৰু লিছা দাসলৈ মোৰ বহুত বহুত শুভেচ্ছা থাকিল। মই নিশ্চিত যে তেওঁলোকে নিজ নিজ ক্ৰীড়া বিভাগত সৰ্বশ্ৰেষ্ঠ প্ৰদৰ্শন আগবঢ়াব আৰু দেশলৈ গৌৰৱ কঢ়িয়াই আনিব।" মুখ্যমন্ত্ৰীগৰাকীয়ে খেলুৱৈসকলৰ এই সফলতাৰ আঁৰত থকা তেওঁলোকৰ চৰম নিষ্ঠা আৰু কঠোৰ পৰিশ্ৰমক প্ৰশংসা কৰে। লগতে ক্ৰীড়াৰ সৰ্বাংগীণ উন্নয়নৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰে আগবঢ়োৱা ধাৰাবাহিক সহযোগিতাৰ কথাও তেওঁ উল্লেখ কৰে। তেওঁ কয় যে খেলুৱৈসকলৰ অহোপুৰুষাৰ্থৰ বাবেই আজি তেওঁলোকে এই সন্মানীয় আন্তঃৰাষ্ট্ৰীয় ক্ৰীড়া মঞ্চত স্থান লাভ কৰিবলৈ সক্ষম হৈছে। উল্লেখ্য যে ২৩ জুলাইৰ পৰা অনুষ্ঠিত হ'বলগীয়া এই মেগা স্পৰ্টছ ইভেণ্টত সমগ্ৰ কমনৱেলথ দেশসমূহৰ শ্ৰেষ্ঠ ক্ৰীড়াবিদসকলে বিভিন্ন ক্ৰীড়া বিভাগত পদকৰ বাবে প্ৰতিদ্বন্দ্বিতা কৰিব। লাভলীনা বৰগোহাঁই বক্সিংত, নয়নমণি শইকীয়া আৰু পুতুল সোণোৱাল লন বলত, আৰু লিছা দাস পেৰা-চাইক্লিংত ভাৰতৰ প্ৰতিনিধিত্ব কৰিব। সমগ্ৰ অসমবাসীয়ে বৰ্তমান এই চাৰিওগৰাকী তাৰকা খেলুৱৈৰ সফলতা কামনা কৰিছে। মুখ্যমন্ত্ৰীৰ এই শুভেচ্ছা বাৰ্তাই খেলুৱৈসকলৰ মনোবল আৰু অধিক বৃদ্ধি কৰাৰ লগতে ৰাজ্যৰ ক্ৰীড়া জগতত এক উৎসাহৰ সঞ্চাৰ কৰিছে। অসমৰ ক্ৰীড়াপ্ৰেমীসকলে নিজৰ ক্ৰীড়াবিদসকলৰ সাফল্যৰ বাবে প্ৰাৰ্থনা জনাইছে আৰু তেওঁলোকক আগন্তুক প্ৰতিযোগিতাত উজ্জ্বল প্ৰদৰ্শন কৰিবলৈ উৎসাহ যোগাইছে।

# বীৰ লাচিত বৰফুকনৰ জীৱন আৰু

অনুষ্ঠানৰ জৰিয়তে এই সন্দৰ্ভত গুৰুত্বপূৰ্ণ তথ্য সৰ্বজনীন কৰে। তেওঁ জনায় যে ছবিখনৰ পৰিচালনাৰ দায়িত্ব দিয়া হ'ব বলীউডৰ খ্যাতনামা পৰিচালক আদিত্য ধৰক। ইতিমধ্যে ধৰৰ সৈতে প্ৰাৰম্ভিক আলোচনা সম্পন্ন হৈছে আৰু আগষ্ট মাহত এখন বিশেষ বৈঠকৰ জৰিয়তে ছবিখনৰ বিতং পৰিকল্পনা চূড়ান্ত কৰা হ'ব। উল্লেখ্য যে আদিত্য ধৰে ইতিপূৰ্বে 'ধুৰন্ধৰ' (URI. The Surgical Strike)ৰ দৰে ব্লকবাষ্টাৰ ছবি পৰিচালনা কৰি ৰাষ্ট্ৰীয় পৰ্যায়ে খ্যাতি অৰ্জন কৰিছে। তেওঁৰ পৰিচালনা দক্ষতা আৰু গুৰুত্বপূৰ্ণ বিষয়বস্তুক পৰ্দাত উপস্থাপন কৰাৰ ক্ষমতাক অসম চৰকাৰে গুৰুত্ব দিয়া বুলি জানিব পৰা গৈছে। মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই ফেচবুক লাইভত কয়, "১৬৭১ চনৰ শৰাইঘাটৰ যুদ্ধত মোগল সেনাক পৰাস্ত কৰা মহান আহোম সেনাধ্যক্ষ লাচিত বৰফুকনৰ শৌৰ্য, বীৰত্ব আৰু দেশপ্ৰেমৰ কাহিনী সমগ্ৰ ভাৰতবৰ্ষ আৰু বিশ্বৰ মানুহৰ আগত দাঙি ধৰাটো আমাৰ কৰ্তব্য। গতিকে আমি এখন বলীউড পৰ্যায়ৰ ছবি নিৰ্মাণৰ পদক্ষেপ লৈছো।" তেওঁ লগতে স্পষ্ট কৰি দিয়ে যে যদি কোনো কাৰণবশতঃ আদিত্য ধৰৰ সৈতে চুক্তি সফল নহয়, তেন্তে চৰকাৰে আন এজন পৰিচালকৰ সন্ধান কৰি এই প্ৰকল্প সম্পূৰ্ণ কৰাব। "বীৰ লাচিত বৰফুকনৰ কাহিনী যিকোনো পৰিস্থিতিতে ডাঙৰ পৰ্দাত মুক্তি পাবই পাব-ইয়াত কোনো আপোচ নাথাকিব, "বুলি মুখ্যমন্ত্ৰী গৰাকীয়ে দৃঢ়তা প্ৰকাশ কৰে। অসম চৰকাৰে 2026- 27 বৰ্ষৰ বাজেটত ঘোষণা কৰা মতে, লাচিত বৰফুকন আৰু শ্বহীদ কুশল কোঁৱৰৰ জীৱনভিত্তিক দুখন বৃহৎ বাণিজ্যিক কথাছবি নিৰ্মাণৰ বাবে ১০০ৰ পৰা ১৫০ কোটি টকা বৰাদ্দ কৰা হৈছে। এই ছবি দুখন সমগ্ৰ ভাৰতত মুক্তি দিয়াৰ সম্ভাৱনা আছে, যাৰ ফলত অসমৰ ইতিহাস আৰু সংস্কৃতি ৰাষ্ট্ৰীয় পৰ্যায়ে প্ৰচাৰ লাভ কৰিব। পৰিচালক আদিত্য ধৰৰ সৈতে আগষ্ট মাহত অনুষ্ঠিত হ'বলগীয়া বৈঠকত ছবিখনৰ কাহিনী, কলা-কুশলী নিৰ্বাচন, স্থান, নিৰ্মাণ সময়সূচী আদি গুৰুত্বপূৰ্ণ দিশসমূহ সিদ্ধান্ত লোৱা হ'ব। ইতিমধ্যে ছবিখনৰ প্ৰাথমিক গৱেষণাৰ বাবে এটি দল গঠন কৰা হৈছে আৰু ঐতিহাসিক তথ্য সংগ্ৰহৰ কাম আৰম্ভ হৈছে।

# লোকপিয়লৰ কামত গাফিলতি

সঞ্চালকালয়ৰ নিৰ্দেশনাৰ পিছতে ৰাজ্যখনৰ জিলা আয়ুক্তসকলে কঠোৰ নিৰ্দেশনা জাৰি কৰি এই সংক্ৰান্তত স্পষ্ট দিশ-নিৰ্দেশ প্ৰদান কৰিছে। প্ৰথমতে, লোকপিয়ল সম্পৰ্কীয় কাৰ্যত নিয়োজিত চৰকাৰী কৰ্মচাৰীসকলে জিলা আয়ুক্তৰ আগতীয়া অনুমোদন অবিহনে কোনো ধৰণৰ ছুটী ল'ব নোৱাৰিব বুলি স্পষ্টভাৱে উল্লেখ কৰা হৈছে। অতি জৰুৰী পৰিস্থিতিতহে এই অনুমতি প্ৰদান কৰা হ'ব আৰু ছুটীৰ আবেদন জমা দিয়াৰ আগতে সম্পৰ্কীয় কাম-কাজ হস্তান্তৰৰ ব্যৱস্থা নিশ্চিত কৰিব লাগিব। দ্বিতীয়তে, লোকপিয়লৰ কামত যে কোনো ধৰণৰ গাফিলতি বা অৱহেলা কৰিলে সম্পৃক্ত কৰ্মচাৰীক কঠোৰ শাস্তিৰ সন্মুখীন হ'ব লগা হ'ব। কাম কৰাত বিফলতা, নিৰ্দিষ্ট সময়সীমা উলংঘা, বা অভিযোগ নিষ্পত্তি কৰ্তব্যত অৱহেলা প্ৰদৰ্শন কৰাটোক গুৰুতৰ অৱহেলা হিচাপে গণ্য কৰা হ'ব। এনে ক্ষেত্ৰত কৰ্মচাৰীৰ বিৰুদ্ধে বিভাগীয় পদক্ষেপ গ্ৰহণ কৰাৰ লগতে আৰ্থিক জৰিমনাও বিহা হ'ব বুলি জানিব পৰা গৈছে। ইয়াৰোপৰি, লোকপিয়লৰ তথ্য জালিয়াতি কৰা বা প্ৰশাসনিক কামত নেতিবাচক প্ৰশ্ন উত্থাপন ) অৰ্থাৎ কামত ইচ্ছাকৃত বাধা দিয়া) কৰা সাব্যস্ত হ'লে দোষী ব্যক্তিক কাৰাবাস বিহা হ'ব। লগতে তেওঁক জৰিমনাও ভৰিব লগা হ'ব। এই বিধানসমূহ বিশেষভাৱে কঠোৰভাৱে ৰূপায়ণ কৰিবলৈ জিলা আয়ুক্তসকলক নিৰ্দেশ দিয়া হৈছে।

